দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ৩২ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৭ জুলাই ২০২২



## বুষ্টাৰ অভিযান



স্বাধীনতাৰ ৭৫ বৰ্ষ উদ্‌যাপনৰ স'তে সংগতি ৰাখি কেন্দ্ৰীয় চৰকাৰে যোৱা ১৩ জুলাইৰ পৰা সমগ্ৰ দেশতে ৭৫ দিনৰ বাবে ১৮ বছৰৰ ঊৰ্ধ্বৰ সকলো যোগ্য ব্যক্তিক ক'ভিডৰ তৃতীয় পালি প্ৰতিষেধক অথবা বুষ্টাৰ প্ৰদানৰ অভিযান আৰম্ভ কৰিছে। এই বিনামূলীয়া বুষ্টাৰ প্ৰদান অভিযানৰ অহা ৩০ ছেপ্টেম্বৰত অন্ত পৰিব বুলি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে সদৰী কৰিছে। সেই অনুসৰি অসমেও ইতিমধ্যে বুষ্টাৰ বা তৃতীয় পালি ক'ভিড প্ৰতিষেধক বিনামূলীয়াকৈ প্ৰদানৰ অভিযান আৰম্ভ হৈছে। বিশেষকৈ যোৱা কেইটামান সপ্তাহৰ পৰা দেশত ক'ভিডত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱাত স্বাস্থ্য বিভাগ উদ্বিগ্ন। শেহতীয়াকৈ ভাৰতত ২৪ ঘন্টাত ২০ হেজাৰ নতুনকৈ ক'ভিডত আক্ৰান্ত হৈছে। দেশত ক'ভিডত মৃত্যুৰ সংখ্যাও বৃদ্ধি পোৱাটো উদ্বেগজনক। সমগ্ৰ বিশ্বৰ লগতে ক'ভিডৰ অ'মিক্ৰন প্ৰজাতিৰ বি এ-৪ আৰু বি এ-৫ উপ প্ৰজাতি দুটাৰ দ্ৰুত সংক্ৰমণ ঘটিছে আৰু ভাৰততো অ'মিক্ৰনৰ এই দুটা উপ-প্ৰজাতিৰ সংক্ৰমণ বৃদ্ধি পাইছে। মহামাৰী বিশেষজ্ঞসকলৰ মতে অ'মিক্ৰনৰ এই দুয়োটা উপ-প্ৰজাতি ক'ভিড প্ৰতিষেধককো বাধা দিবলৈ সক্ষম। অৰ্থাৎ ক'ভিডৰ প্ৰতিষেধকে এই দুটা উপ-প্ৰজাতিক বশ কৰিব বা প্ৰতিৰোধ কৰিব নোৱাৰে। সেয়ে ক'ভিডৰ প্ৰতিষেধক লোৱাসকলৰ দেহলৈকো ক'ভিডৰ এই উপ-প্ৰজাতিয়ে সংক্ৰমণ ঘটাব পাৰে। অৱশ্যে প্ৰতিষেধক লোৱাৰ বাবে অ'মিক্ৰনৰ বি এ-৪ আৰু বি এ-৫ মাৰাত্মক হৈ পৰা নাই যদিও ইতিমধ্যে আক্ৰান্ত বহু লোকৰ মৃত্যু হৈছে। ভাৰতত যোৱা কেই সপ্তাহ ধৰি প্ৰতিদিনে ৩০-৪০ জনলৈকে আক্ৰান্ত লোকৰ মৃত্যু হৈছে। অসমতো শেহতীয়াকৈ ২৪ ঘন্টাত ক'ভিডত নতুনকৈ ৫৯০ জন আক্ৰান্ত হৈছে আৰু কামৰূপ জিলাৰ এজন লোকৰ মৃত্যু হৈছে। ভাৰতত পুনৰ ক'ভিডৰ সংক্ৰমণ বৃদ্ধিৰ প্ৰধান কাৰণ ক'ভিড সংক্ৰান্তীয় স্বাস্থ্য-বিধিৰ প্ৰতি অৱহেলা কৰাটো বুলি চিকিৎসা বিশেষজ্ঞসকলে কৈ আহিছে। পৰিস্থিতি যথেষ্ট উন্নত হোৱাত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে ক'ভিড সংক্ৰান্তীয় নিষেধাজ্ঞাসমূহ প্ৰত্যাহাৰ কৰিছে। জনসাধাৰণে ইয়াক ক'ভিড গ'ল বুলি ধৰি ল'লে আৰু মাস্ক পৰিধান, সামাজিক দূৰত্ব ৰক্ষা, হাত পৰিষ্কাৰ কৰা আদি নকৰা হ'ল। বিমানকোঠৰ তথা ৰেল ষ্টেছনবোৰতো ক'ভিডৰ পৰীক্ষা নকৰা হ'ল। জনসাধাৰণৰ সজাগতাৰ অভাৱৰ বাবেই ক'ভিড বিধি নমনা হ'ল। ক'ভিড বিধি নমনা বা আওকাণ কৰাৰ আন এটা প্ৰধান কাৰণ হ'ল ক'ভিডৰ প্ৰতিষেধক। প্ৰতিষেধকৰ প্ৰথম পালি আৰু দ্বিতীয় পালি লোৱাৰ পাছত বেছিভাগ লোকেই ধৰি লৈছে যে তেওঁলোকৰ শৰীৰত এতিয়া কৰ'না ভাইৰাছে সংক্ৰমণ ঘটাব নোৱাৰে যিহেতু তেওঁলোকে প্ৰতিষেধক গ্ৰহণ কৰিছে। এই ধৰণৰ বদ্ধমূল ধাৰণাৰ বাবে আজি হাট-বজাৰত, বাটে-পথে, চিটি বাছ, শিক্ষানুষ্ঠান, সভা-সমিতি আদিত জনসাধাৰণে মাস্ক পৰিধান নকৰে, সামাজিক বা শাৰীৰিক দূৰত্বও মানি নচলে। অ'মিক্ৰনৰ বি এ-৪ তথা বি এ-৫ৰ সংক্ৰমণৰ বাবে এয়া নিশ্চয় এক অনুকূল পৰিৱেশ। দেশত পুনৰ ক'ভিডৰ সংক্ৰমণ দ্ৰুত বৃদ্ধিৰ ইয়েই কাৰণ। যিহেতু অ'মিক্ৰন প্ৰজাতি বা ইয়াৰ উপ-প্ৰজাতিবোৰ অতি সোনকালে বিয়পিব পাৰে, সেয়ে সংক্ৰমণ দ্ৰুত বৃদ্ধি পাইছে।

চৰকাৰ তথা বিশেষজ্ঞসকলে ক'ভিডৰ চতুৰ্থটো তৰংগৰ সম্ভাৱনা নাকচ কৰিছে; কিন্তু বিশ্ব স্বাস্থ্য সংস্থা (ডব্লিউ এইছ অ')ই এই সংক্ৰান্তত সতৰ্ক হ'বলৈ বাৰম্বাৰ আহ্বান জনাই আছে। ক'ভিড মহামাৰীক কোনো কাৰণতে সহজভাৱে ল'ব নোৱাৰি বুলি ঘোষণা কৰিছে। সেয়ে ক'ভিডৰ তৃতীয়পালি প্ৰতিষেধক বা বুষ্টাৰ লোৱাটো জীৱনৰ সুৰক্ষাৰ বাবেই জৰুৰী বিবেচিত হৈছে। বিশেষকৈ ক'ভিড প্ৰতিষেধকৰ এন্টিবডি দীৰ্ঘ সময়লৈ কাৰ্যক্ষম হৈ নাথাকে বুলি কোৱা হৈছে। ছমাহ-এবছৰৰ পাছত প্ৰতিষেধকৰ কাৰ্যক্ষমতা হ্ৰাস পাবলৈ ধৰে বুলি কোৱা হৈছে। সেয়ে সময়মতে তৃতীয় পালি প্ৰতিষেধক সকলোৱে ল'ব লাগে। ভাৰতৰ একাংশ ৰাজ্যত বুষ্টাৰ বা তৃতীয় পালি প্ৰতিষেধক লোৱা লোকৰ সংখ্যা নিচেই কম। আনকি দ্বিতীয় পালি প্ৰতিষেধককেই সকলোৱে লোৱা নাই। ৬০ বছৰ অতিক্ৰম কৰা ৯৬.৮ কোটি লোকৰ ২৫.৮৪ শতাংশইহে তৃতীয় পালি বা বুষ্টাৰ লৈছে। আনহাতে, ১৮ৰ পৰা ৫৯ বছৰ বয়সীয়া ৭৭.১ কোটি লোকক তৃতীয় পালি প্ৰতিষেধক প্ৰদানৰ লক্ষ্য কৰি লোৱা হৈছিল যদিও ইয়াৰে এক শতাংশ লোকেও তৃতীয় পালি প্ৰতিষেধক লোৱা নাই। যিকেইখন ৰাজ্যৰ আটাইতকৈ কম সংখ্যক লোকে বুষ্টাৰ বা তৃতীয় পালি প্ৰতিষেধক লৈছে, সেইকেইখন ৰাজ্যৰ তালিকাত অসমৰ নামো আছে। এই মুহূৰ্তত অসমৰ ১৮ বছৰ উৰ্ধ্বৰ তৃতীয় পালি প্ৰতিষেধক ল'বলগীয়া ১.৫৯ কোটি লোক আছে— যিসকলৰ মাত্ৰ ৯.৪৫ লাখ জনেহে তৃতীয় পালি প্ৰতিষেধক লৈছে বুলি ৰাজ্যৰ স্বাস্থ্য সেৱা বিভাগৰ সঞ্চালকে সদৰী কৰিছে। অসমৰ ৰাইজ ক'ভিডৰ বুষ্টাৰ গ্ৰহণৰ ক্ষেত্ৰত সজাগ নোহোৱা বুলিও সঞ্চালকগৰাকীয়ে স্বীকাৰ কৰিছে। উল্লেখ্য যে অসমৰ ১৮-৫৯ বছৰ বয়সীয়াসকলৰ ০.২ শতাংশইহে বুষ্টাৰ গ্ৰহণ কৰিছে। আনহাতে, অসমৰ ৬০ বছৰৰ উৰ্ধ্বৰ ২৭.৬ শতাংশই তৃতীয় পালি বা বুষ্টাৰ লৈছে। আনহাতে, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি ভাৰতৰ ৯৬ শতাংশই প্ৰথম পালি আৰু ৮৭ শতাংশই ক'ভিডৰ দ্বিতীয় পালি প্ৰতিষেধক লৈছে। তৃতীয় পালি বা বুষ্টাৰ লোৱাৰ ক্ষেত্ৰত দেশৰ জনসাধাৰণৰ মাজত অনীহা আৰু সজাগতাৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ৭৫ দিনৰ বাবে বিনামূলীয়া তৃতীয় পালি বা বুষ্টাৰ প্ৰদানৰ বিশেষ অভিযান আৰম্ভ কৰিছে। যিসকলে দ্বিতীয় পালি ক'ভিড প্ৰতিষেধক লোৱাৰ পাছত প্ৰতিষেধক লোৱাৰ প্ৰয়োজন নাই বুলি নাইবা প্ৰতিষেধক লোৱা হৈ গৈছে বুলি বহি আছে, সেইসকলৰ মাজত সজাগতা সৃষ্টি কৰা উচিত যে তৃতীয় পালি বা বুষ্টাৰ লোৱাটোও অত্যন্ত জৰুৰী আৰু প্ৰয়োজন হ'লে হয়তো চতুৰ্থটো প্ৰতিষেধকো আগন্তুক সময়ত বিভিন্ন ৰোগাক্ৰান্ত লোকসকলে ল'বলগীয়া হ'ব পাৰে। ইতিমধ্যে ইজৰাইল, ডেনমাৰ্ক আদি দেশে ক'ভিডৰ চতুৰ্থ পালি প্ৰতিষেধকো প্ৰদানত গুৰুত্ব দিছে। একাংশ বিশেষজ্ঞৰ মতে ক'ভিডৰ প্ৰতিষেধক বা বুষ্টাৰ প্ৰতি এবছৰ বা দুবছৰৰ মূৰে মূৰে ল'বলগীয়া হ'বগৈ পাৰে। ভাৰতৰ দৰে দেশে চতুৰ্থ পালিৰ কথা এই মুহূৰ্তত বিবেচনা কৰিব নোৱাৰে নাইবা বিবেচনা কৰাও উচিত নহয়। ভাৰতে তৃতীয় পালি বা বুষ্টাৰ প্ৰদান কাৰ্যসূচীতহে সেয়ে সৰ্বাধিক গুৰুত্ব দিছে। বেছিভাগ বিশেষজ্ঞৰ মতে তৃতীয় পালি প্ৰতিষেধক লোৱাৰ পাছত পুনৰ প্ৰতিষেধক লোৱাৰ প্ৰয়োজন নহ'ব। বিশ্ব স্বাস্থ্য সংস্থাৰ মতেও তৃতীয় পালি লোৱাৰ পাছত চতুৰ্থ পালি প্ৰতিষেধকৰ প্ৰয়োজন নাই। সেয়ে ভাৰত আৰু বিশ্বৰ দৰিদ্ৰ তথা উন্নয়নশীল দেশৰ বাবে তৃতীয় পালি প্ৰতিষেধক প্ৰদানহে অত্যন্ত জৰুৰী। আফ্ৰিকা মহাদেশৰ দৰিদ্ৰ দেশবোৰত প্ৰথম নাইবা দ্বিতীয় পালি প্ৰতিষেধক প্ৰদানৰ কামো সম্পূৰ্ণ হোৱা নাই। বেছিভাগ আফ্ৰিকীয় দেশতে সৰ্বসাধাৰণ লোকৰ ৪০ শতাংশৰো কম লোকেহে সম্পূৰ্ণ প্ৰতিষেধক লৈছে। প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত ভাৰতৰ সফলতা প্ৰশংসনীয়। প্ৰথম আৰু দ্বিতীয় পালিৰ পাছত তৃতীয় পালি প্ৰতিষেধকো বিনামূলীয়াকৈ দিবলৈ ভাৰত সক্ষম; কিন্তু একাংশ লোকে জীৱনৰক্ষক বিনামূলীয়া প্ৰতিষেধক ল'বলৈও আগ্ৰহ নেদেখুৱায়। চৰকাৰৰ ৭৫ দিনীয়া অভিযান সেয়ে এক অত্যন্ত গুৰুত্বপূৰ্ণ অভিযান। ইতিমধ্যে প্ৰথম আৰু দ্বিতীয়টো প্ৰতিষেধক লোৱাৰ ফলত ভাৰতৰ ৪২ লাখ লোক মৃত্যুৰ গৰাহৰ পৰা ৰক্ষা পৰিব বুলি প্ৰকাশ পাইছে।

# বিড়ম্বনাই বিকল কৰে বোধশক্তিক

## তাৰুণ্যৰ শক্তিক অপচয় কৰাৰ দৰে ডাঙৰ অপৰাধ আন একো হ'ব নোৱাৰে



### আত্মজিজ্ঞাসা

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

এখন গণতান্ত্ৰিক দেশৰ উন্নতি-অৱনতিৰ বাবে কেৱল সেই দেশৰ চৰকাৰকে দায়ী কৰা নাযায়। ব্যৱস্থাপক হিচাপে চৰকাৰৰ ভূমিকা মুখ্য; কিন্তু চৰকাৰ এখন দেশৰ মাত্ৰ এক-দশমাংশ। ৯০ ভাগেই চৰকাৰৰ বাহিৰৰ নাগৰিক সমাজ। নাগৰিকৰ সচেতনতাৰ ওপৰতে নিৰ্ভৰ কৰে দেশৰ কল্যাণ-অকল্যাণ।

দ্বিতীয় বিশ্বযুদ্ধত পৰাজিত জাৰ্মান জাতিৰ অৱশিষ্ট একোৱেই নাছিল। সম্পূৰ্ণ বিধ্বস্ত অৱস্থাৰ পৰা অতি দ্ৰুত উন্নতিৰ শিখৰত উপনীত হ'বলৈ সক্ষম হৈছে জাৰ্মানী। জাৰ্মান অধ্যাপক এজনক সুধিছিলো ঃ এই উন্নতিৰ মূল কাৰণ কি?

ঃ নেতা আৰু জনগণৰ ত্যাগ আৰু কান্টৰ ভূমিকাই মুখ্য। অধ্যাপকজনে উত্তৰ দিছিল।

ঃ কান্ট কি কোনো ৰাজনৈতিক নেতা নে আপুনি দাৰ্শনিক ইমানুৱেল কান্টৰ কথা কৈছে? মই সুধিছিলো।

ঃ মই দাৰ্শনিক ইমানুৱেল কান্টৰ কথাই কৈছো। তেওঁৰ ভূমিকাই মুখ্য।

ঃ কান্টৰতো মৃত্যু হৈছে হিট্‌লাৰে আত্মহত্যা কৰাৰ ১৪০ বছৰ আগতে। মৃত ব্যক্তিগৰাকীয়ে সমাজ আৰু ৰাজনীতিত কি মুখ্য ভূমিকা ৰাখিলে?

ঃ কান্টৰ দৰ্শন আৰু ৰাজনৈতিক চিন্তাধাৰাই আছিল বিধ্বস্ত জাৰ্মান জাতিৰ ৰাজনৈতিক-সামাজিক পুনৰ্গঠনৰ প্ৰধান প্ৰেৰণা। অধ্যাপকজনৰ উত্তৰ।

অসমীয়াই জাতিৰ মহান শিক্ষকসকলৰ কোনো হিতোপদেশেই অনুশীলন কৰাৰ প্ৰয়োজনবোধ নকৰিলে। কান্টৰ দৰে যুক্তিবাদী নাথাকিলেও শংকৰদেৱ, আজান পীৰ, অম্বিকাগিৰী আদি মানৱতাবাদীতো আছিল আমাৰ মাজত।

মিলনৰ ক্ষেত্ৰবোৰ সংকীৰ্ণ অগভীৰ আৰু অন্তঃসাৰশূন্য কলহমুখৰ দেশত শান্তি শৃংখলা যে এক অবান্তৰ কথা।

**দুই**

চীন আছিল এক আফিংখোৰ অকৰ্মণ্য জাতিৰ দেশ। মাত্ৰ ৬০ বছৰত সিহঁতে যদি বিশ্বৰ এক অৰ্থনৈতিক ছুপাৰ পাৱাৰ হৈ উঠিব পাৰে, তেনেহ'লে ৬০ বছৰে অসমীয়াই কিয় নিজৰ দীনতা, অক্ষমতা কাটি উঠিব নোৱাৰে? প্ৰয়োজন মাথোঁ দুৰ্নীতিমুক্ত এখন সমাজ। দেশৰ সৰ্বত্ৰ যি অন্যায় আৰু অবিচাৰ, তাৰ মূলতেই আমাৰ অপৰিমিত লোভ। সেয়ে চিত্ততকৈ বিত্ত প্ৰধান হৈ উঠিছে আমাৰ বাবে। আৰু সেইবাবেই আমি মানৱীয় নহৈ অমানৱীয় অসুৰ হৈ মনুষ্যত্বক কৰিছো হনন অহৰহ। দেশৰ নষ্ট ৰাজনীতিৰ মূলত আছে ক্ষমতাধৰৰ ক্ষমতাৰ অপব্যৱহাৰৰ মাধ্যমত দুৰ্নীতিত যুক্ত হোৱা আৰু প্ৰশ্ৰয় দিয়া। দেশৰ দুৰ্নীতিৰ অন্যতম এক বাহন হ'ল ফয়দাবাজি আৰু দলবাজি।

দেশত সুস্থ শিক্ষানীতি বুলি কোনো কিছু নাই। যি দেশত অৰ্থনীতি, সংস্কৃতি, ৰাজনীতিকে ধৰি সব কৰ্মক্ষেত্ৰত মানুহৰ স'তে মানুহৰ সম্পৰ্কৰ চৰিত্ৰ লুটৰাজ চুৰি, দুৰ্নীতি, প্ৰতাৰণা ইত্যাদিৰ দ্বাৰা গঠিত আৰু বিকশিত তাত কেৱল শিক্ষানীতিয়েই নহয়, কোনো নীতিয়েই সুস্থভাৱে নিৰ্ধাৰিত হোৱাৰ কোনো আশাই নাই।

যি কাৰণত আমাৰ শিক্ষা ব্যৱস্থা আৰু শিক্ষাৰ পৰিৱেশ মাৰাত্মকভাৱে অৱনতিৰ মুখত পৰিছে তাৰ বাবে কোচিং বাণিজ্যৰ ওপৰত ভৰ কৰি গঢ়ি উঠা কৃষ্টি কালচাৰ বিশেষভাৱে দায়ী। কাঠফুলাৰ দৰে গজি উঠা বিভিন্ন ধৰণৰ কোচিং চেন্টাৰে আনুষ্ঠানিক শিক্ষাক ধ্বংস কৰিবলৈ বহিছে। কেৱল আনুষ্ঠানিক শিক্ষাৰ বিকল্প নহয়। বৰঞ্চ প্ৰতিদ্বন্দ্বীৰূপে আৱিৰ্ভূত হৈছে এই শিক্ষাদানৰূপী বাণিজ্যিক প্ৰতিষ্ঠানবোৰ। শিক্ষাক পৰিণত কৰিছে পণ্যত। বৰ্তমানে নানাভাৱে কোচিং ব্যৱসায় চলিছে। একাডেমিক কোচিং, ভৰ্তি কোচিং, প্ৰস্তুতি কোচিং ইত্যাদি।

শিক্ষা মানুহৰ মৌলিক অধিকাৰবোৰৰ ভিতৰত অন্যতম। প্ৰতিজন নাগৰিকৰ শিক্ষা লাভৰ অধিকাৰ প্ৰতিষ্ঠা আৰু সেয়া পালনৰ দায়িত্ব ৰাষ্ট্ৰৰ; কিন্তু কিয় জীৱনৰ আৰম্ভণিতেই এক অবুজ শিশু নামিব লগাত পৰে প্ৰতিযোগিতা নামৰ এক কঠিন মহাসমুদ্ৰত? সমগ্ৰ জাতিৰ বিবেকৰ হাতত এই প্ৰশ্নৰ কোনো উত্তৰ নাই।

হেজাৰ হেজাৰ শিক্ষাৰ্থীৰ কোলাহলেৰে বাণিজ্যিকভাৱে গঢ়ি উঠা কোচিং চেন্টাৰৰ মালিকৰ বেংক বেলেন্স ৰাতাৰাতি বাঢ়িছে। নষ্ট হৈছে শিক্ষকৰ নৈতিকতা। শিক্ষাৰ্থীয়ে হেৰুৱাইছে আস্থা আৰু আত্মবিশ্বাস। প্ৰশ্ন হয়, কিয় এই ব্যৱসায়িক প্ৰতিষ্ঠানবোৰ গঢ়ি উঠিছে? নিশ্চয় সময়ৰ দাবী আৰু প্ৰয়োজনত। আমাৰ আনুষ্ঠানিক শিক্ষা প্ৰতিষ্ঠানবোৰে শিক্ষাৰ্থীৰ প্ৰয়োজন পূৰাব পৰা নাই। সেয়ে ছাত্ৰ-ছাত্ৰীবোৰে ভিৰ কৰিছে কোচিং চেন্টাৰবোৰত। কিম্বা শিক্ষকৰ ঘৰত।

**তিনি**

দেশত অসম সেনা, আহোম সেনা, চিলাৰায় সেনা— কিমান যে সেনা। বিড়ম্বনাই মানুহৰ চিন্তাৰ শক্তিকেই কেৱল অসাৰ কৰিয়ে ক্ষান্ত নাথাকে, তাৰ বোধশক্তিকো বিকল কৰি দিয়ে। দেশখন হৈ পৰিছে মগৰ মুল্লুক। বহু বছৰ আগতে মাছ বিক্ৰেতা এজনৰ মুখত শুনিছিলো শব্দটো। মগৰ মুল্লুক। জীপৰ পৰা নামি শকত-আৱত মানুহজনে মাছ বিক্ৰেতাজনক নিৰ্দেশ দিছিল ঃ দাং মাছটো দাং। চাওঁ কিমান ডাঙৰ।

ঃ মাছটো বিক্ৰীৰ বাবে নহয়। মাছ বিক্ৰেতাৰ উত্তৰ।

ঃ বিক্ৰীৰ বাবে নহয় মানে?

ঃ মানে এই মাছ আমি বেছম না।

ঃ চালা বদমাইছ, দাং মাছটো দাং।

ঃ বললামতো বেচুম না?

ঃ চা হাৰামজাদাৰ সাহস চা। মোক চিনি পোৱা নাই? খঙত অগ্নিশৰ্মা হৈ মানুহজনে মাছ বিক্ৰেতাজনৰ গাত হাত তুলিছিল। এহাতেৰে লুঙীখন অলপ দাঙি মাছ বিক্ৰেতাজনে চিঞৰিছিল ঃ দেশটা কি মগৰ মুল্লুক?

**চাৰি**

বৰ্তমান যুগ হৈছে সহযোগিতা আৰু সৌহাৰ্দ্যৰ যুগ। যুগৰ সত্য আৰু বাস্তৱতাক মানি লৈ নিজৰ অৰ্থনৈতিক নীতিমালা আৰু কৰ্মসূচী প্ৰণয়ন কৰিবলৈ যি দেশেই সক্ষম হৈছে, সেই দেশৰ উন্নয়ন আৰু অগ্ৰগতিও হৈছে ত্বৰান্বিত।

ভিয়েটনাম। আমেৰিকাৰ বৰ্বৰতাৰ বিৰুদ্ধে যুদ্ধ কৰিছে ৩০ বছৰ। অৰ্থনীতিৰ কঠিন সত্যক অৱজ্ঞা নকৰি নীতিকথাৰ ফুলজাৰি কিম্বা আদৰ্শৰ বাগাড়ম্বৰ পৰিহাৰ কৰি ভিয়েটনামৰ মানুহে কঠিন সত্য আৰু বাস্তৱতাক মানি লৈ স্বাধীন উদ্যোগৰ নীতি-আদৰ্শ অনুসৰণ কৰি নিজৰ অৰ্থনৈতিক স্থৱিৰতা দূৰ কৰিবলৈ সক্ষম হৈছে। চিন্তা আৰু আদৰ্শৰ বৈপৰীত্য মানি লৈও সকলোৱে সমবেত হৈছে নিজৰ নিজৰ ভাগ্য পৰিৱৰ্তনৰ বিশাল কৰ্মযজ্ঞত। ভিয়েটনামৰ মানুহ স্বল্পভাষী, কৰ্তব্যপৰায়ণ আৰু কঠোৰ পৰিশ্ৰমী।

ফিলিপাইন এখন দৰিদ্ৰ দেশ। যোৱা এক দশকৰ ভিতৰত এই দেশৰ অৰ্থনীতিৰ উন্নতি অভাৱনীয়। দেশৰ বিৰাট মৌলিক পৰিৱৰ্তন ঘটিছে। আগতে আইন-শৃংখলা আছিল ভয়াৱহ। মানুহৰ জীৱনৰ নাছিল কোনো নিৰাপত্তা। হাতঘড়ী অথবা সামান্য কলম এটাও দিন দুপৰতে দুৰ্বৃত্তই কাঢ়ি নিছিল; কিন্তু কৰ্মসংস্থান হোৱাৰ পাছত সব কিছু মেজিকৰ দৰে বন্ধ হৈ গৈছে। মানুহৰ একেবাৰে ভিতৰত সত্য ন্যায় আৰু মানৱতাবোধ জীয়াই থাকে। যদি তাক সুস্থভাৱে জীয়াই থকাৰ এটা সুযোগ কৰি দিয়া হয়, তেনেহ'লে কিয় অন্যায় জীৱন বাছি ল'ব? ব্যক্তিক লৈয়েই সমাজ। ব্যক্তি জীৱনৰ সমষ্টিয়েই সমাজ জীৱন। ব্যক্তি জীৱন সুস্থভাৱে গঢ়ি উঠিলেহে স্বাভাৱিকভাৱে সমাজ জীৱনৰ বুনিয়াদ বা ভিত্তি সুদৃঢ় হয়। নিষ্কাম, নিষ্পাপ আৰু নিৰ্লোভ চৰিত্ৰৰ দুৰ্ভেদ্য শক্তিৰ ওপৰতে মানুহৰ ব্যক্তিগত আৰু সমষ্টিগত ভৱিষ্যৎ নিৰ্ভৰ কৰে। এক কথাত ক্ৰমোন্নতি আৰু ক্ৰমবিকাশ নিৰ্ভৰ কৰে।

আমাৰ দুৰ্ভগীয়া অসম দেশত সবাতোকৈ হৃদয়হীন সম্প্ৰদায় হৈছে দেশৰ ৰাজনৈতিক নেতৃবৃন্দ। সিহঁতে সমস্ত শক্তি ব্যয় কৰে ক্ষমতা লাভৰ বাবে অথবা ক্ষমতাত থাকিবৰ বাবে। দেশৰ বাবে সিহঁতৰ কোনো স্বপ্ন নাই। সব স্বপ্ন কেৱল নিজৰ বাবে। নিজৰ সন্তানক ৰক্ষা কৰি আনৰ সন্তানক ধ্বংসৰ মুখলৈ ঠেলি দিছে। শিক্ষিত যুৱকৰ কথা ৰাষ্ট্ৰই চিন্তা কৰা নাই। চকু দিয়া নাই জাতিৰ ভৱিষ্যতৰ পিনে। বিশ্ববিদ্যালয়ে উৎপাদন কৰিছে মেধাৱী বেকাৰ। কোনো কাম নাই। কামৰ সম্ভাৱনা নাই। ৰাষ্ট্ৰৰ নৃশংস চিকাৰ লাখ লাখ

**আমাৰ দুৰ্ভগীয়া অসম দেশত সবাতোকৈ হৃদয়হীন সম্প্ৰদায় হৈছে দেশৰ ৰাজনৈতিক নেতৃবৃন্দ। সিহঁতে সমস্ত শক্তি ব্যয় কৰে ক্ষমতা লাভৰ বাবে অথবা ক্ষমতাত থাকিবৰ বাবে। দেশৰ বাবে সিহঁতৰ কোনো স্বপ্ন নাই। সব স্বপ্ন কেৱল নিজৰ বাবে। নিজৰ সন্তানক ৰক্ষা কৰি আনৰ সন্তানক ধ্বংসৰ মুখলৈ ঠেলি দিছে। শিক্ষিত যুৱকৰ কথা ৰাষ্ট্ৰই চিন্তা কৰা নাই। চকু দিয়া নাই জাতিৰ ভৱিষ্যতৰ পিনে**

বেকাৰ। তাৰুণ্যৰ শক্তিক অপচয় কৰাৰ দৰে ডাঙৰ অপৰাধ আন একো হ'ব নোৱাৰে। এপিনে সাধাৰণ জনগণৰ অভাৱ-অনাটনৰ যন্ত্ৰণা। দুঃস্থ মানৱতাৰ আৰ্তনাদ। আনপিনে, ৰাজনীতিক-আমোলাৰ ভোগ-বিলাস। অৰ্থৰ মোহৰ আগত দেশৰ বেছিভাগ মানুহেই পৰাজিত। বহু বুদ্ধিজীৱীয়েও দুপইচা অৰ্জনৰ বাবে বিবেকক দিছে বিসৰ্জন। সেয়াই জাতিৰ বাবে এক অন্তহীন দুঃস্বপ্ন।

**পাঁচ**

নগেনৰ কথা মনত পৰে। মৰম লগা এটি শিশু। কোনোদিনে তাৰ জন্মদিন পালন কৰা হোৱা নাই। পোৱা নাই কোনোদিনে জন্মদিনৰ উপহাৰ। দুখীয়াৰ ঘৰত জন্মগ্ৰহণ কৰা অনাদৃত, অৱহেলিত সন্তান। অসহায় মাক-দেউতাকৰ দাৰিদ্ৰ্যৰ বলি। দাৰিদ্ৰ্যই মানুহৰ হৃদয় সুধাৰ শেষ বিন্দুখিনিকো শুহি নিয়ে। মাক-দেউতাকে তাক লোকৰ ঘৰত থৈ আহিছে কাম কৰা ল'ৰা হিচাপে। চাহাবৰ পুত্ৰই যেতিয়া স্কুললৈ যায়, সি তেতিয়া মেম চাহাবৰ কাপোৰ ধোৱে। বাথৰূমত গা ধোৱা পানী দিয়ে। পুৱাৰ পৰা ৰাতিলৈকে কাম কেৱল কাম। ৰাতিটো ভাগৰত কোনোমতে কুঁচি-মুচি শুই থাকে। পুৱা দমকলৰ কাষত বহি বাচন ধোৱে গান গাই গাই—

হয়তো বিয়াৰ কথা
মনত পইৰছি
সেই ক্ষুণটি তোক আজি
চা খাবা মাইতছি।

বাতৰি কাকত পঢ়ি থকা গৃহকৰ্তাই চিঞৰে— ঐ নগেন কাক চা খাবা মাইতছি? বন্ধ হৈ যায় নগেনৰ গান।

**ছয়**

জন্মলগ্নৰ পৰাই মই আজমলৰ পাৰ্টিৰ বিৰোধিতা কৰি আহিছো। আজমলে মুছলমানৰ বহু ক্ষতি কৰিছে। আজমলৰ কথা ভাবি থকা কাৰণেই চাগে ৰাতি সপোনত আজমলক দেখা পালো। দেখা পায়েই প্ৰশ্ন কৰিলো ঃ আজমল ভাই, আপুনি দিনে-ৰাতিয়ে মূৰত সদায় টুপী পিন্ধে কিয়?

ঃ মাথামে টুপী নাহিতো কেয়া লুঙী পৰুংগা?

ঃ খং কৰিছে কিয়? খং নকৰে যদি আৰু এটা কথা কওঁ?

ঃ বলো, কেয়া বল্‌না হ্যায়?

ঃ আপুনি সপ্তাহত এদিন যদি জি এম চিত আৰু এদিন হায়াতৰ বাৰাণ্ডাত বহিলহেঁতেন তেনেহ'লে দুখীয়া-দৰিদ্ৰৰ বহুত উপকাৰ কৰিব পাৰিলেহেঁতেন।

ঃ কেইচে?

ঃ দুখীয়া ৰোগীক তাবিজ-কবচ অথবা জৰা পানী খুৱাই ভাল কৰিলে আৰ্থিকভাৱে সিহঁত লাভৱান হ'লহেঁতেন।

ঃ কেয়া বলা? বুজৰগকে সাথ পাংগা লেতা হ্যায়?

ঃ আপুনিতো বিহাৰী নহয়। হিন্দী কিউ বলতা হ্যায়?

ঃ চালা খাৰখোৱা অহমীয়া বুলি কৈ প্ৰচণ্ড জোৰেৰে গালি এটা পাৰিলে। গালিৰ শব্দত সাৰ পাই গ'লো। গালিটো আৰবী, হিন্দী, ইংৰাজী, বাঙালী নে ভোজপুৰী কোন ভাষাত পাৰিলে বুজি নাপালো।

**সাত**

দেশত চলিছে বুলড'জাৰৰ ৰাজনীতি। চমক, ভমক আৰু ধমক। বানৰ পানীত নামি মুখ্যমন্ত্ৰীয়ে সৃষ্টি কৰিছে চমক। উপায়ুক্তক দিছে ধমক।

এনেকৈয়ে দিন এনেকৈয়ে ৰাতি
কংগ্ৰেছৰ নুমিছে বাতি।

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*

## এশক কৰে হেজাৰ ক'লে পায় বেজাৰ

**মনোজ কুমাৰ ভট্টাচাৰ্য**

— হেৰি ইমান ঘামি-জামি আহিছে যে! ছাৰ্টটো খুলি ফেনৰ তলত অকণমান বহকগৈ।
— বেগখন লোৱা। চাবা বৰ গধূৰ। মাছখিনি ভালদৰে থ'বা।
— দিয়ক। আপুনি আগতে ভাগৰটো পলুৱাই লওক। মই নেমুৰ চৰবত বনাই আছো।
— ৰ'দটো দেখিছানে কিমান চোকা। তাতে আকৌ বজাৰৰ মোনাখন কঢ়িয়াই পাহাৰখন উঠি আহোতে প্ৰাণ যাব যেনেই পালো। ঘৰটো পাইহে ৰক্ষা।
— মোৰ কথা শুনে জানো আপুনি? ভৰ দুপৰীয়া বজাৰলৈ যাবলৈ কিহে পাইছিল আপোনাক কওকচোন? আবেলি গ'লে মহাভাৰতখন অশুদ্ধ হৈ গ'লহেঁতেন নেকি?
— নহয়হে, তুমি বুজা নাই। মূৰৰ ওপৰত ৰ'দটো লৈ ঘূৰি ফুৰাৰ মোৰ একো চখ লগা নাই। কথাটো হ'ল, পুৱা বজাৰত যিখিনি সতেজ শাক-পাচলি পোৱা যায়, আবেলি পোৱা নাযায়।
— আপুনি মুখ-হাত ধুই আহি চৰবত গিলাছ খাই লওক। যিটোহে অসহ্য গৰম, ঘৰৰ ভিতৰতে থাকিব নোৱাৰি। এই গৰমৰ দিনকেইটাত আপুনি কিন্তু বজাৰলৈ যাব নোৱাৰে। মানা আছে।
— কি? হঠাতে হুকুম জাৰি কৰিলা যে কথাটো কি?
— এই ৰ'দত মূৰ ঘূৰাই পৰি যায় যদি, তেতিয়া কি হ'ব কওকচোন?
— বজাৰলৈ নগ'লে খাবা কি? দাইল, ভাত আৰু আলু খাই থাকিব পাৰিবা জানো? মাছ নহ'লে যে মোৰ এগৰাহ ভাতো পেটলৈ নাযায়, সেইটো তুমি নাজানা নেকি?
— কিয় নাজানিম, জানো। আজিকালি ঘৰতে সকলো পোৱা যায়। ঘৰে ঘৰে বিধে বিধে বেপাৰী আহে। মাছ, চিকেন, শাক-পাচলি, ফল-মূল ঘৰতেই ৰাখিব পাৰি। বজাৰলৈ যোৱাৰ প্ৰয়োজনেই নাই।
— হয় নেকি? তেনেহ'লে ইমান কষ্ট কৰি বজাৰলৈ যোৱাতকৈ ঘৰতে এইবোৰ ৰখা ভাল। কষ্টও কমি যাব আৰু সময়ো ৰাহি হ'ব।
— পিছে এটা কথা ৰ'ব।
— কি?
— আমাৰ বৰাণীৰ কাৰণে বহু বেপাৰীয়ে এতিয়া আহিবলৈ বাদেই দিব যেন পাওঁ।
— কি কথা কোৱাহে তুমি?
— সঁচা! আপুনি বজাৰলৈ যাওঁতে মাছ বেপাৰী এজন আহিল। বৰাই পাঁচশ টকাৰে শ'ল মাছ এটা ৰাখিলে। টকা দিয়াৰ সময়তে লাগিল নহয় লেঠা।
— কি লেঠা লাগিল?
— মাছ বেপাৰীটোৱে ২,৭০০ টকা আগৰ বাকী আছে বুলি যেতিয়া ক'লে বৰাই ঘৈণীয়েকক সুধিলে। বৰাণী ঘৰৰ পৰা ওলাই আহি বেপাৰীক কিমান যে গালি দিলে কি ক'ম আপোনাক?
— কিয়?
— তেওঁ হেনো ১,৫০০ টকা মাজতে পৰিশোধ কৰিছে। এতিয়া ১,২০০ টকা দিবলৈহে আছে। বেপাৰীয়ে কয় নাই দিয়া। বৰাণীয়ে কয় দিছো, তুমি পাহৰিছা। এই লৈ এখন হুলস্থূল জানেনে?
— তুমি কেনেকৈ গম পালা?
— সেই সময়ত মই বৰাণীৰ ঘৰতেই আছিলো।



— তোমাৰ আগত তেওঁ লাজ পোৱা নাই?
— পাব দিয়ক? নাক থাকিলেহে লাজ পাব। যাৰ নাই নাক, তেওঁৰ আকৌ কথাৰ কি পাক? তাৰ পাছতে আহিল কলৰ বেপাৰী। তেওঁৰ লগতো লাগিল এখন তৰ্ক-বিতৰ্ক।
— তেওঁৰ কলো বাকীকৈ লৈছিল নেকি?
— সকলো বেপাৰীৰ পৰাই বাকীকৈ বস্তু লয়। তাৰ পাছত হয় টকা দিয়া বুলি কয়, নহয় এহেজাৰ টকা দিব থাকিলে চাৰিশ টকাহে দিবলগীয়া আছে বুলি কয়।
— কি কাণ্ডহে?
— অ'। বাকী আৰু ফাঁকিতে চলে তেওঁ। গিৰীয়েকক আঁৰত ৰাখি ধাৰত চলা মানুহ। সকলোৱে তেওঁৰ কথা ভালদৰেই জানে। মইতো আজি নিজ চকুৰেই দেখিলো।
— দেখাত কিন্তু তেওঁক তেনে যেন নালাগে। মাত-কথাতো অমায়িক, ব্যৱহাৰো ভদ্ৰ, চাল-চলনতো গাম্ভীৰ্যতা থকা আৰু সাজ-পাৰতো শালীনতা ৰক্ষা কৰি চলা, অথচ...
— মানুহক চিনি পোৱাটো জানো ইমান সহজ? তেওঁৰ ধনৰ প্ৰতি লোভটোৱেই মনৰ ডাঙৰ ক্ষোভ। তেওঁৰ সকলো বস্তুৱেই বোলে দামী আৰু বংশটোৱেই নামী। আচল কথাটো হ'ল মিছা কোৱাটোৱেই তেওঁৰ নিচা।
— বৰা মানুহজন কিন্তু বৰ ভাল। সৎ লোক।
— অ'। ঘৈণীয়েকহে ওফাইদাং মৰা বিধৰ। মেমৰ দৰে যিহে ভেম। তেওঁৰ মাথোন নিজৰ বয়সটোহে কম, বাকী সকলো বেছি। কাকো দিব নোৱাৰে একো এটা, গিৰীয়েকে দিলেও দিয়ে ভেটা, জানেনে?
— হেৰা, মানুহ ভেদে মনটো ধান ভেদে কণটো। কোনোৱে ভাল পায় ভগাই দি আৰু কোনোৱে ভাল পায় ঠগাই নি। বুজিছা?
— বৰাণীয়ে নিজকে জহাই ফুৰে জানেনে? নিজে পিতল পিন্ধিলেও সোণ আৰু আনে সোণ পিন্ধিলেও তেওঁৰ মনত পিতল। কিমান যে ফুটনি মাৰে ঐ। মুঠতে তেওঁৰ বেদবাণী সকলোৱে মানি আহিবই লাগিব।
— এইবোৰ হ'ল মানুহৰ একো একোটা স্বভাৱ।
— মই কি ভাবো জানে?
— কি?
— সৰুৰে পৰা অভাৱত ডাঙৰ হোৱা বাবেই হয়তো বৰাণীৰ এনে স্বভাৱ হৈছে। কিমান দিন মোৰ আগতে লাজত পৰিছে তথাপি মানুহজনী সলনি নহ'লহে? অলপতে নতুন আলমিৰা এটা আনিছে।
— তাৰ পাছত?
— ৪০ হেজাৰ টকাৰে কিনা বুলি বৰাণীয়ে মোক ক'লে। কিছু সময়ৰ পাছত বৰা অহি পোৱাত মই ইমান দামী আলমিৰা আনিলে অথচ মিঠাই এটাও আমাৰ ভাগত নপৰিল বুলি কোৱাত বৰাই কি ক'লে জানেনে?
— কি ক'লে?
— তেৰ হেজাৰত আলমিৰাটো অনা বুলি ক'লে।
— কথাটো বৰাণীয়ে শুনিছিল নে নাই?
— কিয় নুশুনিব? দুয়ো একেলগে ছোফাতে বহি আছো। তেওঁৰ লাজ লাগিল নে নাই নাজানো, মোৰ হ'লে তেওঁৰ মুখলৈকে চাবলৈ লাজ লাগিল। আচলতে মানুহজনী কেনে জানে?
— কেনে?
— এশক কৰে হেজাৰ, ক'লে পায় বেজাৰ। বুজিছে?
— হা?

*ফোন ঃ ৯১০১৭৭৪৮৬৮*

## বাপৰে শেনৰো এজাত

**ৰিজু হাজৰিকা**

**আলোচনীৰ** সম্পাদক বা বাতৰি কাকতৰ ৰিপ'ৰ্টাৰসকলে হাতত কেমেৰা, কলম লৈ সদায় বাতৰি বিচাৰি ফুৰে। সেই বাতৰিবোৰ আনি সন্ধিয়া অফিচত বহি ছপোৱা যোগ্য কৰি এডিট কৰে আৰু ছপাবলৈ দিয়ে। এনেদৰে এদিন এজন ৰিপ'ৰ্টাৰে বাতৰি বিচাৰি আহি এজন চহকী কোম্পানীৰ মালিকৰ ওচৰলৈ আহিল। কোম্পানীৰ মালিকজনে তেওঁক বহিবলৈ দি সুধিলে— কওঁকচোন ডাঙৰীয়া ক'ৰ পৰা আহিল আৰু অহাৰ উদ্দেশ্য কি? তেতিয়া ৰিপ'ৰ্টাৰজনে ক'লে— মই এখন বাতৰি কাকতৰ ৰিপ'ৰ্টাৰ আৰু আপোনাৰ এটা ইণ্টাৰভিউ লওঁ বুলি আহিলো। মালিক জনে ক'লে— সোধক কি সোধে।

ৰিপ'ৰ্টাৰজনে সুধিলে— আপোনাৰ ওচৰ-চুবুৰীয়াসকল সাধু মানুহ হয়নে? মালিকজনে হাঁহি এটা মাৰি ক'লে— নিশ্চয়, মোৰ ওচৰ-চুবুৰীয়াসকল সাধু মানুহ। তেওঁলোকেও মোক ভাল পায়, ময়ো তেওঁলোকক ভাল পাওঁ। এইটোও এটা সুধিবলগীয়া কথা নে? মোৰ ওচৰ-চুবুৰীয়াসকল বৰ ভাল মানুহ। মোৰ ওচৰলৈ প্ৰায়ে আহে আৰু ময়ো তেওঁলোকৰ ওচৰলৈ যাওঁ। তেওঁলোকে আহিলে মোলৈ তেওঁলোকৰ বাৰীত হোৱা নানা ফল-মূল, শাক-পাচলি আদি লৈ আহে। যেনে— বতৰৰ ফল আম, কঁঠাল, মধুৰি আম, জলফাই, কৰ্দৈ, আনাৰস, লাউ, পালেং, চুকা শাক, আলু, মটৰ মাহ, নেমু আদি লৈ আহে। সেইবোৰ টাট্‌কা আৰু সোৱাদ। দেখিলেই ভাল লাগে। ময়ো তেওঁলোকক নানা তৰহৰ আধুনিক জলপান, যেনে— ওট্‌চ, মেগি, চাওমিন, চেৰৈ, চানাৰ মিঠাই, যেনে— কালাকান, ঘিউত ভজা জিলাপী, গোলাপ জামু, ৰসগোল্লা আদি খাবলৈ দিওঁ। চাহ নিদি হৰলিক্স দিওঁ। তেওঁলোকে সেইবোৰ টকালি পাৰি খায়। মোৰ ঘৰত বাৰ্থ ডে বা অইন কোনো উৎসৱ পাতিলেও তেওঁলোকক নিমন্ত্ৰণ কৰো। বিৰিয়ানি, পোলাও, চিকেন, মাটন আদি মাংস, ৰৌ, ভকুৱা আদি মাছৰ জোল, দৈ, ক্ৰীম আদি খাবলৈ দিওঁ। তেওঁলোকে পৰম তৃপ্তিৰে সেইবোৰ খায়। গতিকে ওচৰ-চুবুৰীয়াই মোক কেলেই বেয়া পাব? তেওঁলোকে কিবা বিপদত পৰিলেও মই সহায় কৰো, কোনো চিৰিয়াচ ৰোগী হ'লে মই নাৰ্চিংহোম বা হাস্পতাললৈ নিয়াৰ ব্যৱস্থা কৰো। কোনো দুখীয়া ঘৰৰ ছোৱালী হ'লে বিয়াৰ সময়ত টকা-পইচাৰেও সহায় কৰো। গতিকে ওচৰ-চুবুৰীয়াই মোক বেয়া পোৱাৰ প্ৰশ্নই নুঠে।



তেতিয়া ৰিপ'ৰ্টাৰজনে সুধিলে— তেনেহ'লে মহাশয়, আপুনি সেই দুই নলীয়া বন্দুকটো আপোনাৰ আলমাৰীত কিয় ওলোমাই ৰাখিছে? চহকী মালিকজনে তেতিয়া এটা মিচিকিয়া হাঁহি মাৰি ক'লে— অ' সেইটো কথা? মানুহবোৰক শান্ত কৰি ৰাখিবলৈ মই এই বন্দুকটো ৰাখিছো। মানুহে দুৱাৰমুখত একেটা এলচেচিয়ান কুকুৰ কেলেই ৰাখে? মানুহক কামুৰিবলৈ নহয়। চোৰক, আলহীক ভয় খুৱাবলৈ ৰাখে। যাতে তেওঁলোকে চিধাই ঘৰৰ ভিতৰত সোমাই লুটপাত কৰিব নোৱাৰে। তেতিয়া ৰিপ'ৰ্টাৰজনে ক'লে— তাৰ মানে আপুনি আপোনাৰ ঘৰত ওচৰ-চুবুৰীয়া অহাটো কামনা নকৰে। মালিকে ক'লে— কেলেই নকৰিম? আজিকালি সবৰে হাতত ফোন। গতিকে অহাৰ আগতে মোৰ পাৰ্মিচন ল'ব।

গতিকে ময়ো এই বন্দুকটো ৰাখিছো তেওঁলোকক সাধু কৰি ৰাখিবলৈ। কুকুৰ আৰু বন্দুকৰ এইবাবেই প্ৰয়োজন। বন্দুক, কুকুৰ, চকিদাৰ, ছিকিউৰিটি আদিৰ এইবাবেই প্ৰয়োজন।

ৰিপ'ৰ্টাৰে বিদায় ল'লে। মালিকে তেওঁক ভালদৰে চাহ-জলপান খুৱাই পঠালে। শেষত ৰিপ'ৰ্টাৰে সুধিলে— আপুনি এই ৰিপোৰ্টটো পেপাৰত ছপালে বেয়া পাব নেকি? মালিকে ক'লে— মোৰ নামটো নছপাব। বেয়া নাপাব। ছপালে ময়ো আপোনাৰ বদনাম কৰিম— টকা খোজা বুলি।

বাপৰে শেনৰো এজাত।




ব্যৱসায়ৰ বীমাকৰণ ভাৰতত বাধ্যতামূলক নহয় যদিও বাঞ্ছনীয়। আমাৰ দেশত ব্যৱসায়িক বীমাকৰণৰ এনে কিছুমান ভাগ আছে যিয়ে ব্যবসায়ীৰ কষ্টোপাৰ্জিত ধনক মূল্য দিব পাৰে। প্ৰত্যেক ব্যৱসায়িক প্ৰতিষ্ঠানৰ গৰাকীয়ে ব্যৱসায় আৰম্ভ কৰিবলৈ আজিকালি খুবেই প্ৰয়োজনীয় হৈ পৰিছে ব্যৱসায়িক বীমা কি সেই বিষয়ে জনা আৰু এনে বীমাৰ সহায় লোৱাৰ। ব্যৱসায়িক বীমা হৈছে এনে এক বীমা যিয়ে এটা নতুন বেপাৰৰ ব্যৱসায়িক সম্পত্তিক অপ্ৰত্যাশিত লোকচানৰ পৰা বচোৱাত সহায় কৰে। যিকোনো প্ৰাকৃতিক দুৰ্যোগ, চুৰি কাৰ্য, অসভ্যালি, গোচৰ, আয়ৰ লোকচান, ব্যৱসায়ীৰ অসুখ অথবা মৃত্যুৰ পৰা হোৱা লোকচান আদিৰ আৱৰণ এনে বীমাই প্ৰদান কৰে ।

# ব্যৱসায়িক বীমাৰ প্ৰয়োজন আৰু সুবিধাসমূহ

**কিয় জৰুৰী ?**

নতুন বেপাৰ খোলাৰ ক্ষেত্ৰত ব্যৱসায়ৰ গৰাকীৰ বাবে ব্যৱসায়ৰ প্ৰয়োজনীয়তাসমূহ ভালদৰে বিবেচনা আৰু বিচাৰ কৰাটো খুবেই জৰুৰী। কিয়নো তেওঁলোকৰ সামান্য এটা ভুলৰ বাবে বহুখিনি লোকচানৰ সন্মুখীন হ'বলগীয়া হ'ব পাৰে। ব্যৱসায়ৰ গৰাকীয়ে যদি লাভ-লোকচানৰ বিচাৰ কৰিব নাজানে আৰু বীমাৰ নিৰ্ধাৰিত সময় সীমাৰ কথা নাজানে, তেন্তে তেওঁ কোনো নাম থকা এজেন্সীৰ সহায় ল'ব লাগে। ব্যৱসায়িক বীমাই অগ্নিকাণ্ড, চুৰি কাৰ্য, পেছাগত দায়িত্ব, থাৰ্ড পাৰ্টিৰ দায়িত্ব, শ্ৰমিকৰ মজুৰি, চিকিৎসাৰ লগত জড়িত খৰচ আদিৰ পৰা সৰু-সুৰা দোকানবোৰক সুৰক্ষিত কৰে।

**সুবিধাসমূহ**

জুই তথা প্ৰাকৃতিক দুৰ্যোগ যেনে বানপানী, ভূমিকম্প, ধুমুহা আদিৰ দ্বাৰা সম্পত্তিৰ ক্ষতি সাধন হ'লে ক'ভাৰেজ পাব পাৰি।

চুৰি কাৰ্যৰ ফলত হোৱা লোকচানৰ ক'ভাৰেজ।

কৰ্মস্থলীত শ্ৰমিকে আঘাত পালে বা মৃত্যু হ'লে তাৰ ক্ষতিপূৰণৰ ক'ভাৰেজ।

যিকনো দুৰ্যোগৰ পাছত ব্যৱসায়ত হোৱা লোকচানৰ ক'ভাৰেজ।

এনে বীমা আঁচনিৰ দ্বাৰা কোম্পানীয়ে গ্ৰাহকৰ পৰা বিশ্বাসযোগ্যতা অৰ্জন কৰে।

কোম্পানী বীমা আঁচনিয়ে প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা হোৱা ব্যৱসায়ৰ লোকচানৰ পৰা ব্যৱসায়ক সুৰক্ষা দিয়ে।

কোম্পানীৰ সম্পত্তি যেনে কম্পিউটাৰ, সা-সৰঞ্জাম চোৰৰ পৰা সুৰক্ষিত হৈ থাকে যদিহে কোম্পানীৰ বীমাকৰণ থাকে।

**ব্যৱসায়িক বীমাৰ ধৰণ**

ব্যৱসায়িক বীমাৰ অন্তৰ্ভুক্তিৰ বাবে কে'বাটাও বিকল্প আছে। সেই অন্তৰ্ভুক্তি বিভিন্ন কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। যেনে উদ্যোগ, তাৰ অৱস্থিতি, শ্ৰমিকৰ সংখ্যা আৰু ইয়াৰ আকাৰ আদি। যিমানেই ব্যৱসায় বাঢ়ে, সিমানেই বীমাৰ প্ৰয়োজনো সলনি হ'ব পাৰে। বিভিন্ন ধৰণৰ ব্যৱসায়িক বীমা প্ৰণালীৰ বিষয়ে তলত দিয়া হল—

**দায়িত্ব প্ৰণালী আঁচনি ঃ** এই ধৰণৰ প্ৰণালীয়ে ব্যৱসায়ৰ ক্ষেত্ৰখনত তৃতীয় পক্ষৰ দ্বাৰা হোৱা সম্পত্তিৰ ক্ষতিৰ মূল্য বহন কৰে। যদি কিবা কাৰণত বীমাকাৰী ব্যৱসায়ীজনৰ দোকানৰ বিৰুদ্ধে গোচৰ আহে তেন্তে তেওঁ বৃহৎ পৰিমাণৰ উচিত মাচুলৰ দায়িত্ব বহন কৰিব লাগিব। দায়িত্ব প্ৰণালী আঁচনিয়ে এনে সম্পূৰ্ণ খৰচৰ আবৰণ প্ৰদান কৰে।

**সাধাৰণ দায়িত্ব বীমাঃ** সাধাৰণ দায়িত্ব বীমা হৈছে এটা প্ৰাৰম্ভিক বীমা আঁচনি যিয়ে তৃতীয় পক্ষৰ লোকচানৰ বাবে সৃষ্টি হোৱা দায়িত্বপূৰ্ণ খৰচক বাধা প্ৰদান কৰে। সাধাৰণ দায়িত্বশীল বীমাই যিকোনো গোচৰৰ ফলস্বৰূপে সৃষ্টি হোৱা বিধিসন্মত দায়িত্বশীল খৰচ বহন কৰে। অন্যথা ইয়াৰ খৰচ ব্যৱসায়ৰ গৰাকীয়ে বহন কৰিব লাগিব ।

**পেছাগত দায়িত্বশীল বীমা ঃ** এইটো এটা এনেকুৱা বীমা, যিয়ে কোনো এটা সেৱাৰ প্ৰদৰ্শনৰ ক্ষতিসমূহ ৰোধ কৰে। ইয়াক এৰৰ এণ্ড অমিছন বীমা বুলিও জনা যায়। এই বীমাই ব্যৱসায়িক প্ৰতিষ্ঠান এটাৰ কোনো সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত হোৱা লোকচানক ৰোধ কৰিবলৈ যত্ন কৰে। বীমা কোম্পানীসমূহে ভিন ভিন পেছাৰ লগত জড়িত পেছাগত বীমা প্ৰদান কৰে।

**কৰ্মচাৰী বীমা আঁচনি ঃ** ইয়াক শ্ৰমিকৰ ক্ষতিপূৰণ আঁচনি বুলি ক'ব পৰা যায় । এই আঁচনিয়ে ব্যৱসায়ৰ গৰাকীক, কৰ্মচাৰীৰ আঘাত অথবা বেমাৰৰ সময়ত হোৱা খৰচ বহন কৰাত সহায় কৰে। ইয়াৰ উপৰি এই আঁচনিয়ে ব্যৱসায়টোৱে সন্মুখীন হোৱা আইনগত মূল্যও সামৰি লয়।

**সম্পত্তি বীমা আঁচনি ঃ** বাণিজ্যিক বীমাই ব্যৱসায়ৰ গৰাকীক যিকোনো সম্পত্তি নষ্ট হোৱাৰ বাবদ কভাৰেজ প্ৰদান কৰে। সাধাৰণতে সৰু ব্যৱসায়বোৰৰ বিপদৰ আশংকা সদায়েই বেছি, য'ত ৪০ শতাংশ ব্যৱসায়িক প্ৰতিষ্ঠানে এটা দুৰ্যোগ পাৰ হোৱাৰ পাছত কেতিয়াও পুনৰ প্ৰতিষ্ঠিত হ'বলৈ অৱকাশ নাপায়। এনে ক্ষেত্ৰত বীমা কৰা থাকিলে




সেই আঁচনিয়ে ব্যৱসায়িক সম্পত্তিৰ অৱস্থিতি, সঁজুলিৰ ক্ষতি, তথ্য আদিৰ বিভিন্ন ক্ষতি সামৰি লয় ।

**উপাৰ্জনৰ লোকচান সম্পৰ্কীয় আঁচনি ঃ** দুৰ্যোগৰ পাছত ব্যৱসায়ৰ পুনৰ উত্থানৰ ক্ষেত্ৰত এই আঁচনিয়ে সহায় কৰে।

**উৎপাদন সম্বন্ধয় বীমা আঁচনিঃ** যিকোনো ব্যৱসায় গঢ় লোৱাৰ সময়ত এই আঁচনিৰ প্ৰয়োজন হয়। ই উৎপাদিত সামগ্ৰীৰ ক্ষতিৰ বাবে সৃষ্টি হোৱা গোচৰৰ খৰচ বহন কৰাত সহায় কৰে।

**গাড়ী বীমা আঁচনি ঃ** ব্যৱসায়ৰ কাৰণে ব্যৱহাৰ কৰা গাড়ীবোৰৰ বীমাকৰণ কৰা উচিত। ভাৰতত তৃতীয় পক্ষ বীমাকৰণ বাধ্যতামূলক। ব্যক্তিগত গাড়ীয়েই হওঁক বা বাণিজ্যিক গাড়ীয়েই হওঁক, কম্প্ৰেহেন্সিভ বীমাই গাড়ীৰ ক্ষতি সমূহ সুৰক্ষিত কৰাত আশ্বাস দিয়ে। সেয়েহে যিকোনো ব্যৱসায়ৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা গাড়ীসমূহৰ ব্যৱসায়িক গাড়ী বীমা থকা উচিত। এই বীমাই গাড়ীখনৰ চালক তথা তৃতীয় পক্ষৰ হ'ব পৰা অপ্ৰত্যাশিত দুৰ্ঘটনা যেনে ঃ পথ দুৰ্ঘটনা, অগ্নিকাণ্ড, চুৰি কাৰ্য আদিবোৰত সুৰক্ষা প্ৰদান কৰে।

**ব্যৱসায়িক প্ৰতিবন্ধক বীমা আঁচনি ঃ** খুচুৰা দোকানবোৰৰ বাবে এই ধৰণৰ আঁচনি প্ৰস্তুত কৰি উলিওৱা হৈছে। যেতিয়া ব্যৱসায় এটাত যথেষ্ট লোকচান হয় আৰু সেইটোৱে সাধাৰণ ব্যৱসায়ত উত্তেজনাৰ সৃষ্টি কৰে, তেতিয়া এই বীমাৰ সহায় লোৱা হয়। কিছুমান প্ৰাকৃতিক দুৰ্ঘটনাৰ বাবে কেতিয়াবা শ্ৰমিকসকলে কৰ্মক্ষেত্ৰলৈ আহিব নোৱাৰে আৰু ফলত ব্যৱসায়ৰ লোকচান হয়। তেনে পৰিস্থিতিত সহায়ক হয় উক্ত বীমা আঁচনি।




## চেক বুক ইছ্যু কৰিবলৈ বেংকৰ সেৱা কৰত ১৮ শতাংশৰ জিএছটি আৰোপ

# মূল্যবৃদ্ধিৰ জুই!

## কাইলৈৰ পৰা বাঢ়িব পনিৰ, লচ্চী, পেকেটজাত দৈ, মৌ, পাপৰৰ দাম

পেট্ৰ'ল-ডিজেল তথা নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে মাধমাৰ শোধাইছে সৰ্বসাধাৰণক। সীমিত আয় আৰু বৰ্ধিত মূল্যৰ বাবে জ্বলা- কলা খাব লগা হৈছে দেশৰ জনতাই। ইয়াৰ মাজতে ভূতৰ ওপৰত দানহ পৰা দি পুনৰ কাইলৈৰ পৰা কেতবোৰ নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰী আৰু সেৱাৰ মূল্যবৃদ্ধি হ'ব বুলি জনাইছে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে। জিএছটিৰ ৪৭ সংখ্যক বৈঠকৰ পাছত দেশৰ বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে জনাইছে যে কাইলৈৰ পৰা পনিৰ, লচ্চী, বাটাৰ মিল্ক, পেকেটজাত দৈ, গমৰ আটা, মৌ, পাপৰ, খাদ্যশস্য, অন্যান্য শস্য, মাংস আৰু মাছ, মুড়ি আৰু গুড়ৰ দৰে প্ৰি-পেকেজড লেবেলসহ বিভিন্ন কৃষিপণ্যৰ দাম বাঢ়িব। এই সামগ্ৰীসমূহত পূৰ্বৰ তুলনাত কৰ বৃদ্ধি কৰা হৈছে বাবেই দাম বৃদ্ধি পাব বজাৰত। সম্প্ৰতি ব্ৰেণ্ডেড আৰু পেকেটজাত খাদ্য সামগ্ৰীৰ ওপৰত পাঁচ শতাংশকৈ জিএছটি ধাৰ্য কৰা হৈছে আৰু পেক নথকা তথা লেবেলবিহীন পণ্যসমূহ কৰমুক্ত শ্ৰেণীত ৰখা হৈছে। সেয়েহে টেট্ৰা পেক দৈ, লচ্চী আৰু বাটাৰ মিল্কৰ দাম বাঢ়িব, কিয়নো ইয়াত নতুনকৈ পাঁচ শতাংশ জিএছটি ধাৰ্য কৰা হৈছে। আনহাতে, চেকবুক ইছ্যু কৰিবলৈ বেংকে পূৰ্বে যি সেৱা কৰ লৈছিল তাৰ ওপৰতো এতিয়া ১৮ শতাংশৰ জিএছটি আৰোপ কৰা হ'ব। সমান্তৰালভাৱে, হাস্পতালত ৫০০০ টকাৰ অধিক (নন—আইচিইউ) মূল্যৰ ঘৰভাড়া কৰা হ'লে পাঁচ শতাংশ জিএছটি ধাৰ্য কৰা হ'ব। প্ৰতিদিনে ১০০০ টকাৰ কম ভাড়াৰ হোটেলৰ ৰুমত ১২ শতাংশ জিএছটি ধাৰ্য কৰা হ'ব, যিটো ইয়াৰ পূৰ্বে নাছিল।

এলইডি লাইট, এলইডি লেম্পতো ১৮ শতাংশ জিএছটি ধাৰ্য কৰা হ'ব। একেদৰে ব্লেড, কাগজ কাটাৰ, পেন্সিল শ্বাৰ্পনাৰ, চামুচ, কাটাচামুচ, স্কিমাৰ্ছ আৰু কেক ছাৰ্ভাৰৰ ওপৰত ইমানদিনে যি ১২ শতাংশৰ জিএছটি আৰোপিত হৈ আছিল, সেয়া এতিয়া বাঢ়িব ১৮ শতাংশলৈ। ফলস্বৰূপে, এনেবোৰ সামগ্ৰী পূৰ্বতকৈ অধিক দাম ভৰি ক্ৰয় কৰিব লাগিব গ্ৰাহকে।

# অনুৎপাদক সম্পত্তিৰ বোজাই কোঙা কৰা চৰকাৰী বেংকৰ ব্যক্তিগতকৰণ



## এছবিআইক বাদ দি দেশৰ সকলো বেংকৰ বেচৰকাৰীকৰণৰ পৰামৰ্শ এনচিএআৰৰ

হস্তান্তৰণ হৈছে কেন্দ্ৰৰ অন্যতম প্ৰধান বিত্তীয় নীতি। তদুপৰি ব্যক্তিগতকৰণৰ ক্ষেত্ৰতো কেন্দ্ৰই দীৰ্ঘদিন ধৰি আস্থা প্ৰকাশ কৰি আহিছে। এইবাৰৰ কেন্দ্ৰীয় বাজেটত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ পৰাও দেখা গৈছে যে ব্যক্তিগতকৰণৰ প্ৰতি চৰকাৰৰ মনোভাৱ যথেষ্ট ইতিবাচক। ইটোৰ পাছত সিটোকৈ চৰকাৰী সংস্থাসমূহৰ ব্যক্তিগতকৰণ হৈছে। এয়াৰ ইণ্ডিয়াৰ সম্পূৰ্ণ ব্যক্তিগতকৰণৰ পৰা আৰম্ভ কৰি জীৱন বীমা নিগম বা এলআইচিৰ অংশীদাৰিত্বলৈকে সকলো বিষয়তে কেন্দ্ৰৰ মানসিকতা স্পষ্ট। এই তালিকাত এতিয়া নতুনকৈ দেশৰ সকলো চৰকাৰী বেংকৰ নামো অন্তৰ্ভুক্ত হ'ব বুলি জানিব পৰা গৈছে। ইতিমধ্যে কেন্দ্ৰই কেঁবাটাও চৰকাৰী বেংকৰ শ্বেয়াৰ ব্যক্তিগতৰ হাতত এৰি দিছে। অতি কম সংখ্যক বেংকহে এই সময়ত কেন্দ্ৰৰ সম্পূৰ্ণ মালিকানাধীন। শেহতীয়াকৈ নেছনেল কাউন্সিল অৱ এপ্লাইড ইক'নমিক ৰিচাৰ্চ চমুকৈ এনচিএআৰে সেই সকলোবোৰ বেংকৰ শ্বেয়াৰ ব্যক্তিগত হাতলৈ মুকলি কৰি দিবলৈ পৰামৰ্শ দিছে কেন্দ্ৰক। আনহাতে, এই সংস্থাৰ পৰামৰ্শ অনুসৰণ কৰি কেন্দ্ৰই উচ্চ নন-পাৰফৰ্মিং এচেট (এনপিএ) থকা বেংকসমূহক ব্যক্তিগতকৰণৰ বিষয়ে বিবেচনা কৰিবলৈ আহ্বান জনাইছে।

এনচিএআৰে এই বুলি পৰামৰ্শ দিছে যে ভাৰতৰ সৰ্বোচ্চ লেনদেনকাৰী ৰাষ্ট্ৰায়ত্ত সংস্থা ভাৰতীয় ষ্টেট বেংকক বাদ দি দেশৰ আন বেংকসমূহক অনতিপলমে ব্যক্তিগতকৰণৰ পথত লৈ যাব লাগে। ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ বাবে এটা ডাঙৰ সমস্যা হৈছে নন-পাৰফৰ্মিং এচেটছ (এনপিএ) বা অনুৎপাদক সম্পত্তিৰ বৰ্ধিত বোজা। ৰাজহুৱা খণ্ডৰ বিভিন্ন বেংকৰ ক্ষেত্ৰত এই নন-পাৰফৰ্মিং এচেটৰ বোজোটো এক অসহনীয় অৱস্থালৈ পৰিণত হোৱাটো কেন্দ্ৰৰ বাবে এক সমস্যা। ইয়াৰ বিপৰীতে, এই সময়ত চৰকাৰী বেংকৰ একমাত্ৰ বিকল্প হিচাপে আত্মপ্ৰকাশ কৰিছে ব্যক্তিগত বেংকসমূহে। ব্যক্তিগত বেংকৰ এনপিও সম্পৰ্কীয় সমস্যাও অতি কম আৰু এনে বেংকসমূহ গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষিত কৰাতো বিশেষভাৱে পাকৈত।

মন কৰিবলগীয়া যে সাম্প্ৰতিক সময়ত ব্যক্তিগতকৰণ সন্দৰ্ভত বহু প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হৈছে কেন্দ্ৰীয় চৰকাৰ। বিভিন্ন সময়ত বহুতে বিভিন্ন জনে ব্যক্তিগতকৰণক লৈ প্ৰশ্ন উত্থাপন কৰিছে। বেংক হৈছে ৰাষ্ট্ৰ এখনৰ কোষাগাৰ। যদিহে কেন্দ্ৰই এই কোষাগাৰ ব্যক্তিগত খণ্ডক গতাই দিয়ে, তেন্তে চৰকাৰৰ হাতত কি থাকিব সেই প্ৰশ্নও উত্থাপিত হৈছে। তদুপৰি, চৰকাৰী প্ৰতিষ্ঠানসমূহৰ ঋণৰ পৰিমাণতকৈ কম মূল্যত শ্বেয়াৰ বিক্ৰী কৰিলে কেন্দ্ৰৰে লোকচান হব। গতিকে বেংকসমূহৰ ব্যক্তিগতকৰণৰ ফলত লাভ কি আৰু কাৰ হ'ব সেয়া এতিয়াই কোৱা টান।

# যাত্ৰীবাহী গাড়ীৰ দাম বৃদ্ধি টাটা মটৰ্ছৰ




দেশৰ আগশাৰীৰ গাড়ী নিৰ্মাতা প্ৰতিষ্ঠান টাটা মটৰ্ছে শেহতীয়াকৈ ইয়াৰ বিভিন্ন যাত্ৰীবাহী গাড়ী মডেলৰ মূল্যবৃদ্ধি কৰাৰ কথা ঘোষণা কৰিছে। কোম্পানীটোৱে জনোৱা মতে, উৎপাদন ব্যয় বৃদ্ধিৰ ক্ষতিপূৰণৰ বাবে এই সিদ্ধান্ত লোৱা হৈছে। এই তথ্য টাইমছ অৱ ইণ্ডিয়াৰ এক প্ৰতিবেদনৰ পৰা জানিব পৰা গৈছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে কোম্পানীটোৱে বাণিজ্যিক বাহনৰ দামো বৃদ্ধি কৰিছিল।

টাইমছ অৱ ইণ্ডিয়াৰ বাতৰি অনুসৰি, মডেল আৰু ডিজাইনৰ ওপৰত নিৰ্ভৰ কৰি গাড়ীৰ গড় মূল্য ০.৫৫ শতাংশ বৃদ্ধি কৰা হৈছে। যোৱা শনিবাৰৰ পৰা কাৰ্যকৰী কৰা হৈছে নতুন বৰ্ধিত মূল্য।

কোম্পানীটোৱে এক বিবৃতিত কয় যে ক'ভিডৰ পাছৰে পৰা গাড়ীৰ উৎপাদন ব্যয় বহু পৰিমাণে বৃদ্ধি পাইছে। এনে অৱস্থাত বৰ্ধিত খৰচ পূৰণৰ বাবে দাম বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হৈছে। কিন্তু উৎপাদন ব্যয় বৃদ্ধিৰ তুলনাত গাড়ীৰ দাম এতিয়াও বৰ বিশেষ বৃদ্ধি কৰা হোৱা নাই বুলিয়েই দাবী কৰে কোম্পানীটোৱে। মন কৰিবলগীয়া, চলিত মাহতে ইতিমধ্যে টাটা মটৰ্ছে সকলো ধৰণৰ বাণিজ্যিক বাহনৰ মূল্য ডেৰ শতাংশৰ পৰা আঢ়ৈ শতাংশলৈ বৃদ্ধি কৰিছে।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি, ভাৰতীয় বজাৰত টাটা মটৰ্ছে নেক্সন, হেৰিয়াৰ, ছাফাৰীকে ধৰি কে'বাটাও ব্ৰেণ্ডৰ গাড়ী বিক্ৰী কৰে। ১৯৪৫ত প্ৰতিষ্ঠা হোৱা টাটা মটৰ্ছে ইতিমধ্যে বিশ্বব্যাপী কোম্পানী হিচাপে সুনাম অৰ্জন কৰিছে। কোম্পানীটোৰ মুখ্য কাৰ্যালয় ভাৰতৰ মুম্বাইত। যোৱা ২০২০-২১ বিত্তীয় বৰ্ষত কোম্পানীটোৱে আঠ লাখ ৩৭ হেজাৰতকৈ অধিক বাহন বিক্ৰী কৰিছিল।

# এছবিআয়ে পুনৰ বৃদ্ধি কৰিলে ঋণৰ সুতৰ হাৰ

## ঘৰৰ পৰা গাড়ীলৈ, সকলো ঋণতে মাহেকীয়া কিস্তি বৃদ্ধি

ভাৰতীয় ষ্টেট বেংকৰ পৰা ঋণ লোৱাসকলৰ পুনৰ আৰ্থিক বোজা বৃদ্ধি পাইছে। শেহতীয়াকৈ দেশৰ সৰ্ববৃহৎ বেংক এছবিআয়ে মাৰ্জিনেল কষ্ট লেণ্ডিং ৰেট (এমচিএলআৰ) ১০ বেছিছ পইণ্টকৈ বৃদ্ধি কৰিছে। ফলত এছবিআইৰ পৰা ঘৰ বা গাড়ী ক্ৰয় কৰাৰ বাবে ঋণ গ্ৰহণ কৰা গ্ৰাহকে অতিৰিক্ত সুত দিব লগা হ'ব এতিয়াৰে পৰা। ব্যক্তিগত ঋণৰ ক্ষেত্ৰতো ইএমআই বৃদ্ধি পাব। তদুপৰি কেৱল নতুন ঋণ লোৱাসকলৰ বাবেই নহয়, পুৰণি ঋণৰ বাবেও ইএমআই বৃদ্ধি পাব। যোৱা বৃহস্পতিবাৰৰ পৰা কাৰ্যকৰী হৈছে এই ০.১০ শতাংশ অতিৰিক্ত সুতৰ হাৰ।




বেংকটোৱে জনোৱা মতে, এবছৰৰ বাবে ঋণৰ হাৰ ৭.৪০ শতাংশৰ পৰা ৭.৫০ শতাংশলৈ বৃদ্ধি পাইছে আৰু ছমাহৰ ক্ষেত্ৰত ই ৭.৩৫ শতাংশৰ পৰা ৭.৪৫ শতাংশলৈ বৃদ্ধি পাইছে। আনহাতে, দুবছৰৰ বাবে ঋণৰ হাৰ ৭.৬০ শতাংশৰ পৰা ৭.৭০ শতাংশলৈ বৃদ্ধি পাইছে। একেদৰে তিনি বছৰৰ বাবে ঋণৰ হাৰ ৭.৭ শতাংশৰ পৰা ৭.৮ শতাংশলৈ বৃদ্ধি পাইছে বুলি জনাইছে বেংকটোৱে।

মন কৰিবলগীয়া, যোৱা কেইমাহমানৰ পৰা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে মুদ্ৰাস্ফীতিৰ হাৰ। ৰিজাৰ্ভ বেংকে ইতিমধ্যে ইংগিত দিছে যে ঋণৰ সুত বৃদ্ধি কৰি মুদ্ৰাস্ফীতিক নিয়ন্ত্ৰণত ৰাখিব পাৰি। ভাৰতীয় ষ্টেট বেংকে সেই পথ অনুসৰণ কৰাৰ পাছত দেশৰ অন্যান্য চৰকাৰী আৰু ব্যক্তিগত বেংকসমূহে সুতৰ হাৰ বৃদ্ধি কৰিব বুলি ধাৰণা কৰা হৈছে। স্মৰ্তব্য, যোৱা কেইমাহমানৰ ভিতৰত এছবিআয়ে মুঠ তিনিবাৰকৈ বৃদ্ধি কৰিছে ঋণৰ হাৰ।

# সোণ ক্ৰয় কৰাৰ পূৰ্বে বিশুদ্ধতাৰ প্ৰমাণ কৰিছেনে?

ভাৰতীয়সকলৰ বাবে বিনিয়োগৰ সৰ্বোত্তম উৎস হৈছে সোণ। বিয়াৰ বতৰত, উৎসৱৰ বতৰত ভাৰতীয় বজাৰত সোণৰ চাহিদা সৰ্বাধিক হয়। ভাৰত হৈছে সৰ্বাধিক সোণ আমদানি কৰা দেশ। ইয়াৰ ফলত দেশৰ অলংকাৰ উদ্যোগটোৰো চাহিদা বৃদ্ধি পাইছে। আমি প্ৰায়ে বিভিন্ন উপলক্ষত সোণ কিনো। কিন্তু আমাৰ মাজৰ বেছিভাগেই আচল আৰু নকল সোণৰ পাৰ্থক্য বুজি নাপাই প্ৰায়েই গহনা বিক্ৰেতাৰ পৰা ঠগ খাই আহিছো। সোণ ক্ৰয়ৰ ক্ষেত্ৰত যাতে দোকানীয়ে গ্ৰাহকক ঠগিব নোৱাৰে তাৰ বাবে ভাৰত চৰকাৰে বিশেষ কেতবোৰ চিহ্নৰ ব্যৱস্থা কৰিছে। এই চিহ্নকেইটা ভালদৰে চিনি থ'লে সোণ কিনাৰ সময়ত আৰু ঠগ খোৱাৰ ভয় নাথাকে। কেন্দ্ৰই ২০১০ৰ ১৫ জানুৱাৰীৰ পৰাই দেশজুৰি সোণৰ অলংকাৰ আৰু মুদ্ৰা আদিত হলমাৰ্ক থকাটো বাধ্যতামূলক কৰিছিল। কিন্তু গ্ৰাহকৰ সচেতনতাৰ অভাৱৰ বাবেই এতিয়াও এই নিয়ম পালনত বৰ বিশেষ গুৰুত্ব দিয়া দেখা নাযায় গহনা বিক্ৰেতাসকলক। দৰাচলতে অলংকাৰত যদি হলমাৰ্ক থাকে, তেনেহ'লে সোণৰ বিশুদ্ধতাৰ নিশ্চয়তা সম্পৰ্কে আশ্বস্ত হ'ব পাৰি। উদাহৰণ স্বৰূপে, আপুনি যদি ১৮ কেৰেটৰ হলমাৰ্ক থকা সোণ ক্ৰয় কৰে ই প্ৰকৃততে বুজায় যে ইয়াৰ ১৮/২৪ অংশ সোণ আৰু বাকীখিনি আন ধাতু। গতিকে গহনা ক্ৰয় কৰাৰ আগতে এই হলমাৰ্ক চিহ্নসমূহৰ বিষয়ে জানি লোৱাটো জৰুৰী...

**বি আই এছ**

বিআইএছ হৈছে ধাতুবিধৰ বিশুদ্ধতাক প্ৰত্যায়িত কৰি ভাৰতত বিক্ৰী কৰা সোণৰ লগতে ৰূপৰ হলমাৰ্ক কৰা এটা পদ্ধতি। ই ভাৰতৰ নেছনেল ষ্টেণ্ডাৰ্ড অৰ্গেনাইজেছন ব্যুৰ' অৱ ইণ্ডিয়ান ষ্টেণ্ডাৰ্ডছৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা এলানি মানসম্বলিত অলংকাৰৰ প্ৰমাণপত্ৰ।

কেৰেট আৰু ফিটনেছত বিশুদ্ধতা ঃ

২২ কে ৯১৬-২২ কেৰেটৰ সমান




১৮ কে৭৫০— ১৮ কেৰেটৰ সমান

১৪ কে৫৮৫ — ১৪ কেৰেটৰ সমান

লগতে,আইডেনটিফিকেছন মাৰ্ক বা হলমাৰ্কিং চেন্টাৰৰ নম্বৰ আৰু আইডেনটিফিকেছন মাৰ্ক বা জুৱেলাৰ্ছৰ নম্বৰ চাই-চিতি লোৱাটোও সমানে জৰুৰী।

এইখিনিতে আৰু এটা স্বস্তিৰ খবৰ এই যে সোণৰ বিশুদ্ধতা পৰীক্ষা কৰিবলৈ এতিয়া আৰু আপুনি কোনো বিশ্বস্ত গহনালয় বিচাৰি ঘূৰ্মুটিয়াই ফুৰাৰ প্ৰয়োজন নাই। কিয়নো গ্ৰাহকৰ সুৰক্ষাৰ স্বাৰ্থতে এতিয়া চৰকাৰে এক বিশেষ এপ মুকলি কৰিছে যাৰ দ্বাৰা আপুনি ঘৰতে বহি সোণৰ বিশুদ্ধতা পৰীক্ষা কৰিব পাৰে। বিআইএছ কেয়াৰ নামৰ এই এপটোৰ দ্বাৰা কেৱল সোণৰ বিশুদ্ধতা পৰীক্ষা কৰাই নহয়, নকল সোণৰ স'তে সম্পৰ্কিত যিকোনো অভিযোগো দাখিল কৰিব পাৰে। গ্ৰাহকসকলে লগে লগে অভিযোগ কৰিব পাৰে যদি এই এপটোত সামগ্ৰীৰ অনুজ্ঞাপত্ৰ, পঞ্জীয়ন আৰু হলমাৰ্ক নম্বৰ অশুদ্ধ বুলি পোৱা যায়। এপটোৱে গ্ৰাহকক তাৎক্ষণিকভাৱে অভিযোগ দাখিল কৰিবলৈ নিৰ্দিষ্ট কেতবোৰ তথ্য প্ৰদান কৰিব। উল্লেখ্য যে মুক্তিলাভৰ লগে লগে এই এপটোৱে বিপুল জনপ্ৰিয়তা অৰ্জন কৰিছে। ইফালে প্ৰতিদিনে পৰিৱৰ্তন হৈ থকা সোণ-ৰূপ জাতীয় মূল্যবান ধাতুৰ শুদ্ধ আৰু প্ৰকৃত দামৰ বিষয়ে জানিব বিচাৰিলে এতিয়াৰে পৰা গ্ৰাহকসকলে কেৱল এটা মিছড্ কলৰ সহায়তেই সকলোখিনি জানিব পাৰিব। ইয়াৰ বাবে নিজৰ ৰেজিষ্টাৰ্ড ম'বাইল নম্বৰৰ পৰা ৮৯৫৫৬৬৪৪৩৩ নম্বৰত মাথোঁ এটা মিছড্ কল দিব লাগিব। এনে কৰাৰ ফলত গ্ৰাহকৰ ফোনলৈ এটা বাৰ্তা প্ৰেৰণ কৰা হ'ব, য'ত সোণ-ৰূপৰ মূল্যৰ শেহতীয়া হাৰবোৰ পৰীক্ষা কৰিব পৰা যাব।

এইবোৰৰ উপৰি সোণ ক্ৰয় কৰোতে সদায় বিশ্বাসযোগ্য স্থায়ী দোকানৰ পৰা কিনিব লাগে। দোকানীয়ে দিয়া সোণ ক্ৰয়ৰ কাগজ-পত্ৰ ভালদৰে সংৰক্ষণ কৰি ৰাখিব লাগে। যাতে ভৱিষ্যতে কিবা অসুবিধা হ'লে সেয়া সহজে বিচাৰি পোৱা যায়।




# ঋণৰ বোজা কমাব বিচাৰে নেকি ? ইএমআই কমোৱাৰ সহজ দিহা!

আৰবিআয়ে ৰেপ' ৰেট বৃদ্ধি কৰাৰ সিদ্ধান্তৰ পাছতে দেশৰ কে'বাটাও বেংকে ঋণৰ সুতৰ হাৰ বৃদ্ধি কৰিছে। ফলত সকলো গাড়ীৰ পৰা গৃহ ঋণলৈ সকলো ধৰণৰ ঋণৰ মাহিলি কিস্তি নাটকীয়ভাৱে বৃদ্ধি পাইছে। ফলস্বৰূপে দেশৰ মধ্যবিত্ত শ্ৰেণীটো বিপাঙত পৰিছে। কিন্তু ঋণ লৈ ঘৰ বা ফ্লেট এটা কিনাৰ পাছত ইএমআই গণনা কৰি জানো কোনো লাভ আছে? বৰঞ্চ মাহেকীয়া কিস্তিত দুপইচা কেনেকৈ ৰাহি কৰিব পাৰি তাৰ পৰিকল্পনাতহে বেছি গুৰুত্ব দিয়া উচিত। বিশ্বাস কৰক, এই দুটা পইচা বচোৱাৰ ইচ্ছাই আপোনাৰ ক্ষুদ্ৰ চখবোৰ পূৰণ কৰি সুখী কৰি তুলিব পাৰে আপোনাক। বহু সময়ত প্ৰশ্ন উঠে, সঁচাকৈয়ে ইএমআই হ্ৰাস কৰাৰ কিবা উপায় আছেনে? ঋণ পৰিশোধ কৰাৰ উপায় সৰল কৰিব পৰা বা ঋণৰ মাহেকীয়া কিস্তিৰ হেঁচা অলপ হ'লেও হ্ৰাস কৰিব পৰা উপায় কি? এক পৰিসংখ্যা অনুসৰি, আমাৰ দেশৰ ৮০ শতাংশ মানুহেই কোনোবাটো নহয় কোনোবাটো বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ গ্ৰহণ কৰে। ঋণ লোৱাজনে সাধাৰণতে এক দীৰ্ঘ সময়ৰ বাবে ইএমআই বা মাহিলি কিস্তিত এই ঋণ পৰিশোধ কৰিব লাগিব। দীৰ্ঘকালীনভাৱে দিবলগীয়া এই ঋণ বেছিভাগৰে বাবে বোজা হৈ পৰে। মাত্ৰাধিক ধাৰৰ বোজাত বহু লোকৰ ব্যক্তিগত জীৱনৰ সুখ শান্তি নোহোৱা হৈ পৰে। কিন্তু ঋণ লোৱাজনে ইচ্ছা কৰিলে এই মানসিক ক্লান্তিৰ পৰা সহজতে মুক্তি পাব পাৰে। ঋণৰ বোজা কমাব পৰা কেতবোৰ সহজ উপায় আছে। আহকচোন সেই বিষয়ে কিছু কথা জানো—

**হাইব্ৰিড ঋণ**

এই ধৰণৰ ঋণ আঁচনিত কিছু সময়ৰ বাবে নিৰ্দিষ্ট সুতৰ হাৰৰ ওপৰত ভিত্তি কৰি ঋণৰাশি দিয়া হয়। কিন্তু পাছত হাইব্ৰিড ঋণৰ ক্ষেত্ৰত ফ্লোটিং ৰেট অনুসৰি সুতৰ হাৰ নিৰ্ধাৰণ কৰা হয়। অৰ্থাৎ অৰ্ধনিৰ্দিষ্ট হাৰত প্ৰথম তিনি বছৰৰ সুতৰ পাছত গ্ৰাহকে সুতৰ ভাসমান হাৰ বা সুতৰ পৰিৱৰ্তনশীল হাৰ বাছি ল'ব পাৰে।

**নতুন সুতৰ হাৰৰ গাঁথনি বাছনি কৰক**

যদি আপুনি ২০১৯ ৰ অক্টোবৰৰ পূৰ্বে গৃহ ঋণ লৈছে তেন্তে সুতৰ গাঁথনিটো এমচিএলআৰ বা বেচ ৰেট বা বিপিএলআৰৰ ওপৰত ভিত্তি কৰিলে নহ'ব। কিন্তু ২০১৯ ৰ পাছত সকলো ঋণৰ সিদ্ধান্ত External Benchmark Rate অৰ্থাৎ ৰেপ'ৰ স'তে জড়িত হাৰৰ ভিত্তিত কৰা হয়। যদিও পুৰণি ঋণৰ ক্ষেত্ৰত পদ্ধতি একেই, ঋণগ্ৰহণকাৰীয়ে পৰিৱৰ্তনৰ বাবে আবেদন কৰিলে ইয়াক ইবিআৰ পদ্ধতিলৈ সলনি কৰা হ'ব। ২০১৯ ৰ পাছৰে পৰা আমাৰ দেশৰ বিত্তীয় প্ৰতিষ্ঠানসমূহৰ সকলো ঋণ এক্সটাৰ্নেল বেঞ্চমাৰ্ক ৰেট (External Benchmark Rate) অৰ্থাৎ ৰেপ'ৰ স'তে জড়িত হাৰৰ ভিত্তিত নিৰ্ধাৰণ কৰাৰ নিয়ম চলি আহিছে যদিও পুৰণি ঋণগ্ৰহীতাই সুতৰ হাৰ পৰিৱৰ্তনৰ বাবে আবেদন কৰিলে ইবিআৰ পদ্ধতিৰ জৰিয়তে সলনি কৰাটো সম্ভৱ। কিয়নো গ্ৰাহকে উন্নত ক্ৰেডিট স্ক'ৰৰ ভিত্তিত সুতৰ হাৰ হ্ৰাস কৰিবলৈ বেংকত নিজাববীয়াকৈ আবেদন কৰিব পাৰে। এই সুবিধাৰ বিষয়ে অৱশ্যে বহু গ্ৰাহকেই নাজানে।




**আন বেংকৰ ঋণৰ সুতৰ হাৰ জনাটো আপোনাৰ বাবে গুৰুত্বপূৰ্ণ**

আপুনি দি থকা সুতৰ হাৰৰ লগতে আন বেংকৰ সুতৰ হাৰৰ ওপৰতো চকু ৰাখক। যদি আপুনি কম সুতৰ হাৰৰ কোনো সন্ধেদ বিচাৰি পাইছে, তেন্তে ঋণদাতা বেংক বা প্ৰতিষ্ঠানটো সলনি কৰাৰ কথাও চিন্তা কৰিব পাৰে।

**ক্ৰেডিট স্ক'ৰক আপোনাৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰক**


যদি আপুনি ঋণ পৰিশোধ কৰাৰ ক্ষেত্ৰত সঠিক অনুশাসন নিশ্চিত কৰে, তেন্তে আপুনি ইয়াৰ পুৰস্কাৰো যোগ্য। উন্নত ক্ৰেডিট স্ক'ৰৰ ভিত্তিত গ্ৰাহকে সুতৰ হাৰ হ্ৰাস কৰিবলৈ বেংকত আবেদন কৰিব পাৰে।

**কাৰ্যকাল বৃদ্ধি**

যদি আপুনি বৃদ্ধি পোৱা ইএমআই পৰিশোধ কৰাত অসুবিধা পায়, তেন্তে আপুনি ঋণদাতাক ম্যাদ বৃদ্ধিৰ মাধ্যমেৰে মাহেকীয়া কিস্তি হ্ৰাস কৰিবলৈ অনুৰোধ কৰিব পাৰে।

দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৭ জুলাই, দেওবাৰ, ২০২২ পৃষ্ঠা ১১

# ডায়েবেটিছত আক্ৰান্ত সতৰ্ক হওক চকুৰ সমস্যাক লৈ




ডায়েবেটিছত আক্ৰান্ত ৰোগীৰ যিবোৰ সমস্যাই গা কৰি উঠে সেইবোৰৰ ভিতৰত অন্যতম হ'ল ডায়েবেটিক ৰেটিনোপেথী। দীৰ্ঘদিন ধৰি ডায়েবেটিছত আক্ৰান্ত হৈ থাকিলে আৰু শৰ্কৰা অনিয়ন্ত্ৰিত হ'লে সময় বাগৰাৰ লগে লগে এনে ৰোগে গা কৰি উঠে। অৰ্থাৎ আক্ৰান্ত লোকজনৰ দৃষ্টিশক্তিৰ সমস্যাৰ সৃষ্টি হ'বলৈ ধৰে। আগতে বৃদ্ধাৱস্থাত দৃষ্টিশক্তিৰ সলনি হৈছিল বুলি ভাবিছিল যদিও সময়ৰ সমান্তৰালভাৱে এনে ধাৰণাৰো সলনি আছে। শৰীৰত দেখা দিয়া বিভিন্ন উপসৰ্গ চকুৰ বিভিন্ন ৰোগৰ কাৰণ হ'ব পাৰে। জীৱন শৈলীজনিত ৰোগবোৰৰ ভিতিৰত তালিকাভুক্ত ডায়েবেটিছত আক্ৰান্তই যদি তেজত থকা শৰ্কৰাৰ পৰিমাণ নিয়ন্ত্ৰণ নকৰে তেতিয়া দৃষ্টিশক্তি হ্ৰাস অথবা লোপ পৰে। এনেদৰে ডায়েবেটিছৰ পৰোক্ষ প্ৰভাৱৰ বাবে হোৱা দৃষ্টিজনিত ৰোগেই হ'ল ডায়েবেটিক ৰেটিনোপেথী।

### এই ৰোগ দুই ধৰণৰ

ডায়েবেটিক ৰেটিনোপেথী দুই ধৰণৰ- প্ৰ'লিফাৰেটিভ আৰু নন প্ৰ'লিফাৰেটিভ। ৰেটিনোপেথীত আক্ৰান্ত হ'লে প্ৰথমে ৰেটিনাৰ কেপিলাৰিজত হেম'ৰেজ বা ৰক্তক্ষৰণ হয়। যেতিয়া তেজত শৰ্কৰাৰ পৰিমাণ বৃদ্ধি পায় তেতিয়া শাৰীৰিক প্ৰক্ৰিয়াৰ ক্ষতিসাধন হয়। সেইবাবে লাহে লাগে ৰেটিনাত প্ৰ'টিন জমা হ'বলৈ আৰম্ভ কৰে। ৰেটিনাৰ অপ্টিক ডিস্কৰ কাষত সৃষ্টি হোৱা ৰক্তক্ষৰণৰ বাবে দৃষ্টিশক্তি লোপ পায়। আনহাতে, ৰক্তসিৰাসমূহ সংকুচিত বা সৰু হয়। তদুপৰি লেন্স আৰু ৰেটিনাৰ মাজত থকা ভিট্ৰিয়াছ টিউমাৰ নামৰ জেলীৰ দৰে পদাৰ্থবিধতও ৰক্তক্ষৰণ হয়।

### লক্ষণসমূহ

১। ডায়েবেটিক ৰেটিনোপেথী হোৱাৰ লগে লগে দৃষ্টি শক্তি অস্পষ্ট হয়।
২। কেতিয়াবা অস্পষ্ট অৱস্থাৰ পৰা স্পষ্ট হ'ব পাৰে।
৩। চকুৰ সন্মুখত ক'লা দাগ হোৱাৰ দৰে হয়।
৪। দৃষ্টিশক্তি লোপ পাব পাৰে।
৫। নিশা দৃষ্টিশক্তিৰ সমস্যাই গা কৰি উঠে।
৬। ৰঙীন বস্তু আদি অথবা যিকোনো ৰং শেতা পৰাৰ দৰে দেখা পায়। কেতিয়াবা পানীৰে ধুই পোলোৱাৰ দৰে দেখে।
৭। হাইপাৰটেনচিভ ডায়েবেটিছ হ'লে একেটা বস্তুকে দুটা দেখাৰ লগতে মূৰৰ বিষ হয়।
৮। চকু ফুলি উঠাটো হাইপাৰটেনচিভ ডায়েবেটিছৰ লক্ষণ। তদুপৰি ৰক্তসিৰাসমূহ ফাটি যোৱাটোও লক্ষণ হিচাপেই গণ্য কৰিব লাগিব।
৯। অস্বাভাৱিক আৰু দুৰ্বল ৰক্তসিৰা ৰেটিনোপেথীৰ বাবে হ'ব পাৰে। চকুৰ মাজত ইয়াৰ পৰা ফুটা হৈ ওলোৱা তেজ জমা হ'লে দৃষ্টি শক্তি লোপ পায়।
১০। মেকুলাৰ ইডিমা হ'লে মেকুলা ফুলি উঠে। মেকুলাৰ মাজত যেতিয়া ছিৰাম জমা হ'বলৈ ধৰে। সাধাৰণতে যিটো অংশৰ পৰা প্ৰখৰ দৃষ্টিশক্তি আৰু পোনপটীয়াকৈ সন্মুখৰ বস্তু দেখা পাওঁ তাতেই সমস্যাৰ সৃষ্টি হ'ব পাৰে।
১১। মেকুলাৰ ইডিমা যিকোনো পৰ্যায়তে হ'ব পাৰে।
১২। এনে ৰোগত আক্ৰান্ত হ'লে পঢ়াত অসুবিধা হয়।
১৩। দূৰৈৰ বস্তু আদি দেখাত সমস্যাই গা কৰি উঠে।

### চাৰিটা পৰ্যায় আছে

ডায়েবেটিছক ৰেটিনোপেথীৰ চাৰিটা পৰ্যায় আছে। ইয়াৰে প্ৰথম পৰ্যায় হ'ল মাইল্ড নন প্ৰ'লিফাৰেটিভ। এনে অৱস্থাৰ বিষয়ে যদি সোনকালে ধৰা পৰে তেতিয়া ইয়াক প্ৰতিৰোধ কৰিব পৰাটো সম্ভৱ। মনত ৰাখিব মাইল্ড হ'লে এনে পৰ্যায়ৰ পৰা সম্পূৰ্ণৰূপে উপশম লাভ কৰিব নোৱাৰি, মাথো প্ৰতিৰোধহে কৰিব পাৰি। আনহাতে, মডাৰেট নন প্ৰ'লিফাৰেটিভ ডায়েবেটিক ৰেটিনোপেথী হ'লে ৰক্তক্ষৰণ হয়। তদুপৰি ৰেটিনাৰ ভিতৰত অস্বাভাৱিকতাই গা কৰি উঠে। আনহাতে, এনে সমস্যাৰ সৃষ্টি হ'লে ৰেটিনাৰ ৰক্ত পৰিবাহী সিৰা ফুলি উঠে। এনে হ'লে চকুলৈ যিমান তেজ সৰবৰাহ হ'ব লাগে সিমান নোহোৱাৰ ফলত সমস্যাই গা কৰি উঠে। এনে অৱস্থাৰ সৃষ্টি হয় ৰেটিনাৰ 'ফিজিকেল' পৰিৱৰ্তনৰ বাবে। তৃতীয় পৰ্যায় হ'ল ছিভিয়াৰ নন প্ৰ'লিভাৰেটিভ। এনে হ'লে ৰেটিনাৰ বেছি সংখ্যক ৰক্ত পৰিবাহী সিৰা বন্ধ হৈ পৰে। ফলত আক্ৰান্ত হোৱা অংশলৈকে তেজৰ সৰবৰাহ কম হয়। এইটো পৰ্যায়ত ৰেটিনাত নতুন সিৰাৰ সৃষ্টি হোৱাৰ বিষয়ে সংকেত লাভ কৰে। চতুৰ্থ পৰ্যায়টো হ'ল প্ৰ'লিফাৰেটিভ ডায়েবিটিক ৰেটিনোপেথী। এই পৰ্যায়ত ৰেটিনাত নতুন নতুন সিৰাৰ সৃষ্টি হয়। এই সিৰাবোৰ তেনেই ঠুনুকা হোৱা বাবে ফাটি গৈ ৰক্তক্ষৰণ হোৱাৰ আশংকাই অধিক। প্ৰথম পৰ্যায়ত অৰ্থাৎ মাইল্ড নন প্ৰলিফাৰেটিভ ৰেটিনোপেথী হ'লে সামান্য বুদ বুদৰ দৰে হয়। প্ৰথমতে সৰু সৰু হৈ থাকে যদিও সময়ৰ লগে লগে ডাঙৰ হ'বলৈ ধৰে। ৰেটিনাৰ সৰু সিৰাবোৰত এইবোৰ

অলপ ফুলি উঠে। দ্বিতীয় পৰ্যায়ত অৰ্থাৎ মডাৰেট ননপ্ৰ'লিফাৰেটিভ ৰেটিনোপেথী পৰ্যায়ত ৰোগে আক্ৰমণ কৰাৰ লগে লগে ৰেটিনাক পুষ্টিৰ যোগান ধৰা ৰক্তসিক কিছুমান বন্ধ হয়। আনহাতে, ছিভিয়াৰ ননপ্ৰ'লিফাৰেটিভ ৰেটিনোপেথী হ'লে অসংখ্য ৰক্তসিৰা বন্ধ হ'বলৈ ধৰে। ৰেটিনাৰে কিছুমান অংশলৈ তেজৰ সৰবৰাহ সম্পূৰ্ণৰূপে বন্ধ হয়। উল্লেখ্য যে ৰেটিনাৰ এই অংশই শৰীৰৰ আন অংশলৈ ৰক্ত সিৰাৰ পুষ্টিৰ বাবে সংকেত প্ৰেৰণ কৰে। চতুৰ্থ পৰ্যায়ত যেতিয়া ৰেটিনাই সংকেত পঠিয়াই তেতিয়া নতুন নতুন সিৰাৰ জন্ম হয়। এই নতুন সিৰাসমূহৰ গঠন অস্বাভাৱিক আৰু অতি দুৰ্বল হয়। সিৰাত মণিৰ দৰে আকৃতি হ'বলৈ ধৰে। ইয়াত কোমল ৰসক্ষৰণ হোৱাৰ উপৰি দৃষ্টিপটলৰ সূক্ষ্ম ৰক্ত নলীসমূহৰ প্ৰকৃতি ব্যতিক্ৰম হোৱা দেখা যায়। তদুপৰি দৃষ্টিপটলৰ মাজত ৰক্তক্ষৰণ হয়। দৃষ্টিপটলৰ য'তে-ত'তে নতুন ৰক্তসিৰাৰ সম্প্ৰসাৰণ হয়। ফলত ভেট্ৰিয়াছত ৰক্তক্ষৰণ হৈ দৃষ্টিপটলৰ বিচ্যুতিৰ সমস্যাই গা কৰি উঠিবলৈ ধৰে।

### ৰোগ উপশম নহয়, নিয়ন্ত্ৰণহে সম্ভৱ

ডায়েবেটিছৰ ৰেটিনোপেথী ৰোগৰ



পৰা সম্পূৰ্ণৰূপে উপশম লাভ কৰাটো সম্ভৱ নহয়। যিমানেই চিকিৎসা নকৰক কিয়, সম্পূৰ্ণৰূপে উপশম লাভ কৰিব নোৱাৰি। অৱশ্যে সময়মতে ধৰা পৰিলে আৰু চিকিৎসকে আগবঢ়োৱা পৰামৰ্শ আখৰে আখৰে পালন কৰিলে নিয়ন্ত্ৰণ কৰাটো সম্ভৱ। গতিকে ডায়েবেটিছত আক্ৰান্তই সতৰ্ক হ'বই লাগিব।

### কি কাৰণে হ'ব পাৰে

ডায়েবেটিক ৰেটিনোপেথী হোৱাৰ আৰত বিভিন্ন কাৰণ থাকে। অসাৱধনতা আৰু অসতৰ্কতাৰ বাবে এনে ৰোগে নিজৰ অজ্ঞাতেই বৃদ্ধি হোৱাৰ আশংকা থাকে।

* যিসকল লোক দীৰ্ঘদিন ধৰি ডায়েবেটিছত আক্ৰান্ত হৈ থাকিলে এনে ৰোগে গা কৰি উঠে। অৰ্থাৎ তেজত শৰ্কৰাৰ পৰিমাণ নিয়ন্ত্ৰিত হৈ থাকিলে এনে সমস্যাই গা কৰি উঠাৰ আশংকা থাকে।

* দীৰ্ঘদিন ধৰি উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ থাকিলে এনে সমস্যাই সহজেই গা কৰি উঠে।

* উচ্চ ক'লেষ্টেৰুৰ সমস্যা থাকিলে সোনকালে ডায়েবেটিক ৰেটিনোপেথী হ'ব পাৰে।

* গৰ্ভাৱস্থাৰ বাবে এনে হোৱাৰ আশংকা নুই কৰিব নোৱাৰি।

* দীৰ্ঘদিন ধৰি ধূমপান কৰাৰ অভ্যাস থাকিলে অতি সোনকালে এনে ৰোগে গা কৰি উঠাৰ আশংকা নুই কৰিব নোৱাৰি।

### কেনে জটিলতাৰ সৃষ্টি হয়

ডায়েবেটিক ৰেটিনোপেথী হ'লে ৰেটিনাত অস্বাভাৱিক ঠুনুকা সিৰাৰ সৃষ্টি হোৱাৰ ফলত জটিলতাৰ সৃষ্টি কৰাৰ আশংকা নুই কৰিব নোৱাৰি। ইয়াৰ ফলত ভিট্ৰিয়াছ, হেমোৰেজ, ৰেটিনা, বিদ্যুতি বা ডিটাৰমেণ্ট, গ্লু'কমা, অন্ধত্ব আদিয়ে গা কৰি উঠাৰ আশংকা থাকে। গতিকে এনে ধৰণৰ সমস্যা যাতে গা কৰি উঠিব নোৱাৰে তাৰ বাবে প্ৰতিটো ক্ষেত্ৰতেই সতৰ্কতা অৱলম্বন কৰিব লাগিব।

কেনে ধৰণৰ সতৰ্কতা অৱলম্বন কৰিব

* ডায়েবেটিছ নিয়ন্ত্ৰণ কৰিলে ত্ৰনে ৰোগে সোনকালে গা কৰি উঠিব নোৱাৰে। বহুতো লোকে চিকিৎসকে আগবঢ়োৱা পৰামৰ্শ আখৰে আখৰে পালন নকৰাৰ ফলত ডায়েবেটিছ নিয়ন্ত্ৰণত নাথাকে। পুৱা উঠাৰ পৰা আৰম্ভ কৰি খোৱা-বোৱা, দৈনন্দিন কাৰ্য, নিশা সোনকালে শোৱা আদিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবই লাগিব। মনত ৰাখিব ডায়েবেটিছ নিয়ন্ত্ৰণৰ কৌশল আয়ত্ত কৰিব নোৱাৰিলে কেৱল ডায়েবেটিক ৰেটিনোপেথীয়ে নহয়, স্নায়ু, বৃক্কৰ সমস্যা আদিয়েই গা কৰি উঠাৰ আশংকা থাকে।

* তেজত শৰ্কৰাৰ পৰিমাণ নিয়ন্ত্ৰণত থাকিব লাগিব। শৰ্কৰা যাতে বৃদ্ধি পাব নোৱাৰে তাৰ বাবে নিতৌ সতৰ্কতা অৱলম্বন কৰিব লাগে সেই বিষয়ে ভালদৰে জানি থোৱা ভাল। যিবোৰ খাদ্য বেছি খালে শৰ্কৰা বৃদ্ধি পায় সেইবোৰ দৈনন্দিন তালিকাত কম পৰিমাণে অন্তৰ্ভুক্ত কৰা উচিত।

* উচ্চ ৰক্তচাপ নিয়ন্ত্ৰণ কৰিব লাগে। উচ্চ ৰক্তচাপৰ ফলত ডায়েবেটিছ বৃদ্ধিৰ আশংকা থাকে। যিমানেই সোনকালে ডায়েবেটিছ আৰম্ভ হয় সিমানেই নিৰ্দিষ্ট সময়ৰ পূৰ্বে ডায়েবেটিক ৰেটিনোপেথীতে আক্ৰান্তৰ আশংকা থাকে। দীৰ্ঘদিন উচ্চ ৰক্তচাপ মানেই বিপদ ঘনীভূত হোৱাটো নিশ্চিত।

* যদিহে সঘনাই দৃষ্টি শক্তিৰ সমস্যাই গা কৰি উঠিছে তেতিয়াহ'লে চিকিৎসকৰ পৰামৰ্শ শীঘ্ৰে গ্ৰহণ কৰা উচিত। যিমানেই পলমকৈ চিকিৎসকৰ ওচৰলৈ যাব সিমানেই ৰোগে জটিল ৰূপ ধাৰণ কৰিব।


* ক'লেষ্টেৰলৰ পৰিমাণো নিয়ন্ত্ৰণ কৰিবই লাগিব।



# উত্তাপ বৃদ্ধি ঃ ছানষ্ট্ৰোকৰ পৰা নিজকে ৰক্ষা কৰক

**বিশ্বায়নৰ** লগে লগে পৃথিৱীৰ তাপমাত্ৰা বৃদ্ধি পাইছে। ইয়াৰ আঁৰত কাৰণ যিয়ে নাথাকক কিয় প্ৰত্যক্ষ পৰোক্ষ প্ৰভাৱ পৰিছে মানুহৰ ওপৰত। উত্তাপ বৃদ্ধিৰ বাবে গ্ৰীষ্মৰ সময়ত স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰতো প্ৰত্যাহ্বান আহি পৰিছে। প্ৰচণ্ড শীতত হাড় কঁপোৱাৰ দৰে গ্ৰীষ্মতো প্ৰচণ্ড গ্ৰীষ্ম প্ৰৱাহৰ বাবে শাৰীৰিক ভাৰসাম্য ৰক্ষা কৰাটো প্ৰায়ভাগ লোকৰ বাবে প্ৰত্যাহ্বান স্বৰূপ হোৱা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সাধাৰণতে প্ৰখৰ ৰ'দত দীৰ্ঘসময় কাম কৰাৰ ফলত ভাগৰ অনুভৱ হয়। আনকি কিছুমান মূৰ্চ্ছা যায়। গছৰ ছাঁ আদিত জিৰণি লোৱাৰ লগতে নেমুৰ চৰ্বত আদি খুওৱাৰ পাছত পুনৰ আগৰ অৱস্থালৈ ঘূৰি আহে। অৱশ্যে কেতিয়াবা এনে অৱস্থাই জটিল ৰূপ ধাৰণ কৰিলে আনকি মৃত্যু পৰ্যন্ত হ'ব পাৰে। গ্ৰীষ্ম প্ৰৱাহৰ বাবে হোৱা তথা গ্ৰীষ্মৰ আতংক হ'ল ছানষ্ট্ৰোক। বিগত কিছু বছৰৰ পৰা ছানষ্ট্ৰোকত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। ইয়াৰ বিভিন্ন কাৰণ আছে। তদুপৰি এনে সমস্যাৰ পৰা হাত সাৰিবলৈ যিবোৰ সাৱধানতা অৱলম্বন কৰিব লাগে সেই বিষয়ে গুৰুত্ব আৰোপ নকৰা বাবে এনে ধৰণৰ সমস্যাই গা কৰি উঠিবলৈ ধৰিছে। 'ছানষ্ট্ৰোক'ক হিটষ্ট্ৰোক বুলিও কোৱা হয়।

হিটকেম্পছ, হিট এক্সাশ্চন আৰু হিট চিনকোপ পৰ্যায় অতিক্ৰম কৰাৰ পাছত যি পৰ্যায়ৰ সৃষ্টি হয় সেয়া হ'ল হিটষ্ট্ৰোক। যদিহে হিটষ্ট্ৰোকত আক্ৰান্ত হোৱাৰ লগে লগে ছাঁ অথবা ঠাণ্ডা ঠাইত ৰখা নহয় নতুবা যিকোনো প্ৰকাৰে শীতল কৰিব নোৱাৰিলে আক্ৰান্তজন মৃত্যুমুখত পৰাৰো আশংকা থাকে। হিটষ্ট্ৰোকত আক্ৰান্ত হ'লে ইয়াৰ প্ৰভাৱ মস্তিষ্কৰ লগতে শৰীৰৰ আন গুৰুত্বপূৰ্ণ অংগ-প্ৰত্যংগতো পৰাৰ আশংকা থাকে। যদিও বয়স্ক লোকৰ এনে সমস্যা হোৱাৰ আশংকা থাকে তথাপি এথলীট আদিৰ কম বয়সতো হ'ব পাৰে। এনে অৱস্থাৰ সৃষ্টি এবাৰ ৰ'দত ওলালেই নহয়।



দীৰ্ঘ সময় ধৰি ৰ'দত কাম কৰি থাকিলে উষ্ণতা অস্বাভাৱিকভাৱে বৃদ্ধি পালে হয়। ডিহাইড্ৰেছন বা জলশূন্যতা হ'লে শৰীৰে উষ্ণতা বা উত্তাপ নিয়ন্ত্ৰণ কৰিব নোৱাৰা হয়। এইখিনিতে উল্লেখ কৰিব লাগিব যে প্ৰত্যেকৰে শৰীৰত উষ্ণতা নিয়ন্ত্ৰণৰ এক প্ৰক্ৰিয়া আছে। যেতিয়া পৰিৱেশৰ উত্তাপ বৃদ্ধি হৈ উষ্ণতা একেবাৰে বৃদ্ধি পায় তেতিয়া হিটষ্ট্ৰোক হোৱাৰ আশংকা বৃদ্ধি পায়। আনকি উষ্ণতা বেছি হ'লে ইয়াৰ প্ৰভাৱ কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ ওপৰতো পৰে। হিটষ্ট্ৰোকৰ কিছুমান বিশেষ লক্ষণ আছে আৰু এইবোৰ উল্লেখ কৰা হ'ল—

■ আক্ৰান্ত লোকজনৰ প্ৰচণ্ড মূৰৰ বিষ হয়।
■ এনে হ'লে মূৰটো পাতল পাতল অনভৱ হ'বলৈ ধৰে।
■ আচন্দ্ৰোৱা এই সমস্যাৰ অন্যতম লক্ষণ।
■ প্ৰচণ্ড উত্তাপৰ পাছতো শৰীৰৰ পৰা কম পৰিমাণেহে ঘাম ওলায়।
■ আক্ৰান্ত ব্যক্তিৰ ছালখন শুষ্ক হোৱাৰ উপৰি ৰঙা পৰা আৰু গৰম হয়।
■ পেশী দুৰ্বল হোৱাৰ লগতে টানি ধৰাৰ দৰে হয়।
■ এনেহ'লে ওকালিভাব আৰু বমি হ'ব পাৰে।
■ হৃদস্পন্দন দ্ৰুত অথবা দুৰ্বল হ'ব পাৰে।
■ হিটষ্ট্ৰোক হোৱা ব্যক্তিৰ মনঃসংযোগত ব্যাঘাত জন্মে। কথোপকথন হওতে লাগি ধৰিব পাৰে।
■ মূৰ্চ্ছা যোৱাৰ দৰেও হোৱাৰ আশংকা থাকে।
■ অচেতন বা অজ্ঞান হ'ব পাৰে যদিহে হিটষ্ট্ৰোকত আক্ৰান্ত হয়।

### কেনেদৰে হাত সাৰিব পাৰি

সাধাৰণত যিসকল লোকে ৰ'দত কমকৈ ঘূৰা-ফুৰা কৰে অথবা কাচিৎহে ৰ'দত ওলায় তেওঁলোকৰ এনে সমস্যাই সহজে গা কৰি উঠে। সেইবাবে সদায় ৰ'দত অলপ সময় হ'লেও কাম কৰাৰ অভ্যাস গঢ়ি তুলিব লাগে।

■ ৰ'দত ওলাই যোৱাৰ পূৰ্বে যদিহে সম্ভৱ হয় এগিলাছ নেমুৰ চৰ্বত খাব লাগে। কাৰণ নেমুত থকা বিভিন্ন উপাদানে শৰীৰটোক জলশূন্যতাৰ সমস্যাৰ পৰা হাত সৰাত সহায় কৰিব। নেমুৰ ৰসত নিমখ আৰু চেনি মিহলাই খালে বেছি সুফল পোৱা যায়।
■ ঘৰৰ বাহিৰলৈ যাওতে ছাতি ব্যৱহাৰ কৰা উচিত। কাৰণ ছাতি ব্যৱহাৰ কৰিলে পোনপটীয়াকৈ সূৰ্যৰ ৰশ্মি ছালখনত নপৰিব।
■ গৰমৰ সময়ত প্ৰচুৰ পৰিমাণে বিশুদ্ধ পানী সেৱন কৰিব লাগে। য'তে ত'তে পানী খোৱাৰ অভ্যাস ত্যাগ কৰিব লাগিব। কাৰণ বাহিৰত অপৰিষ্কাৰ পানী খালে হেপাটাইটিছ 'এ' আৰু 'ই' হোৱাৰ আশংকা থাকে।
■ যদিহে সম্ভৱ হয় তৰমুজ, আনাৰস আদি নিয়মীয়াকৈ খাব লাগে। এইবোৰ ফলে ৰোগ প্ৰতিৰোধ কৰাৰ লগতে শৰীৰত পানীৰ অভাৱো পূৰণ কৰে। মনত ৰাখিব শৰীৰত পানীৰ অভাৱ মানেই বিপদ অৱশ্যম্ভাৱী।
■ গৰমৰ দিনত কপাহী কাপোৰ পিন্ধিলেও এনে সমস্যাৰ পাৰ হাত সাৰিব পাৰি।
■ আক্ৰান্ত ব্যক্তিক যিকোনো উপায়েৰে মুকলি শীতল ঠাইলৈ নিব লাগে।
■ আক্ৰান্ত হোৱাৰ লগে লগে গাৰ কাপোৰ খুলি দিব লাগে। বিশেষকৈ বুকুৰ বুটাম আদি খুলি দিলে আৰাম অনুভৱ কৰিব।
■ হিটষ্ট্ৰোক আদি হোৱাৰ লগে লগে মূৰত ঠাণ্ডা পানী আৰু কপালত জলপতি দিব পাৰে।
■ শৰীৰৰ উত্তাপ বৃদ্ধি পালে গামোচা বা টাৱেল ঠাণ্ডা পানীত তিয়াই লৈ চেপি লোৱাৰ পাছত ডিঙিৰ পাছফালে কিছুসময় ৰাখিব লাগে। তদুপৰি তিতা গামোচাৰে মুখখন মচি থাকিলেও আৰাম অনুভৱ কৰিব।
■ গৰমৰ দিনত টুপী পিন্ধা অথবা অতিৰিক্ত কাপোৰ পিন্ধাৰ পৰা আঁতৰি থকাটোৱে মংগলজনক।
■ আক্ৰান্ত লোকজনক সঘনাই অ' আৰ এছ খাব দিব লাগে। তেতিয়া পানীৰ লগতে খনিজ পদাৰ্থ আদিৰ অভাৱ নহ'ব।
■ গৰমত বেছিকৈ ব্যায়াম কৰাৰ পূৰ্বে বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।
■ গৰমৰ দিনত যিমান সম্ভৱ সিমানে ঘৰৰ দুৱাৰ-খিৰিকী আদি খোলা ৰাখিব লাগে। বন্ধ কোঠাত গৰম হোৱাৰ লগতে ঘৰৰ ভিতৰৰ বায়ু দুখিত হয়। দুৱাৰ খিৰিকী খোলা থাকিলে ভিতৰৰ দূষিত বায়ু বাহিৰলৈ ওলাই বাহিৰৰ সতেজ বিশুদ্ধ বায়ু প্ৰৱেশ কৰিব।



# শিশুৰ উচ্চ ৰক্তচাপ অস্বাভাৱিক নহয়

**হাইপাৰটেনছন** বা উচ্চ ৰক্তচাপ সাধাৰণতে প্ৰাপ্তবয়স্ক লোকৰ ক্ষেত্ৰতহে দেখা যায়; কিন্তু এটা নৱজাত শিশুৰো উচ্চ ৰক্তচাপ হ'ব পাৰে। শিশুসকলৰ ক্ষেত্ৰত সঠিক লক্ষণৰ অভাৱত এই ৰোগ ধৰা নপৰে। মূৰৰ বিষ, চকুৰে ভালকৈ মণিব নোৱাৰা, নাকেৰে তেজ বৈ যোৱা, ৰঙচুৱা প্ৰস্ৰাৱ, শৰীৰটো ফুলি যোৱা, উশাহ-নিশাহত কষ্ট পোৱা, মূৰ্চ্ছা যোৱা, কেঁচুৱাৰ অত্যাধিক আমনিদায়ক ব্যৱহাৰ ইত্যাদি সাধাৰণতে উচ্চ ৰক্তচাপৰ লক্ষণ হ'ব পাৰে। সঠিক সময়ত সঠিক ৰোগ নিৰূপণৰ অভাৱত উচ্চ ৰক্তচাপৰ বাবে শৰীৰৰ আন অংগসমূহ যেনে— মস্তিষ্ক, হৃদযন্ত্ৰ, কিড়নি, চকু আদি প্ৰভাৱান্বিত হ'ব পাৰে। এই ৰোগৰ ভয়াবহতা শিশুৰ ক্ষেত্ৰত বেছি যিহেতু শিশুটিয়ে বয়স্ক এজনতকৈ অতি কম বয়সৰ পৰা আৰু দীৰ্ঘ জীৱনলৈ এই ৰোগৰ স'তে সহবাস কৰিব লগা হয়। সেইবাবে তিনি বছৰ বয়সৰ পৰা যিকোনো শিশু চিকিৎসকৰ ওচৰলৈ গ'লে সিহঁতৰ ৰক্তচাপ পৰীক্ষা কৰাটো প্ৰয়োজনীয়। লক্ষ্যণীয় যে বয়স্ক লোকৰ Normal BP ৰ মাত্ৰা (BP Chart) শিশুৰ ক্ষেত্ৰত একে নহ'বও পাৰে কাৰণ ৰক্তচাপৰ মাপ-শিশুৰ বয়স, লিংগ, উচ্চতা আৰু সঠিক মাপৰ (BP Cuff) ৰ ওপৰত নিৰ্ভৰ কৰে।

মন কৰিবলগীয়া যে শিশুৰ যিহেতু বয়সজনিত কাৰণত উচ্চ ৰক্তচাপৰ সমস্যা নাথাকে গতিকে বয়স্ক লোকৰ দৰে হাইপাৰটেনছনৰ ঔষধ শিশুৰ বাবে প্ৰয়োজনীয় নহ'বও পাৰে। উদাহৰণ স্বৰূপে কিড়নী সম্বন্ধীয় ৰোগৰ ফলতো উচ্চ ৰক্তচাপৰ জটিলতা আহিব পাৰে। সেইবাবে ৰোগৰ সঠিক কাৰণ নিৰূপণ কৰি চিকিৎসা কৰোৱাত খুবেই প্ৰয়োজনীয়।

### শিশুৰ হাইপাৰটেনছন বা উচ্চ ৰক্তচাপ ৰোধ কৰিবলৈ অভিভাৱকে কৰিবলগীয়া ঃ

শিশুৰ সুষম খাদ্যাভ্যাস। খোৱাৰ তালিকাত প্ৰচুৰ পৰিমাণে ফলমূল আৰু সেউজীয়া শাক-পাচলি যোগ দিব লাগে, কাৰণ এইবোৰত পৰ্যাপ্ত পৰিমাণে পটেছিয়াম থাকে আৰু ই হাইপাৰটেনছন ৰোধ কৰিবলৈ সহায়ক হয়।

অতি মাত্ৰা নিমখযুক্ত আহাৰ, বিশেষকৈ জাংক ফুড, টিনৰ ফুড য'ত বেছিকৈ কৃত্ৰিম Preservatives থাকে সেইবোৰ খোৱাৰ পৰা বিৰত থাকিব লাগে।

শিশুসকলক শৰীৰচৰ্চা, মুকলিত খেলা-ধূলা কৰাত উৎসাহী কৰিব লাগে।

শিশুৰ সামান্য গা বেয়া হ'লে চিকিৎসকৰ পৰামৰ্শ নোলোৱাকৈ নিজে যিকোনো ঔষধ দিব নালাগে।

যিবোৰ পৰিয়ালত হাইপাৰটেনছন, হৃদযন্ত্ৰ আৰু কিড়নী ৰোগী আছে, তেনে ঘৰৰ শিশুৰ নিয়মীয়াকৈ ৰক্তচাপ পৰীক্ষা কৰিব লাগে।

**ডাঃ আফচানা জাহান**
**পেডিয়েট্ৰিক নেফ্ৰোল'জিষ্ট**
**ৰিনিউৰেল ক্লিনিক এণ্ড নাৰায়ণা**
**ছুপাৰ স্পেচিয়েলিটি হাস্পতাল, গুৱাহাটী**

# গৰমৰ পৰা হাত সাৰিবলৈ গৈ জণ্ডিছ মাতি নানিব

**প্ৰচণ্ড** গৰমত মানুহে উষ্ণতা সহ্য কৰিব নোৱাৰি শৰীৰটো শীতল কৰি ৰাখিবলৈ য'তে-ত'তে পানী খায়। গৰমত তৃষ্ণা বৃদ্ধি পোৱাটো স্বাভাৱিক। আনহাতে, শৰীৰৰ পৰা ঘামৰ ৰূপত বাহিৰলৈ ওলোৱা পানীৰ পৰিমাণ আৰু খনিজ লৱণ ভাৰসাম্য কৰি ৰাখিবলৈ প্ৰচুৰ পৰিমাণে পানী খায়। য'তে-ত'তে পানী খোৱাৰ ফলত আৰম্ভ হয় লিভাৰৰ সমস্যা। সাধাৰণতে গৰমৰ দিনত হোৱা সমস্যাবোৰৰ ভিতৰত অন্যতম হ'ল 'জণ্ডিছ।' এই শব্দটোৰ স'তে প্ৰায়ভাগেই পৰিচিত। যদিও গ্ৰীষ্মত জণ্ডিছ বেছিকৈ হোৱা দেখা যায় তথাপি শীতত যে এনে সমস্যাই গা কৰি নুঠে তেনে নহয়। যিকোনো ব্যক্তিৰে জণ্ডিছ হ'ব পাৰে। আনকি নৱজাতকৰো জণ্ডিছ হয়। কেতিয়াবা যদি জণ্ডিছ হয় বাধাজনিত কাৰণত, কেতিয়াবা আকৌ পানীত থকা বীজাণুৰ দ্বাৰা হ'ব পাৰে। ইয়াৰ উপৰি আন কাৰণতো হোৱাৰ আশংকা থাকে।

যদিও জণ্ডিছক ৰোগ বুলি কোৱা হয় তথাপি ই ৰোগ নহয়। বিভিন্ন ৰোগৰ লক্ষণ হিচাপেহে জণ্ডিছে দেখা দিয়ে। তেজত থকা বিলিৰুবিনৰ পৰিমাণ যেতিয়া স্বাভাৱিক পৰিমাণতকৈ বেছি হয় তেতিয়া শৰীৰৰ বিভিন্ন অংশত বিশেষকৈ চকু, হাত-নখ ইত্যাদিৰ বৰণ হালধীয়া হৈ পৰে। বৰণ হালধীয়া হোৱাৰ সমান্তৰালভাৱে বমি বমি ভাব, শৰীৰৰ উত্তাপ সামান্যভাৱে বৃদ্ধি হোৱা, পেটৰ সোঁফালে ওপৰ অংশত বিষ হোৱা আদি লক্ষণে দেখা দিয়ে। জণ্ডিছৰ বিভিন্ন কাৰণৰ ভিতৰত অন্যতম হেপাটোট্ৰপিক ভাইৰাছৰ সংক্ৰমণ। হেপাটোট্ৰপিক ভাইৰাছ বুলিলে হেপাটাইটিছ 'এ' 'বি' 'চি' 'ডি', আৰু ই ভাইৰাছকে বুজা যায়। এই ভাইৰাছে লিভাৰ বা যকৃতক আক্ৰমণ কৰে। যেতিয়া এনে ভাইৰাছে আক্ৰমণ কৰে তেতিয়া লিভাৰৰ স্বাভাৱিক কাৰ্যত বাধা জন্মে। এনে কাৰণত শৰীৰত অস্বাভাৱিক পৰিমাণে বিলিৰুবিন জমা হ'বলৈ ধৰে। সাধাৰণ অৰ্থত এয়ে হ'ল জণ্ডিছ আৰু জণ্ডিছৰ লক্ষণ। কিন্তু চিকিৎসা বিজ্ঞানৰ চৰম অগ্ৰগতিৰ সময়তো বহুতে অন্ধবিশ্বাসৰ মাজত ডুব গৈ জণ্ডিছৰ কাৰণ আৰু চিকিৎসা সম্পৰ্কে বিকৃত ব্যাখ্যা আগবঢ়োৱা দেখা যায়। আনকি কিছুমানে মালা পিন্ধি ৰোগৰ পৰা উপশম লাভ কৰিবলৈ চেষ্টা কৰাৰ লগতে জৰা-ফুকাও কৰে। এনে কৰাৰ ফলত সময়ত জীৱন হৈ পৰে



বিপন্ন।

তেজত বিলিৰুবিনৰ পৰিমাণ বৃদ্ধি মানে কিন্তু জণ্ডিছ হোৱাটো নুসূচায়। কিছুমান মানুহৰ স্বাভাৱিক পৰিমাণতকৈ বেছি থাকে। তেনে ব্যক্তিয়ে আজীৱন বেছি পৰিমাণে বিলিৰুবিন লৈয়ে থাকিবলগীয়া হয়। দহ শতাংশৰেই এই পৰিমাণ বেছি থাকে। চিকিৎসা বিজ্ঞানৰ পৰিভাষাত এনে অৱস্থাক কোৱা হয় গিলবাৰ্ট ছিণ্ড্ৰোম।' এনে হ'লে লিভাৰৰ অসুখ বুলি ক'ব নোৱাৰি। জন্মগতভাৱেই বেছি থাকিব পাৰে। এনে পৰিস্থিতিৰ উদ্ভৱ হ'লে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ ঔষধ সেৱন কৰাটো অনুচিত।

জণ্ডিছৰ কিছুমান বিশেষ লক্ষণ দেখা যায় বা ফুটি উঠে। হেপাটোট্ৰপিক ভাইৰাছ শৰীৰত প্ৰৱেশ কৰাৰ পাছত প্ৰথমতে আক্ৰান্ত ব্যক্তিৰ ভোক কম হয়। খাবলৈ মন নকৰে। কিবা খালেও বমি বমি ভাব থাকে। কিছুমানৰ বমি হয়। শৰীৰৰ উত্তাপ সামান্যভাৱে বৃদ্ধি পায়। অৰ্থাৎ জ্বৰ উঠে। পেটৰ সোঁফালে বিষাবলৈ ধৰে। যিকোনো বস্তু খালেও সোৱাদ নাপায়। এসপ্তাহমান এনে অৱস্থাৰ সৃষ্টি হোৱাৰ পাছত লাহে লাহে চকুৰ বগা অংশখিনি হালধীয়া হ'বলৈ ধৰে। দৰাচলতে ভাইৰাছৰ আক্ৰমণৰ হেতুকে তেজৰ হিমগ্ল'বিন ভাঙি যায় আৰু বিলিৰুবিন উৎপন্ন হ'বলৈ ধৰে। এই বিলিৰুবিন শৰীৰৰ পৰা বাহিৰ ওলাই যাব নোৱাৰে। যিহেতু লিভাৰত ভাইৰাছে আক্ৰমণ কৰে, সেয়েহে হজমত ব্যাঘাত জন্মাটো স্বাভাৱিক। এনেধৰণৰ লক্ষণ ফুটি উঠিলে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰাটো গুৰুত্বপূৰ্ণ বিষয়। হেপাটাইটিছ 'এ' যাক আমি সাধাৰণভাৱে জণ্ডিছ বুলি কওঁ সেয়া আপোনা-আপুনি ভাল হয়। এই সময়ত বেছিকৈ তেল-মছলাযুক্ত খাদ্য খাব নালাগে। সময়ত বিলিৰুবিনৰ পৰিমাণ স্বাভাৱিক হৈ আহিব। অৱশ্যে হেপাটাইটিছ-এ আদি ৰোগত আক্ৰান্ত ব্যক্তিয়ে উপযুক্তভাৱে খাদ্য গ্ৰহণৰ লগতে জিৰণি লোৱা উচিত। যিমানেই জিৰণি ল'ব সিমানেই লিভাৰৰ অস্বাভাৱিক অৱস্থা স্বাভাৱিকলৈ পৰিবৰ্তন হ'ব।

### ডাবৰ পানী

ডাবৰ পানীক 'জীৱন জল' বুলি কোৱা হয়। ডাবৰ পানীয়ে শৰীৰৰ প্ৰয়োজনীয় পানী পূৰণ কৰিব পাৰে। ডাবৰ পানীৰে শৰীৰ মুচিলে ঘামচি, ফোঁহা আদি ভাল হয়। প্ৰকৃতি প্ৰদত্ত এই পানীয় পান কৰি শৰীৰক ৰোগ মুক্ত কৰি ৰাখিব।

### দৈৰ পানী

দৈৰ পানীত পদিনা, ধনীয়া, আদা, জিৰা আৰু ক'লা নিমখ মিহলাই খাব। গৰমৰ পৰা নিস্তাৰ পাব।



# হাইপাৰটেনছনৰ পৰা মুক্তি গৰ্ভাৱস্থাত

**অধিকাংশ** গৰ্ভৱতী মহিলাৰ মাজতে হাইপাৰটেনছনৰ সমস্যা পৰিলক্ষিত হয়। অৱশ্যে বহু মহিলাই আকৌ গৰ্ভৱতী হোৱাৰ আগৰে পৰাই হাইপাৰটেনছনৰ সমস্যাত ভোগা দেখা যায়। কিন্তু অধিকাংশ ক্ষেত্ৰতে দেখা গৈছে যে গৰ্ভৱতী হোৱাৰ পাছতহে হাইপাৰটেনছনৰ সমস্যা আৰম্ভ হয়।

এগৰাকী বিশিষ্ট স্ত্ৰীৰোগ বিশেষজ্ঞৰ মতে, যদি অন্তঃসত্ত্বা হোৱাৰ ২০ সপ্তাহৰ পূৰ্বে হাইপাৰটেনছন ধৰা পৰে, সেই ক্ষেত্ৰত ইয়াক 'এছেন্সিয়েল হাইপাৰটেনছন' বুলি কোৱা হয়। আকৌ যদি গৰ্ভৱতী হোৱাৰ পাছত তেন্তে ইয়াক কোৱা হয় 'প্ৰেগনেন্সি ইণ্ডিউজড হাইপাৰটেনছন'। গৰ্ভাৱস্থাত প্ৰতিদিনে হাইপাৰটেনছন কমোৱা ঔষধ সেৱন কৰাটো একেবাৰে অনুষ্ঠিত। এই ক্ষেত্ৰত বিশেষ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰাটো জৰুৰী। গৰ্ভাৱস্থাত হাইপাৰটেনছনৰ সমস্যাত কি কৰা উচিত আৰু কিবোৰ বিষয় এৰাই চলা উচিত সেয়া জানি থোৱা ভাল।

### কি কৰা উচিত ?

গৰ্ভাৱস্থাত হাইপাৰটেনছনৰ সমস্যাই দেখা দিলে চিকিৎসকৰ স'তে যোগাযোগ কৰিব। যদি আগৰে পৰাই এই সমস্যা আছে, সেয়া চিকিৎসকক অৱগত কৰিবলৈ নাপাহৰিব। ইয়াৰ উপৰি গৰ্ভাৱস্থাত চিকিৎসকৰ পৰামৰ্শ মানি নিয়মিতৰূপে ৰক্তচাপ পৰীক্ষা কৰাব। বিশেষজ্ঞৰ মতে, গৰ্ভাৱস্থাৰ ২৮ সপ্তাহ পৰ্যন্ত মাহত এবাৰকৈ ৰক্তচাপ পৰীক্ষা কৰাটো প্ৰয়োজনীয়। তাৰ পাছত ২৮ সপ্তাহৰ পৰা ৩৬ সপ্তাহৰ ভিতৰত মাহত দুবাৰকৈ ৰক্তচাপ পৰীক্ষা কৰাটো জৰুৰী।

### হাইপাৰটেনছনৰ চিকাৰ বুলি কেনেকৈ বুজিব ?

গৰ্ভাৱস্থাত হাইপাৰটেনছনৰ সমস্যা থাকিলে বিভিন্ন ধৰণৰ লক্ষণ প্ৰকাশ পায়। সেইবোৰৰ পৰা হাইপাৰটেনছন চিনাক্ত কৰা সম্ভৱ। গৰ্ভাৱস্থাত ভৰি ফুলাটো অতি স্বাভাৱিক বিষয়। কিন্তু যদি দেখে যে ভৰি ফুলা কোনোপধ্যেই কমা নাই, তেতিয়াই চিকিৎসকৰ স'তে যোগাযোগ কৰিব। ইয়াৰ উপৰি পেটৰ বিষ, মূৰৰ বিষ, হাতৰ তলুৱা ফুলা বা দৃষ্টিশক্তি ক্ষীণ হোৱা আদি এই ৰোগৰ লক্ষণ।

### প্ৰতিকাৰ কিদৰে কৰিব?

হাইপাৰটেনছনৰ কবলত পৰিলে চিকিৎসক আৰু পুষ্টিবিদৰ পৰামৰ্শ অনুসাৰেহে খাদ্য খাব লাগে। চিকিৎসকৰ পৰামৰ্শ মানি ৰক্তচাপ বা হাইপাৰটেনছনৰ ঔষধ সেৱন কৰাটো জৰুৰী। ৰক্তচাপ নিয়ন্ত্ৰণত ৰখাৰ বাবে বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ মানি চলাটো অতিশয় প্ৰয়োজনীয়।

# নামতহে আছে ষ্ট্ৰীট লাইট, সন্ধিয়াতে নামি আহে নিশাৰ গভীৰতা

## ■ যিকোনো মুহূৰ্ততে দুৰ্ঘটনাৰ আশংকা বৰঝাৰ বিমানকোঠৰ সংযোগী পথত



**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৬ জুলাই ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম তথা ৰাজ্যখনৰ একমাত্ৰ বিমানকোঠ হিচাপে পৰিগণিত গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানকোঠলৈ অহা-যোৱা কৰা ধাৰাপুৰ-গড়ল-এছঅ'এছ -বিমানকোঠৰ সংযোগী পথছোৱা সন্ধিয়া হ'লেই অন্ধকাৰত বুৰ যায়। চৰকাৰীভাৱে উক্ত পথছোৱাত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰা হৈছিল যদিও সেইবোৰ অচল হৈ পৰিছে। যাৰ ফলত সন্ধিয়াৰ লগে লগে উক্ত পথছোৱাত দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনাই দেখা দিছে। উল্লেখ্য যে বৰঝাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠৰ গুৰুত্ব ক্ৰমান্বয়ে বৃদ্ধি পাই অহা পৰিলক্ষিত হৈছে। প্ৰতিদিনে পুৱাৰ পৰা নিশা পৰ্যন্ত যথেষ্ট সংখ্যক দেশী-বিদেশী বিমানযাত্ৰী বৰঝাৰ বিমানকোঠৰ জৰিয়তে অহা-যোৱা কৰি আহিছে। জালুকবাৰীৰ পৰা ধাৰাপুৰ চাৰিআলি-আজাৰা হৈ বৰঝাৰ বিমানকোঠলৈ যোৱা ভিভিআইপি পথ এটা থকাৰ পাছতো জালুকবাৰীৰ পৰা ধাৰাপুৰ চাৰিআলি-গড়ল-এছঅ'এছ শিশুগাঁও হৈয়ো বৰঝাৰ বিমানকোঠলৈ যাব পাৰি। সম্প্ৰতি বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানকোঠটোৱে আন্তৰ্জাতিক বিমানকোঠৰ মানচিত্ৰত স্থান লাভ কৰাৰ লগে লগে ধাৰাপুৰ চাৰিআলি-গড়ল-এছঅ'এছ ১৩ পৃষ্ঠাত চাওক


# হিন্দু যুৱ-ছাত্ৰ পৰিষদৰ দ্বাৰা আয়োজিত তিনিচুকীয়াৰ বৌদ্ধিক প্ৰশিক্ষণ পূৰ্ণ গতিত



**অগ্ৰদূত বাৰ্তা**

**ডুমডুমা, ১৬ জুলাই ঃ** হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসম, তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসম আৰু বিশ্ব হিন্দু মহাসংঘ, অসমৰ বৌদ্ধিক প্ৰশিক্ষণ শিবিৰ যোৱা ১১ৰ পৰা ১৭ জুলাইলৈকে তিনিচুকীয়া বংগীয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈছে। কাৰ্যসূচীত মুখ্য প্ৰশিক্ষক হিচাপে সাহিত্য একাডেমী অনুবাদ বঁটাপ্ৰাপক, বিশিষ্ট সাহিত্যিক-শিক্ষাবিদ দিগন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। বৌদ্ধিক প্ৰশিক্ষণ শিবিৰত মুখ্য প্ৰশিক্ষকৰূপে উপস্থিত থাকি শিক্ষাবিদ শৰ্মাই ভাৰতৰ ৰাষ্ট্ৰ-দৃষ্টি, ভাৰতীয় সংস্কৃতি আৰু সনাতন ধৰ্ম, গীতাৰ আলোকত অৱতাৰ কৃষ্ণ এই তিনিটা বিষয়ৰ ওপৰত আলোকপাত কৰি এক বিস্তৃতভাৱে ব্যাখ্যা দাঙি ধৰি কয় যে ভাৰত এক শক্তি। ভাৰতবৰ্ষ আমাৰ কেৱল মাতৃয়ে নহয়, এগৰাকী দেৱী স্বৰূপ। অনুষ্ঠানত শৰ্মাই যথেষ্ট আনন্দিত হোৱাৰ লগতে বিশেষ তাৎপৰ্য থকা বুলি উল্লেখ কৰে। ইফালে, শৰ্মাই হিন্দু যুৱ-ছাত্ৰ পৰিষদৰ স'তে এক বিশেষ আত্মীয়তা থকা বুলি উল্লেখ কৰি কয় যে ১৯৯১ত সকলোৱে মিলি হিন্দু যুৱ-ছাত্ৰ পৰিষদৰ জন্ম দিছিল। সেই সময়ত শৰ্মা নিজেই গুৱাহাটী ১৩ পৃষ্ঠাত চাওক

# জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন সভাপতি দণ্ডিৰাম দলৈৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ১৬ জুলাই ঃ** মৰিগাঁৰৰ জাতীয়তাবাদী চিন্তাধাৰা পৰিপুষ্ট, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দণ্ডিৰাম দলৈ (৬৫)ৰ মৃত্যুৰ খবৰে মৰিগাঁৰৰ লগতে জন্মস্থান এজাৰবাৰী অঞ্চলত শোকৰ ছাঁ পেলায়। দীৰ্ঘদিন ধৰি বহুমূত্ৰ ৰোগৰ লগতে আনুষাংগিক ৰোগত আক্ৰান্ত হৈ থকা দলৈ আজি পুৱা ৪.৩০ বজাত নিজ বাসগৃহতে শেষ নিশ্বাস ত্যাগ কৰে। জাতীয়তাবাদক বিশ্বাস কৰা দলৈৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ অগ্ৰণী নেতা হোৱাৰ উপৰি মৰিগাঁও জিলা মধ্য ইংৰাজী শিক্ষক সন্থাৰো এজন নেতাৰূপে পৰিচিত আছিল। মৰিগাঁৰত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ অভিভাৱকত্ব ১৩ পৃষ্ঠাত চাওক

■ নাজিৰা-শিমলুগুৰি পৌৰসভাৰ পদেন সদস্যৰ শপতগ্ৰহণ

# জাতিৰ পিতা মহাত্মা গান্ধীৰ আদৰ্শ অনুধাৱন কৰিবলৈ আহ্বান



**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ১৬ জুলাই ঃ** আজি নাজিৰা আৰু শিমলুগুৰি পৌৰসভাৰ পদেন সদস্যৰ শপত গ্ৰহণ বৈঠক নাজিৰা মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত কৰা হয়। বৈঠকৰ আৰম্ভণিতে অতিৰিক্ত উপায়ুক্ত তথা নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপ, শিমলুগুৰি পৌৰসভাৰ ভাৰপ্ৰাপ্ত কাৰ্যবাহী বিষয়া প্ৰীতম গগৈ তথা নাজিৰা আৰু শিমলুগুৰি পৌৰসভাৰ কে'বাগৰাকী সদস্যয়ে ১০৪ নম্বৰ নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়াক ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। এই বৈঠকৰ উদ্দেশ্য ব্যাখ্যা কৰে নাজিৰা মহকুমাৰ মহকুমাধিপতি সব্যসাচী কাশ্যপে। তেওঁ পোনপ্ৰথমে সকলোকে স্বাগতম জনায় আৰু পদেন সদস্যৰূপে উপস্থিত থকা বিধায়ক দেৱব্ৰত শইকীয়াৰ মাৰ্গ দৰ্শনে নাজিৰা তথা শিমলুগুৰি পৌৰসভাৰ উন্নয়নমূলক কাম-কাজৰ পূৰ্ণাংগৰূপত অগ্ৰগতি লাভ কৰিব বুলি ব্যক্ত কৰে। ইয়াৰ পাছতে বিধায়ক দেৱব্ৰত শইকীয়াই পদেণ সদস্য হিচাপে শপত গ্ৰহণ কৰে আৰু তেওঁক শপত বাক্য পাঠ কৰোৱায় নাজিৰা মহকুমাৰ মহকুমাধিপতি সব্যসাচী কাশ্যপে। বিধায়কজনে নিজৰ ভাষণৰ আৰম্ভণিতে সকলো সদস্যকে অভিনন্দন জ্ঞাপন কৰি আন্তৰিকতাৰে আৰু কাম কৰা মানসিকতাৰে কৰ্ম ক্ষেত্ৰত অৱতীৰ্ণ হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে নিৰ্বাচন অনুষ্ঠিত নোহোৱালৈকে এজন প্ৰাৰ্থীয়ে কেৱল দলক প্ৰতিনিধিত্ব কৰে, কিন্তু নিৰ্বাচিত হোৱাৰ পাছত তেওঁ কেৱল দলৰ হৈ নাথাকে,ৰাইজৰ প্ৰতিনিধি হৈ পৰে। সেইবাবে সকলো সদস্যকে তেওঁ জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈ যোৱাৰ কথা অনুধাৱন কৰিবলৈ অনুৰোধ জনায়। তেওঁ উল্লেখ কৰে যে যিকোনো ১৩ পৃষ্ঠাত চাওক

# নগাঁও জিলা কৃষি বিভাগৰ ফলমূল সংৰক্ষণমূলক প্ৰশিক্ষণ শিবিৰ সম্পন্ন



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৬ জুলাই ঃ** নগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত জিলা সমূহীয়া ফলমূল সংৰক্ষণ কেন্দ্ৰ আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত যোৱা ১১ জুলাইৰ পৰা অনুষ্ঠিত নগাঁও আৰু মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ পৰা ২১গৰাকী উদ্যমী মহিলা আৰু যুৱকক লৈ অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। এই প্ৰশিক্ষণৰ মূল বিষয়বস্তু আছিল ফলমূল সংৰক্ষণ আৰু জাম, জেলি, চৰবত, আচাৰ, চচ আদি প্ৰস্তুতকৰণ। প্ৰশিক্ষণৰ অন্তত আজি জিলা কৃষি বিষয়া তৰুণ হাজৰিকাই প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰে। উক্ত অনুষ্ঠানত জিলা কৃষি বিষয়া হাজৰিকাই প্ৰশিক্ষাৰ্থীসকলক উদ্দেশি কয় যে এই বতৰৰ সময়ত অসমৰ কৃষকৰ বাৰীবিলাকত ফলমূলসমূহ উভৈনদী হৈ লাগে। কিন্তু সংৰক্ষণৰ অভাৱত তাৰ ৩০ শতাংশ বতৰৰ ফলমূলসমূহ নষ্ট হৈ যায়। গতিকে অসমৰ উদ্যোগী মহিলা তথা যুৱপ্ৰজন্মই এনে ধৰণৰ প্ৰশিক্ষণৰ জৰিয়তে বতৰৰ বিভিন্ন ফলমূলৰ চৰবত, জাম, জেলি, আচাৰ বনাই ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলি ঘৰখনৰ চাহিদা পূৰণ কৰাৰ লগতে এই খাদ্যসমূহ বিক্ৰীৰ দ্বাৰা আৰ্থিকভাৱে উপকৃত ১৩ পৃষ্ঠাত চাওক

# জ্যেষ্ঠ নাগৰিকক গোৱালপাৰা উপায়ুক্ত কাৰ্যালয়ৰ নাজিৰৰ দুৰ্ব্যৱহাৰ

## ■ জিলা উপায়ুক্তক লিখিত অভিযোগ জিলা জ্যেষ্ঠ নাগৰিক সন্মিলন আৰু পেঞ্চনাৰ সন্থাৰ ■ সংবাদমেলযোগে তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৬ জুলাই ঃ** জ্যেষ্ঠ নাগৰিক সন্মিলন আৰু চৰকাৰী পেঞ্চনাৰ সন্থাৰ সজাঁতী দলক গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ নাজিৰ প্ৰবীৰ কুমাৰ দেৱনাথে দুৰ্ব্যৱহাৰ কৰা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। নাজিৰগৰাকীৰ দুৰ্ব্যৱহাৰত জাণ্ডুৰ খাই উঠা গোৱালপাৰা জিলা জ্যেষ্ঠ নাগৰিক সন্মিলন আৰু পেঞ্চনাৰ সন্থাই কালি জিলা উপায়ুক্তক লিখিত অভিযোগ দাখিলৰ উপৰি গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ সভাকক্ষত এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ সভাপতি তথা জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ভাৰপ্ৰাপ্ত সভাপতি হৰমুজ আলীয়ে কয় যে গোৱালপাৰা জিলা চৰকাৰী পেঞ্চনাৰ সন্থা তথা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ গৃহটোৰ মেৰামতি আৰু দেৱাল নিৰ্মাণৰ ফাইলৰ কামৰ অগ্ৰগতিৰ বিষয়ে জানিবলৈ কালি জিলা উপায়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ নাজিৰ প্ৰবীৰ কুমাৰ দেৱনাথক সাক্ষাৎ কৰে আৰু ফাইলৰ অগ্ৰগতিৰ কথা সোধাৰ লগে লগে খঙত অগ্নিশৰ্মা হৈ টেবুলত ভুকিয়াই ভুকিয়াই বিভিন্ন অশ্লীল ভাষাৰে গালি-গালাজ পাৰে। নাজিৰৰ এনে দুৰ্ব্যৱহাৰত হতভম্ব হৈ পৰে ১৩ পৃষ্ঠাত চাওক

# '৬০ বছৰ পাৰ কৰা ব্যক্তিসকল জ্যেষ্ঠ নাগৰিকহে, বুঢ়া নহয়'

## ■ নিত্যানন্দ আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ অধিবেশন সম্পন্ন

**পাটাছাৰকুছি, ১৬ জুলাই ঃ** যাঠি বছৰ অতিক্ৰম কৰা ব্যক্তিসকল জ্যেষ্ঠ নাগৰিকহে, বুঢ়া নহয়। প্ৰত্যেকেই কমেও এশ বছৰ জীয়াই থকা বাবে নিজকে প্ৰস্তুত কৰিব লাগিব। ইয়াৰ বাবে প্ৰয়োজন শৰীৰে বিচৰা সুষম আহাৰ, নিয়ম অনুসৰি নিয়মিত শ্ৰম, জিৰণি আৰু এক পবিত্ৰ প্ৰফুল্ল মন। ১২ জুলাইত শ্ৰীশ্ৰীদামোদৰদেৱ সেৱা সত্ৰ, বজালী প্ৰেক্ষাগৃহত অনিল কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত নিত্যানন্দ আঞ্চলিক জ্যেষ্ঠ নাগৰিকৰ তৃতীয় দ্বিবাৰ্ষিক অধিবেশনৰ মুকলি সভাত নিৰ্দ্দিষ্ট বক্তাৰ ভাষণত মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ হিতেশ তালুকদাৰে এনেদৰে কয়। বিশিষ্ট অতিথিৰ ভাষণত বজালী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ড° জগন্নাথ পাটগিৰিয়ে কয় যে জ্যেষ্ঠ নাগৰিকসকলে সামাজিক দায়বদ্ধতা পালনৰ জৰিয়তে ভৱিষ্যৎ প্ৰজন্মৰ পথ প্ৰদৰ্শকৰূপেও কাম কৰিব লাগিব। এই উপলক্ষে পুৱা সন্মিলনৰ পতাকা উত্তোলন কৰে সভাপতি অনিল কুমাৰ দাসে, বন্তি প্ৰজ্বলন কৰে তিলক চন্দ্ৰ মেধি আৰু ডিম্বেশ্বৰ দাসে। স্মৃতি তৰ্পণ কৰে কৰুণা কান্ত বৰ্মণ, ফুকন পাঠক, মাধৱ চন্দ্ৰ কলিতা আৰু ভাৰত চন্দ্ৰ কলিতাই। গছপুলি ৰোপণ কৰে শশীমোহন কলিতা, বীৰেন্দ্ৰ বৰ্মন আৰু অৰবিন্দ দাসে। মুকলি সভাত বৰ্ষীয়ান ব্যক্তি সু-অভিনেতা নাৰায়ণ চন্দ্ৰ খাটনিয়াৰ, ভলীবল খেলুৱৈ ডিম্বেশ্বৰ বৰ্মন আৰু দাতা মীনাকুমাৰী বৰ্মণক সম্বৰ্ধনা জনোৱা হয়। কেন্দ্ৰীয় পৰ্যবেক্ষক প্ৰবোধ চন্দ্ৰ শৰ্মাৰ উপস্থিতিত চতুৰ্থ দ্বি-বাৰ্ষিক কাৰ্যকালৰ বাবে অনিল কুমাৰ দাসকেই সভাপতি সুৰেদ্ৰ নাথ পাঠকক সাধাৰণ সম্পাদক, তিলক চন্দ্ৰ মেধিক কাৰ্যকৰী সভাপতি, অচ্যুত চন্দ্ৰ দাসক উপসভাপতি, ফুলেদ্ৰ কুমাৰ নাথক সহকাৰী সম্পাদক, কনক চন্দ্ৰ নাথক সাংগঠনিক সম্পাদক, মাধৱ চন্দ্ৰ কলিতাক বিত্ত সম্পাদক, ১০ গৰাকী সদস্য-সদস্যা, জীৱন ভূঞা আৰু ভূপেদ্ৰ কুমাৰ বৰ্মণক হিচাপ পৰীক্ষক হিচাপে লৈ নতুন কমিটী গঠন কৰা হয়।

# বৰপথাৰত উদ্ধাৰ অচিনাক্ত প্ৰৌঢ় মহিলাৰ মৃতদেহ

**বৰপথাৰ, ১৬ জুলাইঃ** গোলাঘাট জিলাৰ বৰপথাৰত উদ্ধাৰ হৈছে উৰ্ধ্বৰ অচিনাক্ত বৃদ্ধাৰ মৃতদেহ। উল্লেখ্য যে বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত গেলাবিল হিন্দী মধ্য ইংৰাজী বিদ্যালয়ত উদ্ধাৰ হয় বৃদ্ধাগৰাকীৰ মৃতদেহ। প্ৰণিধানযোগ্য যে আজি কিছুদিন পূৰ্বৰে পৰা গেলাবিল অঞ্চলৰ আশে-পাশে বৃদ্ধাগৰাকীয়ে দিনৰ ভাগত ঘূৰি ফুৰি ৰাতি হ'লে বিদ্যালয়খনতে আশ্ৰয় লোৱাৰ কথা জানিবলৈ দিয়ে স্থানীয় লোকে। তদুপৰি বৃদ্ধাগৰাকীক আহাৰ-পানীৰো যোগান ধৰিছিল স্থানীয়লোকে। আনদিনাৰ দৰে যোৱা নিশাও বৃদ্ধাগৰাকীয়ে গেলাবিলৰ উক্ত বিদ্যালয়খনতে আছিল। পুৱা খাদ্য যোগান ধৰিবলৈ যোৱা লোকে বৃদ্ধাগৰাকীক মৃত অৱস্থাত প্ৰত্যক্ষ কৰি গাঁওৰক্ষী বাহিনীক খবৰ দিয়ে। স্থানীয়লোকে গাঁওৰক্ষী বাহিনীৰ জৰিয়তে ঘটনা সম্পৰ্কে আৰক্ষীক অৱগত কৰে। খবৰ পাই ঘটনা স্থলীত উপস্থিত হয় বৰপথাৰ আৰক্ষী।

# মৰিগাঁও জিলাৰ ঝাৰগাঁও বজাৰত আৰক্ষী-যোগান বিভাগৰ অভিযান

## মৰিগাঁও জিলাৰ ঝাৰগাঁও বজাৰত আৰক্ষী-যোগান বিভাগৰ অভিযান

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ১৬ জুলাই ঃ** কালি মৰিগাঁও জিলাৰ ঝাৰগাঁও বজাৰত আজি ম্যাদ উকলি যোৱা শীতল পানীয় বিক্ৰী কৰা ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান চলায় আৰক্ষী আৰু যোগান বিভাগে। ঝাৰগাঁও বজাৰত স্নেহা মিঠাই দোকান নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানত চলোৱা অভিযানত ম্যাদ ওউলি যোৱা ফান্টা কোম্পানীৰ ২৩ বটল শীতল পানীয় জব্দ কৰা লগতে স্বাস্থ্যলৈ ভাবুকি কঢ়িয়াই নিম্নমানৰ ম্যাদ উকলি শীতল পানীয় বিক্ৰীৰ অভিযোগত অনিমেষ দাস নামৰ ব্যৱসায়ীজনক সোধ-পোছৰ বাবে আটক কৰে। প্ৰাপ্ত তথ্য অনুসৰি, কালি দুপৰীয়াৰ ভাগত গৰমৰ পৰা সাময়িক সকাহ পাবৰ বাবে মায়ং আঞ্চলিক ছাত্ৰ সন্থাৰ দুজন সদস্যই উক্ত দোকানখনৰ পৰা শীতল পানীয় ফান্টা ক্ৰয় কৰি সেৱন কৰাত বিসংগতি পোহৰলৈ আহে। তাৰ পাছতেই বটলসমূহ পৰীক্ষা কৰোতে উক্ত শীতল পানীয়ৰ বটলসমূহ ম্যাদ উকলি যোৱা সত্বেও বিক্ৰী কৰি থকা গুৰুতৰ অনিয়ম ধৰা পৰে। আছুৰ সদস্য দুজনে উক্ত ম্যাদ উকলি যোৱা শীতল পানীয়সমূহ পেলাই দিবলৈ স্বত্বাধিকাৰী অনিমেষ দাসক পৰামৰ্শ দিছিল যদিও আঁকোৰগোঁজ হৈ থাকে। তেতিয়া আছুৰ সদস্য দুজনে মৰিগাঁও জিলা আছুৰ নেতৃত্বৰ যোগাযোগ কৰি আৰক্ষী আৰু যোগান বিভাগক খবৰ দিয়া হয়। উক্ত খবৰৰ ভিত্তিত জাগীৰোড থানাৰ আৰক্ষী আৰু যোগান বিভাগৰ লোক উপস্থিত হৈ উক্ত মিঠাই দোকানখনত থকা ম্যাদ উকলি যোৱা ২৩ টা ফান্টাৰ বটল জব্দ কৰাৰ লগতে স্বত্বাধিকাৰ অনিমেষ দাসকো সোধ-পোছৰ বাবে আটক কৰে। উল্লেখ্য যে ঝাৰগাঁও বজাৰত স্নেহা মিঠাইৰ দোকানত দীৰ্ঘদিন ধৰি নিম্নমানৰ শীতল পানীয় ব্যৱসায় কৰি আহিছে বুলি অভিযোগ উত্থাপিত হৈছে। আনহাতে, মৰিগাঁও জিলা ছাত্ৰ সন্থাই উক্ত ম্যাদ উকলি যোৱা শীতল পানীয় বিক্ৰী কৰি জনস্বাস্থ্যলৈ ভাবুকি কঢ়িয়াই অনা কাৰ্যৰ উচিত তদন্ত তদন্তৰ দাবী কৰা লগতে উক্ত নিম্নমানৰ শীতল পানীয়ৰ বটল কোনে ক'ৰ পৰা যোগান ধৰি আছে, সেইসকলক চিনাক্ত কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী আৰু যোগান বিভাগক দাবী জনাইছে।

# প্ৰত্যাহ্বানসমূহ নেওচি ছাত্ৰ-ছাত্ৰীসকল কেনেদৰে আগবাঢ়িব তাৰ আখৰা আৰম্ভ

## ■ নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিশেষ অভিনন্দন অনুষ্ঠান

**নাহৰকটীয়া, ১৬ জুলাই ঃ** নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত প্ৰতি বছৰৰ দৰে এইবছৰো ছাত্ৰ সন্থাৰ শিক্ষা নীতি অনুসৰি উচ্চ আৰু উচ্চতৰ মাধ্যমিক কলা, বাণিজ্য, বিজ্ঞান আৰু কাৰিকৰী শাখা শিক্ষান্ত পৰীক্ষা ২০২২ত সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনা কৃতী ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে অভিনন্দন জনোৱাৰ উদ্দেশ্যে কালি নাহৰকটীয়া নতুন উচ্চ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত 'বিশেষ অভিনন্দন অনুষ্ঠান'ৰ আয়োজন কৰে। কাৰ্যসূচী অনুসৰি, পুৱা ১০ বজাত সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ঋতুপণ গগৈয়ে, ছহিদ তৰ্পণ কৰে নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল প্ৰতিম গগৈয়ে। সভাৰ স্বাগত অভিভাষণ প্ৰদান কৰে নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক জিৎ দাসে। অভিনন্দন অনুষ্ঠান উদ্বোধন কৰে নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড°

# ডিগবৈ বালিজানত শিশু ভাওনাৰ কৰ্মশালাৰ সামৰণি

**ডিগবৈ, ১৬ জুলাই ঃ** তৈলনগৰী ডিগবৈ চহৰৰ পাৰ্শ্ব উপকণ্ঠ বালিজান ৰাজহুৱা প্ৰেক্ষাগৃহত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ অপূৰ্ব সৃষ্টি ভাওনা সংস্কৃতিক নৱপ্ৰজন্মৰ মাজত প্ৰচাৰ প্ৰসাৰ কৰাৰ উদ্দেশ্যে প্ৰতিভা আত্মসহায়ক গোট, ত্ৰিভংগ সাংস্কৃতিক মঞ্চৰ উদ্যোগত বালিজান-বৰজান শাখা সাহিত্য সভাৰ সহযোগত এখন শিশু ভাওনাৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। ১৫দিনীয়াকৈ আয়োজন কৰা শিশু ভাওনা কৰ্মশালা ডিগবৈ চহৰৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ ৪০জনৰো অধিক শিশুৱে কৰ্মশালাত অংশগ্ৰহণ কৰে। অসম শ্ৰেষ্ঠ বায়নৰ সন্মানপ্ৰাপক দীপাংকৰ শৰ্মাৰ পৰিচালনাত কৰ্মশালাত শিশুসকলে ভাওনাৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। কৰ্মশালাৰ সামৰণি অনুষ্ঠানত প্ৰশিক্ষণ গ্ৰহণ কৰা শিশুসকলে এখন ভাওনা প্ৰদৰ্শন কৰি দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হয়। ছৰ পৰা ১৬ বছৰ বয়সৰ শিশুসকলে অভিনয় কৰা ভাওনাখনৰ নিখুঁত অভিনয় প্ৰদৰ্শনে মুগ্ধ কৰি তোলে সকলোকে। ভাওনা প্ৰদৰ্শন অনুষ্ঠান উদ্বোধন কৰে জোনমণি চেতিয়া নামলগোৱাই। ভাওনাত মুখ্য বায়ন দীপাংকৰ শৰ্মা, মুখ্য গায়ক লক্ষী বৰা, বিষ্ণু ফুকন, বিকাশ শৰ্মা, অভিনাশ বড়া, গৌৰৱ বড়া, খামচেং চেতিয়াসহ আয়োজক সমিতিৰ সভাপতি জয়া কোঁৱৰ, সম্পাদিকা জিতাশ্ৰী বৰবড়া দাস, বালিজান বৰজান শাখা সাহিত্য সভাৰ সম্পাদক ক্ষীৰেশ্বৰ শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। গুৰুজনাৰ অমৰ সৃষ্টি ভাওনা সংস্কৃতিক ধৰি ৰখাৰ বাবে আয়োজন কৰা এই প্ৰচেষ্টাক সকলোৱে শলাগ লয়।

### অনুষ্ঠানত শিশুসকলৰ দ্বাৰা ভাওনা প্ৰদৰ্শন

# জ্যেষ্ঠ সাংবাদিক আবুবক্কৰ ছিদ্দিকীৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ১৬ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ শ্ৰীৰামপুৰৰ বাসিন্দা তথা জ্যেষ্ঠ সাংবাদিক আবুবক্কৰ ছিদ্দিকী (৫৭) ৰ যোৱা নিশা চেন্নাইৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। তেওঁৰ মৃত্যুৰ বাতৰি লাভ কৰাৰ পাছত শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশৰ লগতে সমবেদনা জ্ঞাপন কৰা হয়। শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ সভাপতি স্বপন কুমাৰ এছৰ সভাপতিত্বত শোকসভাত সাংবাদিকজনৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে ছিদ্দিকীৰ শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনোৱা হয়। শোকসভাত উপস্থিত শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ মুখ্য উপদেষ্টা তথা প্ৰয়াত ছিদ্দিকীৰ লগত একেলগে সাংবাদিকতা কৰা জ্যেতিপ্ৰকাশ তালুকদাৰে অতীতৰ স্মৃতি ৰোমন্থন কৰি আবেগবিহ্বল হৈ পৰে। উল্লেখ্য যে ছিদ্দিকীৰ ইংৰাজী ভাষাত আছিল অগাধ জ্ঞান। তেওঁ ১৯৯৭ৰ পৰা 'দি ছেন্টিনেল' কাকতত দুটা দশক সাংবাদিকতা কৰাৰ পাছত মৃত্যুৰ আগ লৈকে 'আছাম প'ষ্ট' কাকতত সাংবাদিকতা কৰি আহিছিল। তেওঁৰ নেতৃত্বত গোসাঁইগাঁও প্ৰেছ ক্লাব আজিৰ অৱস্থাত আহিবলৈ পাৰিছে বুলি কয় সাংবাদিক তালুকদাৰে। সুশিক্ষিত তথা ভদ্ৰ স্বভাৱৰ ছিদ্দিকীৰ মৃত্যু শ্ৰীৰামপুৰৰ সংবাদ জগতৰ বাবে অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰে সভাপতি স্বপন কুমাৰ এছে। শোকসভাত শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ উপ-সভাপতি ১৩ পৃষ্ঠাত চাওক

# মঙলদৈ জিলা পুথিভঁৰালৰ শ্মশান যাত্ৰাত উদ্বিগ্ন জাতীয় দল-সংগঠন

## ■ দোষী বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১৬ জুলাই ঃ** মঙলদৈ চহৰৰ প্ৰাণকেন্দ্ৰ স্বৰূপ মঙলদৈ নাট্য মন্দিৰৰ সমীপত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত অৱস্থিত দৰং জিলা পুথিভঁৰালটো চৰকাৰৰ উদাসীনতা আৰু বিষয়া-কৰ্মচাৰীৰ গাফিলতিত সম্প্ৰতি মৃত্যুৰ মুখলৈ গতি কৰিছে। কাৰ্যালয়টোৰ কৰ্মচাৰীসকলৰ অদূৰদৰ্শিতা আৰু হেমাহিৰ বাবে দিনে দিনে কমি আহিছে পঢ়ুৱৈৰ সংখ্যা। পূৰ্বে গ্ৰন্থ অধ্যয়নৰ বাবে জিলাখনৰ বিভিন্ন প্ৰান্তৰ লোকসকল অহাৰ লগতে ছাত্ৰ-ছাত্ৰীৰে পৰিপূৰ্ণ হৈ থকা পুথিভঁৰালটোত এতিয়া নাই পঢ়ুৱৈ। কোনোবা দিনা পঢ়ুৱৈ শূন্য হৈ পৰাও পৰিলক্ষিত হৈছে। আনকি পূৰ্বে ছয়খনকৈ দৈনিক বাতৰি কাকত থকা পুথিভঁৰালটোত এতিয়া নাই এখনো দৈনিক কাকতো। পূৰ্বে বহু লোকে দৈনিক কাকতখন চাবলৈ হ'লেও পুথিভঁৰালটোলৈ আহিছিল। সম্প্ৰতি পুথিভঁৰালটোত আছে সাতজন কৰ্মচাৰী। জিলা গ্ৰন্থাগাৰিকৰ পদটো এবছৰে খালী হৈ থকাত শোণিতপুৰ জিলাৰ গ্ৰন্থাগাৰিক জয়শ্ৰী দেৱী অতিৰিক্ত দায়িত্বত থাকি মঙলদৈৰো কাম চলাই আছে। কিন্তু এই পুথিভঁৰালটোৰ প্ৰতি তেওঁৰ কোনো আগ্ৰহ বা দায়িত্ববোধ দেখা নাই। ফলত যেনে তেনে চলিছে পুথিভঁৰালটো। আনহাতে, সহকাৰী জিলা গ্ৰন্থাগাৰিক সোমনাথ ভট্টাচাৰ্য দৈনিক জিলা সদৰৰ বাহিৰৰ পৰা অৰ্থাৎ গুৱাহাটীৰ পৰা অহা-যোৱা কৰাৰ বাবে সময় মতে কাৰ্যালয়ত উপস্থিত নথকাৰ অভিযোগ উত্থাপিত হৈছে। পুথিভঁৰালটোৰ উচ্চ বৰ্গৰ সহায়ক লক্ষ্য হীৰা দেৱীয়ে সকলো চম্ভালি আছে যদিও তেওঁ কাৰ্যালয়ত নিয়মীয়া নহয় বুলি অভিযোগ আছে। তদুপৰি কাৰিকৰী সহায়ক দীপক দাস, কাউণ্টাৰ সহায়ক দিলু প্ৰসাদ দাস আৰু মানস শৰ্মা কাম নথকাৰ অজুহাতত কাৰ্যালয়ত নিয়মীয়া নহয়। কাৰ্যালয়ত থকা মুকুন্দ শৰ্মাই হৈছে পুথিভঁৰালটোৰ সৰ্বেসৰ্বা। তেৰেঁই স্থানীয় লোক। পিছে তেওঁৰ আছে পঢ়ুৱৈ, ছাত্ৰ-ছাত্ৰীক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ। আন জিলাত বদলি হৈ থকা শৰ্মাক লৈ অসন্তুষ্ট বহু লোক।

অভিযোগ অনুসৰি মঙলদৈ জিলা পুথিভঁৰাল বৰ্তমানৰ বিষয়া-কৰ্মচাৰীসকলৰ অদক্ষতা, অৱহেলা, পঢ়ুৱৈ আৰু ছাত্ৰ-ছাত্ৰীক কৰা দুৰ্ব্যৱহাৰ আদি বেমেজালিৰ মাজেৰেই চলি আছে পুথিভঁৰালটো। ফলত দ্ৰুতগতিত কমি আহিছে পঢ়ুৱৈৰ সংখ্যা।

আনকি আজিৰ তাৰিখত পুথিভঁৰাল গ্ৰাহকৰ বাবে ৰাখিব লগা পৰিচয় পত্ৰৰ বাবে প্ৰ-পত্ৰ এখনো নাই বিষয়া-কৰ্মচাৰীৰসকলৰ লগত। আনহাতে, কিতাপ ৰখা আলমাৰী, পঢ়ুৱৈ বহা টেবুল-চকী ধূলিময়-লেতেৰা হৈ পৰিছে। কৰ্মচাৰীসকলৰ ১৩ পৃষ্ঠাত চাওক

# দলিলুদ্দিন আহমেদৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**দিচাংমুখ, ১৬ জুলাইঃ** দিচাংমুখ ডেকাবৰবৰুৱা পথৰ কাষৰ কুকুৰাপহীয়া গাঁৱৰ নিৱাসী তথা ধৰ্মপ্ৰাণ ব্যক্তি দলিলুদ্দিন আহমেদৰ (দিলীপ) (৫৯)ৰ যোৱা ১৪ জুলাইৰ আবেলি শিৱসাগৰ অসামৰিক চিকিৎসালয়ত বহুমূত্ৰ ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত মাতৃসহ চাৰিজন ভ্ৰাতৃ আৰু এগৰাকী ভগ্নীক এৰি গৈছে। তেওঁৰ মৃত্যুত অঞ্চলটোত এক শোকৰ ছাঁ পৰিছে।

## বৰপেটাৰোডত পুনৰ সুৰাৰ দোকানৰ মুকলি বিৰোধ পৌৰপতিৰ

### শ্ৰীমন্ত শংকৰদেৱ যুৱ মঞ্চৰ ৰাজ্যিক সাধাৰণ সম্পাদকৰ প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**

**বৰপেটাৰোড, ১৬ জুলাই ঃ** বৰপেটাৰোড পৌৰ অঞ্চলত নতুনকৈ সাতখনকৈ সুৰাৰ দোকান স্থাপনৰ বিৰোধিতা কৰিব বৰপেটাৰোড পৌৰসভাৰ সভাপতি ৰাজেশ সৰকাৰে। আজি এক সংবাদমেলত তেওঁ স্পষ্ট কৰি কয় যে পৌৰপতি হিচাপে শপত লোৱা দিন ধৰি বৰ্তমানলৈ তথা ভৱিষ্যতলৈ তেওঁ কোনো কাৰণতে বিলাতী সুৰাৰ দোকানৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ আপত্তিবিহীন প্ৰমাণপত্ৰ প্ৰদান কৰা নাই আৰু নকৰেও। ৰপেটাৰোডত পৌৰ ব’ৰ্ডে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পূৰ্বে যি আপত্তিবিহীন প্ৰমাণপত্ৰ প্ৰদান কৰা হৈছে সেয়া কাৰ্যবাহী বিষয়াই দিয়া আৰু এই বিষয়টো তেওঁ আবকাৰী মন্ত্ৰী আৰু বিভাগত আপত্তি প্ৰদৰ্শন কৰিব। ৰাজেশ সৰকাৰে কয় যে সমন্বয় নগৰী বৰপেটাৰোডক তেওঁৰ দিনত সুৰাৰ নগৰীলৈ পৰিণত নকৰে। ইপিনে, কালি অনুষ্ঠিত পৌৰ ব’ৰ্ডৰ সভাত একাংশ ৱাৰ্ড কমিছনাৰে এই বিষয়টো সংবাদ মাধ্যমত প্ৰকাশ কৰি গোপনীয়তা ভংগ কৰা বুলি পৌৰপতি ৰাজেশ সৰকাৰে উত্থাপন কৰে আৰু তেওঁৰ লগতে বাকী ছয়জন ৱাৰ্ড কমিছনাৰেও পৌৰ অঞ্চলত মদৰ দোকানৰ বিৰোধিতা কৰা বুলি উল্লেখ কৰে। ইপিনে, এনে বিতৰ্কৰ সময়তে শ্ৰীমন্ত শংকৰদেৱ যুৱ মঞ্চৰ ৰাজ্যিক সাধাৰণ সম্পাদক অপূৰ্ব অধিকাৰীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। অধিকাৰীয়ে এই বিষয়টো লৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি বৰপেটাৰোডত নতুনকৈ স্থাপন কৰিব খোজা সাতখন বিলাতী সুৰাৰ দোকানৰ অনুমতি যাতে বাতিল কৰা হয় তাক দাবী জনাব বুলিও উল্লেখ কৰিছে। আনহাতে, বৰপেটাৰোডৰ প্ৰাক্তন পৌৰপতি প্ৰয়াত বিদ্যানন্দ চৌধুৰীয়ে মদৰ দোকানৰ অনুজ্ঞাপত্ৰ বন্ধ ৰখাৰ পাছতো সেই প্ৰস্তাৱ কিয় উলংঘা কৰা হ’ল তাক প্ৰশ্ন তুলি শ্ৰীমন্ত শংকৰদেৱ যুৱ মঞ্চৰ ৰাজ্যিক সাধাৰণ সম্পাদকজনে এই সন্দৰ্ভত তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি সমগ্ৰ বিষয়টোৰ ওপৰত এক উচ্চ পৰ্যায়ৰ তদন্ত কৰাৰ বাবেও দাবী জনাব বুলি কয়।

## জাতিৰ পিতা মহাত্মা গান্ধীৰ আদৰ্শ

*১২ পৃষ্ঠাৰ পৰা* সামাজিক কাম কৰাৰ পূৰ্বতে, সমাজৰ আটাইতকৈ দুখীয়াজন উপকৃত হৈছে নে নাই সেই কথা সাৰোগত কৰি সদস্যসকল নিজ নিজ কামত আগবাঢ়ি যোৱা উচিত লগতে ‘চিটি ডেভেলপমেন্ট প্লেন’ত অন্তৰ্ভুক্ত হৈ থকা নিয়মাৱলীসমূহৰ ওপৰত আলোচনাত মিলিত হ’বলৈ সদস্যসকলক অনুৰোধ কৰে আৰু এনে কৰিলেহে চৰকাৰী পুঁজিৰ সৎ ব্যৱহাৰ হ’ব বুলি তেওঁ ব্যক্ত কৰে। উল্লেখ্য যে আজিৰ এই বৈঠকত বিধায়ক শইকীয়া আৰু মহকুমাধিপতি সব্যসাচী কাশ্যপে বিভিন্ন ৱাৰ্ডৰ সদস্যসকলৰ স’তে নাজিৰা মহকুমাৰ সমস্যাসমূহৰ বিষয়ে মত বিনিময় কৰে। সভাৰ অন্তত মহকুমাধিপতিয়ে সকলোকে ধন্যবাদ জ্ঞাপন কৰি কয় যে দুয়োখন পৌৰসভাই জাতি-ধৰ্ম নিৰ্বিশেষে কাম কৰিছে আৰু প্ৰত্যেকটো গঠনমূলক কাৰ্যত নাজিৰা মহকুমা প্ৰশাসনে দুয়োখন পৌৰসভাক সহায় কৰি যাব বুলি তেওঁ আশ্বাস প্ৰদান কৰে। আজিৰ বৈঠকত নাজিৰা আৰু শিমলুগুৰি পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকল, মহকুমা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

## নামতহে আছে ষ্ট্ৰীট লাইট, সন্ধিয়াতে

*১২ পৃষ্ঠাৰ পৰা* শিশুগাঁও পথটোৰ গুৰুত্ব অধিক হৈ পৰিছে। ইয়াৰ সমান্তৰালকৈ উক্ত পথটো অধিক ব্যস্ত হৈয়ো পৰিছে। কিয়নো এই পথটোৰে যাতায়াত কৰিলে বিমানযাত্ৰীসকলে এক অফুৰন্ত মাদকতা অনুভৱ কৰিব পাৰে। পথটো অতি নিৰিবিলি। তেনেস্থলত প্ৰতিদিনে পুৱাৰ পৰা নিশা পৰ্যন্ত এই পথটোৰে দেশী-বিদেশী বিমানযাত্ৰী কঢ়িওৱা অগণন যানবাহন চলাচল কৰে। কিন্তু পৰিতাপৰ কথা যে অতি গুৰুত্বপূৰ্ণ এই পথটো সন্ধিয়া হ’লেই অন্ধকাৰে আৱৰি ধৰে। পথটোত নাই কোনো ধৰণৰ ষ্ট্ৰীট লাইটৰ সু-ব্যৱস্থা। ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট কৰ্তৃপক্ষই বহু বছৰ পূৰ্বে উক্ত পথটোত সৌৰশক্তি চালিত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰিছিল যদিও সম্প্ৰতি ষ্ট্ৰীট লাইটসমূহ বিকল হৈ পৰিছে। ফলত এক অন্ধকাৰৰ মাজেৰে বিমানযাত্ৰীসকলে যাতায়াত কৰি আহিছে। অতি গুৰুত্বপূৰ্ণ এই পথটো পোহৰাই তোলাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট কৰ্তৃপক্ষই কোনো ব্যৱস্থা লোৱা নাই। ইপিনে, ধাৰাপুৰ চাৰিআলিৰ পৰা গড়ল চ’কলৈ একাংশ বালি ব্যৱসায়ীয়ে পথটোৰ দাঁতিত বালি দ’ম কৰি থোৱাৰ ফলত পথটো অধিক সংকুচিত হৈ পৰিছে। ইয়াৰ সমান্তৰালকৈ বালিভৰ্তি ট্ৰাকসমূহ পথটোৰ দাঁতিত ৰখাই থোৱাৰ ফলত ভয়ানক দুৰ্ঘটনা সংঘটিত হোৱাৰ আকাংশ প্ৰকট হৈ উঠিছে। তেনেক্ষেত্ৰত স্থানীয় সচেতন ৰাইজে উক্ত পথটোত ষ্ট্ৰীট লাইটৰ সু-ব্যৱস্থা কৰিবলৈ সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষৰ লগতে স্থানীয় বিধায়কজনক দাবী জনাইছে।

## জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন

*১২ পৃষ্ঠাৰ পৰা* গ্ৰহণ কৰি থকা দলৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সাংগঠনিক সম্পাদক, মৰিগাঁও জিলা সমিতিৰ প্ৰাক্তন সভাপতি, মৰিগাঁও জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ প্ৰাক্তন সম্পাদক, এজাৰবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, এজাৰা বাৰী আঞ্চলিক ৰাস মন্দিৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু কলংপৰীয়া সমন্বয় কলা পৰিষদৰ প্ৰাক্তন সভাপতি আদি কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স’তে জড়িত আছিল। ২০১৭ত অৱসৰ গ্ৰহণ কৰা দলৈৰে মৃত্যুৰ সময়ত মাতৃ, পত্নী, তিনিজন ভ্ৰাতৃ আৰু চাৰিজন পুত্ৰক এৰি যায়। তেওঁৰ মৃত্যুত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ কেন্দ্ৰীয় সমিতি সাংগঠনিক সম্পাদক ললিত চন্দ্ৰ পাচনি, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য মমিন চন্দ্ৰ দাস, পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি জ্যোতিৰ্ময় গোস্বামী, জিলা যুটিয়া সম্পাদক স্বজল সূত্ৰধৰ, এজাৰবাৰী আঞ্চলিক সমিতি সভাপতি ৰূপেশ্বৰ ডেকা, সাধাৰণ সম্পাদক নেলছন দলৈয়ে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ইফালে, দলৈৰ মৃত্যুত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, সম্পাদক জিতুমনি নাথ, সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অজিত শৰ্মা, মৰিগাঁও জিলা মধ্য ইংৰাজী শিক্ষক সন্থাৰ সভাপতি আব্দুল মান্নান, এজাৰ বাৰী হাইস্কুলৰ প্ৰধান শিক্ষক বাবুল ডেকা, তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য খগেন চন্দ্ৰ বৰদলৈ, বঘৰা সমবায় সমিতিৰ সভাপতি খগেন চন্দ্ৰ বৰদলৈকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## জ্যেষ্ঠ নাগৰিকক গোৱালপাৰা উপায়ুক্ত

*১২ পৃষ্ঠাৰ পৰা* প্ৰতিনিধিৰ দলটোৱে। পাছত উক্ত ঘটনাক লৈ এক হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। অৱশেষত ফাইলৰ কাম অগ্ৰগতিৰ বিষয়ে অৱগত কৰে। জ্যেষ্ঠ নাগৰিকসকলক এগৰাকী নাজিৰে এনে দুৰ্ব্যৱহাৰ কৰা বিষয়টো সহজভাৱে মানি ল’ব পৰা নাই ২৬ বছৰ পূৰ্বে প্ৰশাসনিক বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰা ৮৬ বছৰীয়া হৰমুজ আলীয়ে। ইপিনে, চৰকাৰী পেঞ্চনাৰ সন্থাৰ সম্পাদক ৰণজিৎ কুমাৰ শৰ্মাই সংবাদমেলত কয় যে কালি জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ নাজিৰে জ্যেষ্ঠ নাগৰিকসকলক যি ধৰণে দুৰ্ব্যৱহাৰ কৰিলে এয়া অতি দুৰ্ভাগ্যজনক। সাধাৰণ বিষয় এটা জানিবলৈ যোৱাত জ্যেষ্ঠ নাগৰিকক দুৰ্ব্যৱহাৰ কৰা নাজিৰে সাধাৰণ লোকক কেনে ধৰণে ব্যৱহাৰ কৰে সেয়া সহজেই অনুমান কৰিব পাৰি। নাজিৰগৰাকীয়ে জিলা উপায়ুক্ত কাৰ্যালয়লৈ যোৱা লোকক প্ৰায়ে দুৰ্ব্যৱহাৰ কৰে বুলি এক গুৰুতৰ অভিযোগ উত্থাপন কৰে শৰ্মাই। তেওঁ আৰু কয় যে আমি নাজিৰগৰাকীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে জিলা উপায়ুক্তক এখনি স্মাৰকপত্ৰ প্ৰদান কৰিছো। অতি শীঘ্ৰে দুৰ্নীতিগ্ৰস্ত নাজিৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰিলে তীব্ৰ আন্দোলন গঢ়ি তোলা হ’ব বুলি সংবাদমেলত উল্লেখ কৰে। সংবাদমেলত জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক তথা জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ উপদেষ্টা বীৰেন্দ্ৰ কুমাৰ ওজা আৰু জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰতিনিধি ইউছুফ আলীয়েও নাজিৰগৰাকীৰ দুৰ্ব্যৱহাৰত অতিষ্ঠ হৈ ইয়াৰ পূৰ্বে কোনো এটা কাৰ্যালয়ৰ কৰ্মচাৰীয়ে এনেধৰণৰ ব্যৱহাৰ কৰা দেখা নাই বুলি উল্লেখ কৰে। সেয়ে জিলা উপায়ুক্তক দাবী জনায় যাতে অতি শীঘ্ৰে ৰাইজৰ লগত ব্যৱহাৰ নজনা নাজিৰগৰাকীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰে। অন্যথা তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি সংবাদমেলত উপস্থিত থকা চাৰিওগৰাকী জ্যেষ্ঠ নাগৰিকে হুংকাৰ দিছে। অৱশ্যে এই বাতৰি যুগুতোৱাৰ সময়ত নাজিৰগৰাকীৰ মন্তব্য জানিব পৰা হোৱা নাই।

## মঙলদৈ জিলা পুথিভঁৰালৰ শ্মশান

*১২ পৃষ্ঠাৰ পৰা* তালৈ নাই কোনো ভ্ৰূক্ষেপ। শিশুৰ বাবে থকা কোঠাটো এতিয়া মকৰা জাল, ধূলিৰে আৱৰি আছে। আজিৰ উচ্চ প্ৰযুক্তি আৰু ডিজিটেল যুগত গ্ৰন্থ অধ্যয়ন কমি অহা বুলি অভিযোগ আছে যদিও সাহিত্য সংস্কৃতিত আগবঢ়া মঙলদৈ চহৰত নতুনকৈ বহুকেইটা গ্ৰন্থ ভঁৰাল স্থাপনহে হৈছে। জিলা সাহিত্য সভা, মঙলদৈ মহাবিদ্যালয়, মঙলদৈ প্ৰেছ ক্লাব, গ্ৰামাঞ্চলৰ ক্লাবসমূহত স্থাপিত পুথিভঁৰালত ৰাইজে নিয়মীয়াকৈ গৈ গ্ৰন্থৰ সুবাস লোৱা দেখা গৈছে।

বিপৰীতে সাতজন চৰকাৰী কৰ্মচাৰী থকা গৰিমামণ্ডিত মঙলদৈ জিলা পুথিভঁৰালৰ মৃত্যুমুখী যাত্ৰাত উদ্বিগ্ন হৈ উঠিছে জাতীয় দল-সংগঠন তথা দৰঙীবাসী ৰাইজ। এই প্ৰসংগত সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা তথা আছুৰ বিত্তীয় সম্পাদক খনিন্দ্ৰ ৰাজবংশীয়ে হোমেন বৰগোহাঞিৰ এখন গ্ৰন্থৰ অধ্যয়নৰ বাবে দুজন ছাত্ৰক পুথিভঁৰালটোলৈ পঠাইছিল যদিও পুথিভঁৰালৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী এজনে দুৰ্ব্যৱহাৰ কৰি ওভতাই পঠোৱাত আছু ক্ষোভিত হৈ পৰিছে। আছুৰ কেন্দ্ৰীয় বিষয়ববীয়াজনে পঢ়ুৱৈসকলৰ প্ৰতি দায়বদ্ধতাহীন মঙলদৈ জিলা পুথিভঁৰালৰ সকলো বিষয়া-কৰ্মচাৰীকে শীঘ্ৰে আন জিলালৈ বদলি কৰি দক্ষ আৰু দায়বদ্ধ কৰ্মচাৰী নিযুক্তি দিবলৈ দাবী জনায়।

আনহাতে, একাংশ কৰ্মচাৰীৰ চূড়ান্ত অৱহেলা, সময়মতে কাৰ্যালয়ত উপস্থিত নথকা আৰু জিলাৰ বাহিৰৰ পৰা অহাটো নিয়মত পৰিণত হোৱাত দৰং জিলা সাহিত্য সভা, মঙলদৈ নাগৰিক মঞ্চ, মঙলদৈ প্ৰেছ ক্লাব, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, দৰং জিলা সমিতি আদি দল-সংগঠনে চৰকাৰ তথা জিলা প্ৰশাসনক কৰ্মচাৰীসকলৰ শীঘ্ৰেই ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। মঙলদৈ নাগৰিক মঞ্চৰ সভাপতি হৰেন বণিয়াই কয় যে জিলা পুথিভঁৰালটো মঙলদৈবাসীৰ এটি গৰিমামণ্ডিত অনুষ্ঠান। পূৰ্বে নিজৰ সন্তানক নি পুথিভঁৰালটো দেখুৱাই, গ্ৰন্থৰ লগত পৰিচয় কৰাই দি বহু অভিভাৱকে আনন্দ পাইছিল। পিছে আজি সেই পৰিৱেশ নাই। পুথিভঁৰালটোৰ এনে দুৰৱস্থাৰ বাবে দায়ী বিষয়া-কৰ্মচাৰীসকলৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি তেওঁ ক্ষোভ প্ৰকাশ কৰে। আনহাতে, যুৱ-ছাত্ৰ পৰিষদৰ উপ-সভাপতি ভবেশ কাকতিয়ে জিলা পুথিভঁৰালটো কেৱল সভা-সমিতি পতা অনুষ্ঠান বা ৰং ৰহইচ কৰা ক্লাব নকৰি গ্ৰন্থ অধ্যয়ন কৰা এক পৰিৱেশ সৃষ্টিৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দাবী জনায়। দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য চহিৰ ভূঞাই মৰ্যাদা সম্পন্ন মঙলদৈ জিলা পুথিভঁৰালটোৰ এই পুতৌলগা অৱস্থা দূৰ কৰি পূৰ্বৰ নিয়মীয়া অৱস্থা বাহাল কৰিবলৈ হ’লে স্থানীয় ৰাইজ আৰু বৌদ্ধিক মহলৰ লগতে চৰকাৰৰো সমান দায়িত্ব আছে।

## প্ৰত্যাহ্বানসমূহ নেওচি ছাত্ৰ-ছাত্ৰীসকল

*১২ পৃষ্ঠাৰ পৰা* জ্যোতি প্ৰসাদ কোঁৱৰে। ইয়াৰ পাছতেই ছাত্ৰ সন্থাৰ দৃষ্টিভংগী ব্যাখ্যা কৰে সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি বুলবুল দত্তই। অতিথিৰূপে উপস্থিত থকা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক গৌৰাংগ গগৈয়ে কৃতী ছাত্ৰ- ছাত্ৰীসকলক উদ্দেশি অভিনন্দনমূলক বক্তব্য দাঙি ধৰে। মুখ্য অতিথিৰূপে উপস্থিত থকা সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি কয় যে দুচকুত থকা দুৰ্বাৰ হেঁপাহ আৰু মনত উদ্যম লৈ সন্মুখত অহা প্ৰত্যাহ্বানসমূহ নেওচি ছাত্ৰ-ছাত্ৰীসকল কেনেদৰে আগবাঢ়িব তাৰ আখৰা এতিয়াৰ পৰাই আৰম্ভ হ’ব। কালিৰ এই অভিনন্দন অনুষ্ঠানত আমি একোখনকৈ ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ আৰু কিতাপৰ টোপোলাৰে তেওঁলোকক যি সন্মান যাচিম সেই সম্বৰ্ধনাৰ ভাৰ তেওঁলোকে বব পাৰিব লাগিব। ইয়াৰ ওজন কিন্তু বহুত। আমি বহু আশা প্ৰত্যাশাৰে এই সম্বৰ্ধনা জ্ঞাপন কৰিছো যাতে আহিব লগীয়া দিনত শিক্ষাৰে নিজৰ জীৱনটো উজলোৱাৰ লগতে আপোনালোকে সমাজখনৰ প্ৰতি দায়িত্ব পালন কৰি যাব পাৰে। নাহৰকটীয়াৰ বিভিন্ন চৰকাৰী-বেচৰকাৰী বিদ্যালয় মহাবিদ্যালয়ৰ পৰা উচ্চ আৰু উচ্চতৰ মাধ্যমিক কলা, বাণিজ্য, বিজ্ঞান আৰু কাৰিকৰী শাখা শিক্ষান্ত পৰীক্ষা ২০২২ত সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনা মুঠ ২২৫ গৰাকী কৃতী ছাত্ৰ- ছাত্ৰীক সম্বৰ্ধনা জনোৱা এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ আৰু কিতাপৰ টোপোলাৰ লগতে অভিভাৱকসকলক এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ঋতুপণ গগৈয়ে সভাপতিত্ব কৰা এই বিশেষ অভিনন্দন অনুষ্ঠানৰ সভখনত নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ পুলিন দিহিঙীয়া, ৰমেশ নাহৰ ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক সিদানন্দ বড়া, নাহৰকটীয়া নতুন উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিশ্ব মোহন চুতীয়া, সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক তচেন ডেকা, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অনিল গগৈ, সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অৱনী কুমাৰ গগৈ, নাহৰকটীয়াৰ ৰাজহ চক্ৰ বিষয়া শৰৎ গগৈ, জয়পুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ৰঞ্জিত বুঢ়াগোহাঁই,সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি জয়ন্ত কোঁৱৰ, শিক্ষা সম্পাদক মানস জ্যোতি চাংমাই, সাংগঠনিক সম্পাদক বিতোপন গগৈ, গোৰ্খা ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ সহকাৰী সম্পাদক পুষ্কৰ শৰ্মা, নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি নিপু ভূঞা, সহকাৰী সাধাৰণ সম্পাদক পংকজ দত্ত,সাগৰ গগৈকে ধৰি নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া, সদস্যসকল আৰু অভিভাৱকসকলৰ লগতে বিভিন্ন গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। সভাৰ অন্তত নাহৰকটীয়া অঞ্চলৰ অন্যতম ফুটবল একাডেমী পি,পি,এফ,এ ফুটবল একাডেমীৰ প্ৰশিক্ষণৰ সুবিধাৰ্থে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰ জ্যোতি বৰুৱাই একাডেমীৰ মুখ্য প্ৰশিক্ষক পিংকুমণি হাজৰিকাৰ হাতত আঠটাকৈ ফুটবল প্ৰদান কৰে। ইয়াৰ পাছতেই নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ নৱনিৰ্মিত ছহিদ ভৱনত নাহৰকটীয়া বালিজান নিৱাসী সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ মুঠ ৮০ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হোৱা পিতৃ-মাতৃহাৰা সবিতা ছেত্ৰীৰ লগতে অন্য তিনিগৰাকী মেধাৱী ছাত্ৰীক ইউনিফৰ্ম আৰু কিছু আৰ্থিক সাহায্য প্ৰদান কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই।

## বৰ্ষাশ্ৰী বুঢ়াগোহাঁইক মানসিক পৰিচৰ্যাৰ প্ৰয়োজন ঃ ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী

### ■ তৃণমূলৰ সাংসদ মহুৱা মৈত্ৰীক ক্ষমা খোজাৰ দাবী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ■ বাণ ষ্টেজৰ অৰ্কেষ্ট্ৰা দলৰ সংগীত শিক্ষক কুমুদ চন্দ্ৰ শৰ্মাৰ নেতৃত্বতেই ‘অ’ মোৰ আপোনাৰ দেশ’ৰ স্বৰলিপি প্ৰস্তুত হৈছিল

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**গুৱাহাটী, ১৬ জুলাই ঃ** পশ্চিমবংগৰ তৃণমূল কংগ্ৰেছৰ সাংসদ মহুৱা মৈত্ৰীয়ে গগৈ উপাধি আৰু উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈৰ সন্দৰ্ভত কৰা মন্তব্য তীব্ৰ ভাষাৰে গৰিহণা প্ৰদান কৰিছে গুৱাহাটীৰ জ্যেষ্ঠ নাগৰিক সন্মিলনে। আজি পেঞ্চনাৰ ভৱনত জ্যেষ্ঠ সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাই সাংসদ মৈত্ৰীয়ে গগৈ উপাধি আৰু অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ গগৈৰ সন্দৰ্ভত কৰা অপমানজনক মন্তব্যৰ বাবে সাংসদগৰাকীক ক্ষমা খুজিবলৈ দাবী জনায়। সভাপতি চক্ৰৱৰ্তীয়ে তেওঁৰ ভাষণত পশ্চিমবংগৰ সাংসদ মৈত্ৰীয়ে গগৈৰ উপাধি আৰু অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ গগৈ সম্পৰ্কত কৰা মন্তব্য প্ৰলাপ বুলি অভিহিত কৰাৰ লগতে আলফাৰ প্ৰসংগত গ্ৰেপ্তাৰ হৈ ন্যায়িক জিম্মাত থকা কৃতী ছাত্ৰী বৰ্ষশ্ৰী বুঢ়াগোহাঁইৰ মানসিক পৰিচৰ্যাৰ প্ৰয়োজন বুলি মন্তব্য কৰে। বিগত সময়ছোৱাত ৰাজ্যৰ বিভিন্ন স্থানত মৃত্যু হোৱা বিশিষ্ট লোকসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে আৰম্ভ হোৱা সভাখনত সাধাৰণ সম্পাদক বানেশ্বৰ খাউণ্ডে বিগত সময়ছোৱাৰ কাম-কাজৰ খতিয়ান দাঙি ধৰাৰ লগতে অহা ২৭ আগষ্টত অনুষ্ঠিত হ’ব লগা দ্বি-বাৰ্ষিক অধিৱেশন আৰু প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী দাঙি ধৰে। সভাৰ আলোচনাত মৃদুলা হাজৰিকা, মহেন্দ্ৰ বৰা, ডাঃ প্ৰৱন বৰঠাকুৰ আদিয়ে অংশগ্ৰহণ কৰে।

ইফালে, এই সভাতে বিশিষ্ট সমাজ বিজ্ঞানী তথা গৱেষক ৰাজীৱ গৌৰী কৌশিকে অসমৰ জাতীয় সংগীত ‘অ’ মোৰ আপোনাৰ দেশ’ৰ সন্দৰ্ভত তথ্যসমৃদ্ধি আৰু অনুসন্ধানমূলক ভাষণ প্ৰদান কৰি এই গীতৰ সুৰকাৰৰ সম্পৰ্কত হোৱা বিতৰ্কৰ ওপৰত গৱেষকজনে কয়, ‘তেজপুৰৰ বাণ ষ্টেজৰ অৰ্কেষ্ট্ৰা দলৰ সংগীত শিক্ষক কুমুদ চন্দ্ৰ শৰ্মাৰ নেতৃত্বততেই ‘অ’ মোৰ আপোনাৰ দেশ’ৰ স্বৰলিপি প্ৰস্তুত কৰা হৈছিল। ১৯২৭ত তেজপুৰত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ বাৰ্ষিক অধিৱেশনত এই গীতক অসমৰ জাতীয় সংগীতৰ মৰ্যাদা প্ৰদান কৰা হৈছিল। পৰৱৰ্তী সময়ত তৰুণ গগৈ নেতৃত্বাধীন অসম চৰকাৰে ২০১৬ত এই গীতক ৰাজ্যিক সংগীতৰ মৰ্যাদা প্ৰদান কৰে।’

## বেবেজীয়া সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্যকৰ্মীৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৬ জুলাই ঃ** নগাঁও জিলা স্বাস্থ্য বিভাগৰ তদাৰকী কৰ্মচাৰী (এছ ডব্লিউ) নীলিমা খাতুন (৫৮)ৰ উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ আজি পুৱতি নিশা মৃত্যু হয়। নগাঁও জিলাৰ বেবেজীয়া সমূহীয়া স্বাস্থ্য কেন্দ্ৰত কৰ্মৰত খাতুন কেইদিনমানৰ আগতে এক দুৰ্ঘটনাত পতিত হৈ ঘৰতে চিকিৎসাধীন হৈ আছিল। যোৱা নিশা হঠাৎ উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ পুৱতি নিশা তেওঁ মৃত্যুমুখত পৰে। আজি মৃত্যুৰ খবৰ পোৱাৰ লগে লগে জমন নগাঁৱৰ স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে বেবেজীয়া সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ অধীক্ষক বলেন কাকতিৰ লগতে বিষয়া-কৰ্মচাৰীবৃন্দই খাতুনৰ শেনছোৱাস্থিত বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ জী-জোঁৱাইসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

## নগাঁও জিলা কৃষি বিভাগৰ

*১২ পৃষ্ঠাৰ পৰা* হ’ব পাৰে। জিলা কৃষি বিষয়াজনে প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণৰ সকলোবোৰ ব্যৱহাৰিক ক্ষেত্ৰত প্ৰয়োগ কৰি নিজৰ লগতে সমাজৰ আন মহিলা তথা যুৱপ্ৰজন্মক উৎপাদনমুখী হ’বলৈ আহ্বান জনায়। জিলা কৃষি বিভাগৰ এই ছদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীত প্ৰশিক্ষণ প্ৰদান কৰে জিলা সমূহীয়া ফলমূল সংৰক্ষণ কেন্দ্ৰ আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ মহকুমা কৃষি মুকুল ভাৰতী নাথ, কৃষি পৰিদৰ্শক বিষ্ণুজিৎ পাল চৌধুৰী আৰু সহকাৰী কৃষি পৰিদৰ্শক কল্যাণ বৰুৱাই।

## হিন্দু যুৱ-ছাত্ৰ পৰিষদৰ দ্বাৰা

*১২ পৃষ্ঠাৰ পৰা* মহানগৰৰ প্ৰতিষ্ঠাপক সভাপতি আছিল বুলি উল্লেখ কৰে। আজি বৌদ্ধিক প্ৰশিক্ষণ শিবিৰত জনাৰ্দন দেৱ গোস্বামী, গৃহাশ্ৰমী সত্ৰ সত্ৰাধিকাৰ, মাজুলী, বিজেপিৰ জিলা সম্পাদক বিনন্দ বৰা, সমাজসেৱক শংকৰ দাস, নয়ন ভট্টাচাৰ্য, হিন্দু যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিষ্ঠাপক সদস্য মাধৱ দাস, কেন্দ্ৰীয় সাধাৰণ সম্পাদক হিন্দু যুৱ-ছাত্ৰ পৰিষদ, ধ্ৰুৱজ্যোতি দাস, বিজেপি তিনিচুকীয়া অনুসূচিত জাতি মৰ্চা, জিলা হিন্দু যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি সূৰ্য ভট্টাচাৰ্য আদিৰ উপৰি আয়োজক মণ্ডলীৰ বিষয়ববীয়াসকল উপস্থিত থাকে। উল্লেখ্য যে হিন্দু যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিয়ে তিনিচুকীয়া জিলাত সক্ৰিয় ৰূপত সাংগঠনিক ভেটি সুদৃঢ় কৰি তুলিছে। প্ৰশিক্ষণ শিবিৰত ৰাজ্যৰ বিভিন্ন ঠাইৰ যুৱক-যুৱতী, পুৰুষ-মহিলাই অংশগ্ৰহণ কৰিছে।

## জ্যেষ্ঠ সাংবাদিক আবুবক্কৰ

*১২ পৃষ্ঠাৰ পৰা* দুলাল চন্দ্ৰ ৰায়, সাধাৰণ সম্পাদক অৰুণ কুমাৰ গুপ্তা, সহকাৰী সম্পাদক আজিজুল হক, ধনভঁৰালী বিশ্বজিত চৌধুৰী, সদস্য জিৱন আলী মজুমদাৰ, গোপাল চন্দ্ৰ ৰায় আৰু উপদেষ্টা কামাখ্যা সৰকাৰেও ছিদ্দিকীৰ স্মৃতি ৰোমন্থন কৰি বক্তব্য আগবঢ়ায়। উল্লেখ্য যে ছিদ্দিকীয়ে দীৰ্ঘ দিনৰ পৰা মধুমেহ তথা অন্যান্য জটিল ৰোগত ভুগি থকাৰ পাছত সম্প্ৰতি তেওঁৰ শাৰীৰিক অৱস্থা জটিল ৰূপ ধাৰণ কৰাত উন্নত চিকিৎসাৰ বাবে কিছুদিন ধৰি চেন্নাইৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। চেন্নাইৰ পৰা নিজ গৃহলৈ নশ্বৰদেহ লৈ অনাৰ পাছত শ্ৰীৰামপুৰত ছিদ্দিকীৰ জানাজা সম্পন্ন কৰা হ’ব বুলি পৰিয়ালৰ সূত্ৰত প্ৰকাশ। অকাল মৃত্যুক আঁকোৱালি লোৱা ছিদ্দিকীয়ে মৃত্যুৰ সময়ত পত্নীসহ এগৰাকী বিবাহিতা জীয়ৰী আৰু এটি নাবালক পুত্ৰ তথা আত্মীয় পৰিজনক ইহসংসাৰত এৰি যায়।

## নগৰবেৰাৰ ৰংগেশ্বৰীত গৰু চোৰ আটক



**আলোপতি, ১৬ জুলাই ঃ** কামৰূপ জিলাৰ নগৰবেৰা আৰক্ষী থানাৰ অন্তৰ্গত ৰংগেশ্বৰী গাঁৱত আজি এজন গৰু চোৰক ৰাইজে গৰুসহ হাতে-লোটে কৰায়ত্ত কৰে। তথ্য মতে, পুৱতি নিশা নগৰবেৰাৰ পুখুৰীপাৰা গাঁৱৰ উত্তম পাঠকৰ গোহালিৰ পৰা এটা গাইগৰু চুৰি কৰি গৈ থকা অৱস্থাত ৰংগেশ্বৰী পাম গাঁৱত একাংশ লোকে সন্দেহবশতঃ চোৰজনক সোধ-পোছ কৰোতে ওলাই পৰে সমগ্ৰ ঘটনাটো। ৰাইজে গৰুসহ চোৰজনক কৰায়ত্ত কৰি টুপামাৰী আৰক্ষী চকীত খবৰ দিয়ে আৰু ঘটনাস্থলীত আৰক্ষীৰ লোক উপস্থিত হৈ আটক কৰি নগৰবেৰা থানালৈ পঠিয়াই দিয়ে। নগৰবেৰাৰ নাইটৰ গাঁৱৰ সাগৰ আলীৰ পুত্ৰ ছাইনুদ্দিন (১৯) নামৰ গৰু চোৰজনক নগৰবেৰা আৰক্ষীয়ে জেললৈ প্ৰেৰণ কৰে।

## প্ৰখৰ ৰ’দে দহিছে গোৱালপাৰা কৃষ্ণাইৰ বিভিন্ন পথাৰত ছিৰাল ফাট

### বৰষুণৰ অভাৱত কৃষকে আৰম্ভ কৰিব পৰা নাই কৃষিকাৰ্য

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ১৬ জুলাই ঃ** প্ৰখৰ ৰ’দে দহিছে সমগ্ৰ গোৱালপাৰা জিলা। মুক্ত আকাশত সূৰ্যৰ ৰুদ্ৰ ৰূপ। পুৱাৰ পৰা সন্ধিয়ালৈ চকুত ছাট মাৰি ধৰা ৰ’দ। নাই বতাহ, নাই বৰষুণ। ৩৭-৩৮ ডিগ্ৰী উত্তাপত ত্ৰাহি মধুসূদন সুঁৱৰিছে সৰ্বসাধাৰণ জনতা বিশেষকৈ কৃষকসকলৰ মাজত হাহাকাৰময় অৱস্থা। ছিৰাল ফাট মেলিছে ভৰ বাৰিষাৰ খেতিপথাৰ। জিলাখনৰ বিভিন্ন অঞ্চলৰ দৰে কৃষ্ণাই উন্নয়ন খণ্ডৰ অন্তৰ্গত ভেলাখামাৰ গাঁৱতো পৰিলক্ষিত হৈছে একেই দৃশ্য। বৰষুণৰ অভাৱত আজিলৈকে কৃষিপ্ৰধান গাঁওখন কোনো এজন কৃষকে চহাব পৰা নাই নিজৰ কৃষিভূমি। আন কোনোৱে চহাই থোৱা মাটি ডৰাতো আকৌ মেলিছে ফাট। উল্লেখ্য যে বিগত কিছুদিন ধৰি জিলাখনৰ বিভিন্ন প্ৰান্তৰ লগতে কৃষ্ণাই অঞ্চলতো তীব্ৰ খাৰং সদৃশ পৰিৱেশৰ বাবেই বাৰিষাৰ খেতিপথাৰ এনেদৰে ফাটিবলৈ লৈছে। এটুপি বৰষুণৰ আশাত বন্দী হৈ থকা কৃষকৰ চিন্তা দুগুণে বৃদ্ধি কৰি দিনক দিনে বৃদ্ধি পাইছে ৰ’দৰ প্ৰকোপ। যেন দেহ-পুৰি নিব সকলো। আহাৰ গৈ শাওণ মাহ পৰিবৰ হ’ল, তথাপি খেতিপথাৰত খেতিয়কে জুৰিব পৰা নাই হাল, ৰুব পৰা নাই কঠীয়া। যাৰ পৰিপ্ৰেক্ষিতত কৃষকসকলে খেতিপথাৰত উপযুক্ত জলসিঞ্চনৰ ব্যৱস্থা কৰি দিবৰ বাবে আহ্বান জনাবলগীয়া হৈছে জিলা কৃষি আৰু জলসিঞ্চন বিভাগক। অন্যথা ধানখেতিৰ প্ৰকৃত উৎপাদনৰ পৰা বঞ্চিত হোৱাৰ শংকা প্ৰকাশ কৰিছে অঞ্চলটোৰ কৃষকসকলে। ভেলাখামাৰ গাঁৱৰ যুৱ খেতিয়ক পৱন নাথে এই সন্দৰ্ভত নিজৰ মনৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে বহু বছৰৰ পাছত এইবেলি পুনৰ এনে খৰাং পৰিস্থিতিৰ সৃষ্টি হৈছে। বৰষুণ নাই। কৃষি ভূমি শুকাই ফাট মেলিছে। পানীৰ অভাৱত খেতিয়কে আৰম্ভ কৰিব পৰা নাই কৃষিকাৰ্য। তেওঁ সেয়ে এই ক্ষেত্ৰত জিলা কৃষি আৰু জলসিঞ্চন বিভাগৰ জৰিয়তে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনায়। একেই মন্তব্য বিনয় নাথ তথা সুৰুজ্জামাল আলীৰ। আলীয়ে কয় যে অবতৰত বৰষুণ আৰু বানপানীয়ে শাক-পাচলি বিনষ্ট কৰি যোৱাৰ পাছত এতিয়া ভৰ বাৰিষা খৰাং পৰিৱেশে ধান খেতি কৰাৰ ক্ষেত্ৰতো বিধি পথালি দিছে।



## ঘগ্ৰাপাৰ বিলপাৰৰ দীপজ্যোতি ডেকাই ঘৰতে স্থাপন কৰিলে ছেণ্ডেলৰ ক্ষুদ্ৰ উদ্যোগ

**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৬ জুলাই ঃ** যি সময়ত এটা চাকৰি বিচাৰি শিক্ষিত যুৱক-যুৱতীয়ে হাবাথুৰি খাই আহিছে কিন্তু ঠিক সেই সময়তে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিলপাৰৰ এগৰাকী সাধাৰণ যুৱকে নিজকে স্বাৱলম্বী কৰাৰ বাবে ঘৰতে এটা ছেণ্ডেলৰ ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰিছে। উল্লেখ্য যে প্ৰয়াত মহেশ্বৰ ডেকা আৰু বিকন ডেকাৰ একমাত্ৰ পুত্ৰ সন্তান দিপজ্যোতি ডেকাই কিছু বছৰ পূৰ্বে কলিকতাৰ পশ্চিম বেংগলৰ এটা ছেণ্ডেল কোম্পানীত কিছু মাহ কাম কৰি ছেণ্ডেল কেনেদৰে প্ৰস্তুত কৰিব পাৰি তাৰ জ্ঞান লৈ ঘৰলৈ আহিছিল। দিন হাজিৰা কৰা পিতৃ প্ৰয়াত মহেশ্বৰ ডেকাই দিপজ্যোতিক ভালকৈ শিক্ষাও দিব নোৱাৰিলে। পিতৃৰ মৃত্যুৰ পাছত দিপজ্যোতি নৱম শ্ৰেণীতে পঢ়া সামৰি মানুহৰ ঘৰত ৰং দিয়া কাম কৰি মাতৃ আৰু পত্নীসহ দুটা সন্তানক পোহ পাল দিয়াৰ মাজতে তেওঁ মনত সুমুৱাই থকা ছেণ্ডেল ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ হাবিয়াস পূৰণ কৰে। দিপজ্যোতিয়ে সংবাদ মাধ্যমক জানিব দিয়া মতে, আৰ্থিক দৈন্য মানুহৰ লক্ষ্যত কোনো দিনে হেঙাৰ বহ নোৱাৰে, যদি মনত ইচ্ছা থাকে। তেওঁ লগতে কয় যে আৰ্থিক সমস্যাত মই জৰ্জৰিত যদিও আনৰ পৰা টকা ধাৰ লৈ কলিকতাৰ পশ্চিম বংগৰ পৰা ছেণ্ডেল তৈয়াৰ কৰা মেচিন আৰু সা-সামগ্ৰী ক্ৰয় কৰি আনি কিছু দিন পূৰ্বে এই ক্ষুদ্ৰ উদ্যোগটো স্থাপন কৰিছো। এতিয়ালৈ দিপজ্যোতিয়ে ৫০০-১০০০ যোৰ পুৰুষ-মহিলা উভয়ৰে ছেণ্ডেল বজাৰত বিক্ৰীৰ বাবে তৈয়াৰ কৰি উলিয়াই দিছে যদিও সম্প্ৰতি বজাৰ দখল কৰিব পৰা নাই। অনাগত দিনত উপযুক্ত বজাৰ আৰু চৰকাৰৰ সহায় সহযোগ পালে দিপজ্যোতিয়ে স্থানীয় কে’বাগৰাকীও শিক্ষিত যুৱক-যুৱতীক তেওঁৰ ব্যৱসায়ত জড়িত কৰি সংস্থাপন দিব পাৰিব বুলি জানিব দিয়ে। ইফালে, দিপজ্যোতিয়ে এতিয়ালৈ চৰকাৰৰ পৰা কোনো ধৰণৰ সাহায্য লাভ কৰা নাই, আনকি কোনো বিত্তীয় অনুদান আজিলৈ লাভ কৰা নাই।গতিকে চৰকাৰ তথা জনপ্ৰতিনিধি আগবাঢ়ি আহিলে দিপজ্যোতিৰ পাৰদৰ্শিতাৰেই ৰাজ্যৰ অৰ্থনীতিত সহায়ক হ’ব বুলি আশা কৰিব পাৰি।



## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ অসম কলেজ অধ্যক্ষ পৰিষদৰ অনুদান

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১৬ জুলাই ঃ** অসমৰ অন্যতম বৌদ্ধিক সংগঠন অসম কলেজ অধ্যক্ষ পৰিষদে সংবাদ মাধ্যমৰ আগত সদৰী কৰে যে সামাজিক দায়বদ্ধতা প্ৰকাশ কৰি পৰিষদে বৰ্তমান বান বিধ্বস্ত পৰিস্থিতিত মোকাবিলা কৰিবলৈ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ ৬,৫০,০০০ ধন আগবঢ়ায়। অসমৰ মহাবিদ্যালয়ৰ অধ্যক্ষসকলে আগবঢ়োৱা ধন গ্ৰহণ কৰি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকলো অধ্যক্ষলৈ ধন্যবাদ জ্ঞাপন কৰি এদিন প্ৰতিখন জিলাৰ মহাবিদ্যালয় অধ্যক্ষৰ প্ৰতিনিধিৰ স’তে মিলিত হ’ব বুলি প্ৰতিশ্ৰুতি দিয়ে। অসম কলেজ অধ্যক্ষ পৰিষদে ইতিমধ্যে চূড়ান্ত বৰ্ষত ছাত্ৰ-ছাত্ৰীৰ বাবে অসামৰিক সেৱাৰ পৰীক্ষাৰ বাবে জলপানী আগবঢ়োৱাৰ ব্যৱস্থা কৰিছে। পৰিষদৰ সভাপতি ড° সৌমাৰজ্যোতি মহন্ত তথা ৰঙাপৰা মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু সম্পাদক ড° ৰঞ্জন কলিতাই প্ৰতিজন অধ্যক্ষলৈ ধন্যবান জনাই অসামৰিক প্ৰতিযোগিতামূলক পৰীক্ষাৰ জলপানি পৰীক্ষাত অৱতীৰ্ণ হ’বলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়।

## লংকাত এনকেফেলাইটিছত আক্ৰান্তৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**লংকা, ১৬ জুলাই ঃ** জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা লংকাৰ লোকজনৰ মৃত্যু হোৱা বুলি পৰিয়ালৰ লোকে জানিব দিয়ে। কালি সন্ধিয়া গুৱাহাটী মেডিকেল কলেজত উক্ত লোকজনৰ মৃত্যু হয়। মৃত লোকজনৰ নাম মহম্মদ ৰাজীৱ উদ্দিন (৩৫) লংকা ইছলামবস্তিৰ। যোৱা আঠদিনৰ পৰা জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ আছিল মহম্মদ ৰাজীৱ উদ্দিন। মৃত্যুৰ সময়ত লোকজনে দুটি সন্তানসহ পত্নীক এৰি যায়।



সম্প্ৰতি বলিউদৰ ঐশ্বৰ্য ৰাই বচ্চনৰ পৰা আৰম্ভ কৰি প্ৰিয়ংকা চোপ্ৰা জ'নাছ আদি যি কেইগৰাকী নায়িকা পাৰিশ্ৰমিকৰ নিৰিখত শীৰ্ষত আছে, তেওঁলোকৰ কেৰিয়াৰ ৰূপালী পৰ্দাৰ জৰিয়তে হোৱা নাছিল। বৰঞ্চ অধিকাংশ নায়িকাই মডেলিঙৰ যোগেদি নিজৰ কেৰিয়াৰ আৰম্ভ কৰিছিল। সম্প্ৰতি এইসকল নায়িকাই কোটিৰ ঘৰত উপাৰ্জন কৰিলেও প্ৰাথমিক অৱস্থাত তেওঁলোকৰ আয় বিশেষ উৎসাহজনক নাছিল। বৰঞ্চ প্ৰাথমিক অৱস্থাত মডেলিঙৰ বাবে তেওঁলোকে লাভ কৰিছিল ডেৰৰ পৰা পাঁচ হেজাৰ টকা।

# নায়িকাৰ প্ৰথম উপাৰ্জন

**সম্প্ৰতি** বলিউদৰ ঐশ্বৰ্য ৰাই বচ্চনৰ পৰা আৰম্ভ কৰি প্ৰিয়ংকা চোপ্ৰা জ'নাছ আদি যি কেইগৰাকী নায়িকা পাৰিশ্ৰমিকৰ নিৰিখত শীৰ্ষত আছে, তেওঁলোকৰ কেৰিয়াৰ ৰূপালী পৰ্দাৰ জৰিয়তে হোৱা নাছিল। বৰঞ্চ অধিকাংশ নায়িকাই মডেলিঙৰ যোগেদি নিজৰ কেৰিয়াৰ আৰম্ভ কৰিছিল। সম্প্ৰতি এইসকল নায়িকাই কোটিৰ ঘৰত উপাৰ্জন কৰিলেও প্ৰাথমিক অৱস্থাত তেওঁলোকৰ আয় বিশেষ উৎসাহজনক নাছিল। বৰঞ্চ প্ৰাথমিক অৱস্থাত মডেলিঙৰ বাবে তেওঁলোকে লাভ কৰিছিল ডেৰৰ পৰা পাঁচ হেজাৰ টকা।

প্ৰাক্তন বিশ্বসুন্দৰী তথা অমিতাভ বচ্চনৰ বোৱাৰী ঐশ্বৰ্য সম্প্ৰতি ৭৭৬ কোটি টকাৰ গৰাকী। ১৯৯৪ত বিশ্বসুন্দৰী খিতাপ জয়ৰ পূৰ্বেই তেওঁ মডেলিং আৰম্ভ কৰিছিল। তিনি বছৰৰ পূৰ্বে তেওঁ এক মডেলিং প্ৰতিযোগিতাতো বিজয়ী হৈছিল। ইয়াৰ পাছতে এখন নামী ফেশ্বন পত্ৰিকাৰ আমেৰিকাৰ সংস্কৰণত ঐশ্বৰ্যৰ ফটো প্ৰকাশ পাইছিল। আনকি সোণালী বেন্দ্ৰে, তেজস্বিনী কোলহাপুৰীসহ বহু অভিনেত্ৰীৰ স'তে তেওঁ একেলগে ফটোশ্বুটতো অংশ লৈছিল। জীৱনত মডেলৰূপেও ঐশ্বৰ্যই বহু কাম কৰিছে। যদিও এই পেছাৰ পৰা তেওঁৰ প্ৰথম উপাৰ্জন বৰ বেছি নাছিল। জীৱনত প্ৰথম মডেলিং কৰি মাত্ৰ ডেৰ হেজাৰ টকা পাৰিশ্ৰমিক পাইছিল ঐশ্বৰ্যই।



বলিউদৰ 'পদ্মাৱতী'ৰ ৰূপালী পৰ্দালৈ আগমন ঘটিছিল কন্নড় ছবি 'ঐশ্বৰ্য'ৰ যোগেদি। অৱশ্যে শ্বাহৰুখ খানৰ বিপৰীতে 'ওম শান্তি ওম' ছবিত অভিনয়ৰ পাছতহে তেওঁ প্ৰচাৰলৈ আহে। সেই গৰাকী অভিনেত্ৰী দীপিকা পাডুক'ন সম্প্ৰতি বলিউদৰ অন্যতম সফল অভিনেত্ৰী। স্কুলীয়া জীৱনত তেওঁ পিতৃ প্ৰকাশ পাডুক'নৰ পদাংক অনুসৰণ কৰি বেডমিণ্টন খেলুৱৈ হ'ব বিচাৰিছিল। সেইদৰে উচ্চতাৰ বাবে দীপিকা বাস্কেটবল খেলাতো পাৰদৰ্শী আছিল। যদিও আঠ বছৰ বয়সৰ পৰাই তেওঁ বিভিন্ন বিজ্ঞাপনৰ বাবেও চিত্ৰগ্ৰহণত অংশ লৈছিল। পৰৱৰ্তী সময়ত খেলাৰ জগতখনৰ পৰা আঁতৰি দীপিকাই মডেলিঙতে মনোনিবেশ কৰে। অভিনয় কৰাৰ উদ্দেশ্যৰে মুম্বাইলৈ আহিলেও দীপিকাই মডেলিংহে আৰম্ভ কৰে। মডেলৰূপে কৰ্মজীৱনত দীপিকাৰ প্ৰথম উপাৰ্জন আছিল দুহেজাৰ টকা। সেই গৰাকী অভিনেত্ৰীয়েই এতিয়া ৩১৪ কোটি টকাৰ সম্পত্তিৰ গৰাকী। আনকি



দীপিকাই ভাৰতৰ প্ৰথম অভিনেত্ৰী, যি কাঁ চলচ্চিত্ৰ মহোৎসৱত জুৰীৰূপে নিৰ্বাচিত হয়।


শ্বাহৰুখৰ বিপৰীতে বলিউদত অভিষেক ঘটোৱা আন এগৰাকী অভিনেত্ৰী হৈছে অনুষ্কা শৰ্মা। তেওঁলোকে অভিনয় কৰা 'ৰব নে বনা দি জোড়ি' ছবিখনে বক্স অফিচত তোলপাৰ লগাইছিল। অভিনেত্ৰীৰূপে প্ৰতিষ্ঠা লাভৰ পাছত অনুষ্কা এতিয়া এগৰাকী সফল ছবি প্ৰযোজকো। অথচ অভিনয়ৰ জগতখনত ভৰি দিয়াৰ কোনো ইচ্ছাই নাছিল বিৰাট কোহলিৰ পত্নীৰ। স্নাতক স্তৰৰ পঢ়া-শুনা সম্পন্ন কৰি মডেলিঙৰ কেৰিয়াৰ গঢ়াৰ লক্ষ্যৰে মুম্বাইত ভৰি দিছিল। বহু নামী বিজ্ঞাপন কোম্পানীৰ বাবে তেওঁ ফটোশ্বুটো কৰিছিল। সম্প্ৰতি ২৫৫ কোটিৰ গৰাকী অনুষ্কাই মডেলৰূপেও যথেষ্ট সফলতা অৰ্জন কৰিছিল। অথচ এই পেছাৰ পৰা অনুষ্কাৰ



প্ৰথম উপাৰ্জন তেনেই সামান্য আছিল। প্ৰথম মডেলিঙৰ জৰিয়তে তেওঁ উপাৰ্জন কৰিছিল চাৰি হেজাৰ টকা।

২০০২ত তামিল ছবিৰ যোগেদি অভিনয় জীৱন আৰম্ভ কৰি এতিয়া হলিউদতো প্ৰতিষ্ঠিত হৈছে 'দেশী গাৰ্ল'। এটা সময়ত তেওঁ বিশ্বসুন্দৰীৰ খিতাপো জয় কৰিছিল। সেই প্ৰিয়ংকা চোপ্ৰা জ'নাছে বিগত প্ৰায় দুটা দশক ধৰি অসংখ্য হিট ছবি উপহাৰ দিছে। অৱশ্যে বলিউদত ভৰি দিয়াৰ পূৰ্বে প্ৰিয়ংকাও মডেলিঙৰ স'তে যুক্ত আছিল। অভিনেত্ৰীৰূপে সফল হোৱাৰ পাছত এক সাক্ষাৎকাৰত প্ৰিয়ংকাই জনাইছিল যে প্ৰথম মডেলিঙৰ বাবদ তেওঁ লাভ কৰিছিল পাঁচ হেজাৰ টকা। সেয়া আছিল প্ৰিয়ংকাৰ জীৱনৰ প্ৰথম উপাৰ্জন। সেই পাঁচ হেজাৰ টকা কিদৰে খৰচ কৰিব, সেয়াও হেনো তেওঁ ভাবি পোৱা নাছিল। সাক্ষাৎকাৰত অভিনেত্ৰীগৰাকীয়ে জনায় যে ইয়াৰ পৰিমাণ সামান্য হ'লেও তেওঁৰ বাবে সেই পাৰিশ্ৰমিকৰ মূল্য অনেক। সেয়ে তেওঁ হেনো সেই পাঁচ হেজাৰ টকা আজিও ব্যয় নকৰি সযতনে ৰাখি থৈছে। সম্প্ৰতি ২৭০ কোটি টকাৰ গৰাকী প্ৰিয়ংকা।

বিপাশা বসুৱে হিন্দীৰ উপৰি তামিল, তেলুগু আৰু বাংলা ছবিতো অভিনয় কৰিছে। ২০০১ত 'অজনবি' ছবিত প্ৰথম অভিনয় কৰিয়ে তেওঁ বলিউদ উদ্যোগৰ দৃষ্টি আকৰ্ষণ কৰিছিল। এই বিপাশাও শৈশৱৰ পৰাই মডেলিঙৰ স'তে জড়িত আছিল। সেই পেছাতে তেওঁ যশ-খ্যাতি অৰ্জন কৰিছিল। অথচ মডেলিঙৰ আৰম্ভণিৰ সময়ত তেওঁ অনুষ্ঠানে প্ৰতি একৰ পৰা ডেৰ হেজাৰ টকাকৈ পাৰিশ্ৰমিক পাইছিল। সেইগৰাকী অভিনেত্ৰী এতিয়া ১১৩ কোটি টকাৰ সম্পত্তিৰ গৰাকী।



# বলিষ্ঠ অভিনয়ৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি ভাওনাক জীয়াই ৰখাৰ প্ৰয়াস সুশান্তৰ



**অসমীয়া** জাতিৰ লোক-কৃষ্টি-সংস্কৃতিৰ গৰেষক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি ভাওনা এক ভক্তিভৰা সৃষ্টি । এই ভাওন তথা লোকসংগীত দিহানাম-হিয়ানাম- বৰগীত-লোকগীতসমূহৰ জৰিয়তে গুৰুজনাই জনমানসত ঈশ্বৰৰ মহিমা আৰু আদৰ্শ প্ৰচাৰ-প্ৰসাৰ কৰিছিল। এই মহান আদৰ্শ সাৱোগত কৰি গোলাঘাট জ্যোতি নগৰৰ বলিষ্ঠ অভিনেতা সুশান্ত শইকীয়াই ভাওনাক অভিনয় জীৱনৰ প্ৰতীকৰূপে গ্ৰহণ কৰিছে। শৈশৱৰ সোণোৱালী সময়ৰ পৰা এই বিশাল ভাওনা জগতখনৰ স'তে জড়িত হোৱা সুশান্তই জন্মসূত্ৰে গাঁৱৰ এটা সাংস্কৃতিক পৰিৱেশ লাভ কৰি ভাওনা সবাহ তথা প্ৰতিযোগিতামূলক ভাওনাত অংশগ্ৰহণ কৰি সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। শিল্পীজনে জনোৱা মতে, দেউতাক অৰুণ শইকীয়া একালত গাঁৱত ভাওনা কৰি ডাঙৰ হোৱা। যাৰ বাবে স্বাভাৱিকতেই পুত্ৰৰো ভাওনা-নাটকৰ প্ৰতি ধাউতি বাঢ়িছিল। মাতৃ অৰনী শইকীয়া আৰু ককায়েক প্ৰশান্ত শইকীয়াৰো যথেষ্ট কলা-সংস্কৃতিৰ প্ৰতি ভক্তি আৰু বিশ্বাস আছিল। সুশান্তই জীৱনত প্ৰথম ভাওনাৰ পোছাক পিন্ধিছিল পঞ্চম শ্ৰেণীত পঢ়ি থাকোতে গাঁৱত হোৱা ৰাম পৰাজয় নাটত কুশ চৰিত্ৰত অভিনয় কৰিবলৈ সুবিধা পাই। ইয়াৰ পাছত লাহে লাহে ডাঙৰ হৈ গাঁৱৰ বৰসবাহ স্থানীয় অঞ্চলৰ দুই এখন ঠাইত ভাও দিবলৈ আৰম্ভ কৰে অভিনেতাজনে। উল্লেখ্য যে জীৱন যাত্ৰাত ভগৱান শ্ৰীশ্ৰীকৃষ্ণ চৰিত্ৰত সফল অভিনয় কৰি দৰ্শকক আপ্লুত কৰিবলৈ সক্ষম হোৱা নৱপ্ৰজন্মৰ ভাওৰীয়া সুশান্তৰ গুৰু বাবুল বৰা। গুৰুৰ আশীৰ্বাদ শিৰোগত কৰি সুশান্তই ভগৱানৰ চৰিত্ৰ যে ইমান মনোগ্ৰাহী আৰু নয়নমুগ্ধকৈ কৰিব পাৰে সেয়া উপলব্ধি কৰি শ্ৰীশ্ৰীকৃষ্ণৰ চৰিত্ৰত বাস্তৱ অভিনয় কৰিবলৈ সক্ষম হৈছে। গোলাঘাটৰ আগশাৰীৰ এখন ভাওনা প্ৰতিযোগিতা চিনাতলীত পোনপ্ৰথমবাৰৰ বাবে ভগৱানৰ চৰিত্ৰ ৰূপায়ণেৰে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি শ্ৰেষ্ঠ ভগৱান চৰিত্ৰ শিতানত পুৰস্কাৰ লাভ কৰে সুশান্তই। উল্লেখ্য যে ২০১৯-ত গুৰুৰ অক্লান্ত শ্ৰমৰ বহিৰ্প্ৰকাশ স্বৰূপে মাজুলীত অনুষ্ঠিত সদৌ অসম ভিত্তিত আয়োজিত ভাওনা প্ৰতিযোগিতাত শ্ৰেষ্ঠ ভগৱানৰ চৰিত্ৰ পুৰস্কাৰ পাবলৈ সক্ষম হয় । একেই বছৰতে যোৰহাটত আয়োজিত সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতাত শ্ৰীকৃষ্ণৰ চৰিত্ৰত শ্ৰেষ্ঠ সন্মান পাবলৈ সক্ষম হয়। সুশান্তই অসমীয়া মাতৃ ভাষা ভাওনাৰ অন্যতম সাধক যোৰহাটৰ ৰজিত হাজৰিকাৰ সান্নিধ্য লাভ কৰি ভাওনা অভিনয় দিশত আৰু দুখোজ আগুৱাই যাবলৈ সক্ষম হয়।

তেওঁ কয় যে ভাওনাৰ অভিনয় শৈলী পূৰ্বৰ তুলনাত সামগ্ৰিকভাৱে বহু উন্নত হ'ল। ভাওনাৰ সংখ্যাও পূৰ্বৰ তুলনাত যথেষ্ট পৰিমাণে বাঢ়িল। নৱ প্ৰজন্ময়ো যথেষ্ট পৰিমাণে ভাওনা সংস্কৃতিৰ প্ৰতি আগ্ৰহী হৈছে। প্ৰতিভাৱান অভিনেতাজনৰ ভৱিষৎ উজ্জ্বল কামনা কৰিলো।



# পুনৰ যুটি বান্ধিব শ্বাহৰুখ-ছলমানে

আকৌ ৰূপালী পৰ্দাত একেলগে দেখা যাব দুই খানক। আগতে একাধিক ছবিত দুয়োকে একেলগে দেখা গৈছিল যদিও বহু বছৰৰ পাছত শ্বাহৰুখ খান আৰু ছলমান খানে একেলগে মুখ্য ভূমিকাত অভিনয় কৰিবলৈ সাজু হৈছে। তথ্য অনুসৰি, আদিত্য চোপ্ৰাৰ ছবি এখনত দুই খানক পুনৰ একেলগে দেখা যাব। দুয়োজনকে হেনো দৰ্শকে উক্ত ছবিত একচনৰ দৃশ্যত দেখা যাব।

১৯৯৫ত 'কৰুণ-অৰ্জুন' ছবিত দুয়ো একেলগে নায়কৰ চৰিত্ৰত অভিনয় কৰিছিল। তাৰ কিছু বছৰৰ পাছত মাধুৰী দীক্ষিত অভিনীত ছবি 'হম তুমহাৰে হ্যে ছনম'ত দুয়ো অভিনয় কৰিছিল। মাজতে সম্পৰ্ক কিছু বেয়া হোৱাত তেওঁলোকে বহু বছৰ একেলগে অভিনয়ৰ পৰা বিৰত আছিল। পৰৱৰ্তী সময়ত অৱশ্যে দুই মহাতাৰকাই পৰস্পৰৰ কে'বাখনো ছবিত অতিথি শিল্পীৰূপে দেখা দিছিল। প্ৰায় দুটা দশকৰ পাছত দুয়ো পুনৰ একেলগে মুখ্য চৰিত্ৰত অভিনয় কৰিব। ইতিমধ্যেই চিত্ৰনাট্য ৰচনাৰ কাম আৰম্ভ হৈছে। সকলো ঠিকে থাকিলে ২০২৩ৰ শেষ ভাগত বা ২০২৪ৰ আৰম্ভণিতে ছবিৰ চিত্ৰগ্ৰহণ আৰম্ভ হ'ব। সম্প্ৰতি দুই মহাতাৰকাৰ হাততেই আছে কে'বাখনো ছবি। এই বছৰতে শ্বাহৰুখৰ দুখন ছবিয়ে মুক্তি পাব। সেইদৰে চলিত বছৰতে মুক্তি পাব ছলমান, কেটৰিণা কাঈফৰ ছবি 'টাইগাৰ'। সেই ছবিত শ্বাহৰুখক অতিথি শিল্পীৰ ভূমিকাত দেখা যাব। আনহাতে, শ্বাহৰুখৰ 'পাঠান' ছবিত 'টাইগাৰ'ৰ ৰূপতে উপস্থিত হ'ব ছলমান।

# নতুন অসমীয়া ছবি 'লংকা কাণ্ড'ৰ ট্ৰেইলাৰ মুকলি



অলপতে মহানগৰীৰ কাহিলিপাৰাস্থিত জ্যোতি চিত্ৰবনত আৰ বি প্ৰডাকছনৰ বেনাৰত ৰজনী বৰ্মন (ৰাজ)ৰ পৰিচালনাত নিৰ্মিত নতুন অসমীয়া ছবি 'লংকাকাণ্ড'ৰ ট্ৰেইলাৰ মুক্তি দিয়া হয়। আড়ম্বৰপূৰ্ণ অনুষ্ঠানটিত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে জনপ্ৰিয় অভিনেতা যতীন বৰা, নৰ্থ-ইষ্ট কেঞ্চাৰ হাস্পতালৰ অধ্যক্ষ গণেশ তামুলীকে ধৰি বহুকেইজন গণ্যমান্য লোক। ছবিখনৰ কাহিনী-চিত্ৰনাট্য ৰজনী বৰ্মন (ৰাজ)ৰ। প্ৰযোজনা কৰিছে মনীষ আগৰৱালাই। সহযোগী প্ৰযোজক গণেশ প্ৰসাদ, টুনটুন শইকীয়া বৰ্মন, গোবিন চন্দ্ৰ বড়ো। ছবিখনিত অভিনয় কৰিছে ক্ৰমে নিপন গোস্বামী, মৃদুল ভূঞা, চম্পক শৰ্মা, ৰীণা বৰা, অতুল পাচনী, ভ্ৰান্তি মেধি, বিবেক বৰা, মুনমী ফুকন, পল ফুকন, ড° আলেখ্য বৰুৱা, জুনজুন বৰা, চিৰঞ্জিত বৰা, দোলা পাল, অমূল্য কুমাৰ, ৰমেন তামুলী, বাল্লী বৰা, যতীন খনিকৰ, জয়ন্ত দাস, কবিতা চুতিয়া, লিকুমা শৰ্মা, টুনটুন শইকীয়া বৰ্মন, বিনয় ডেকা, অঞ্জনজ্যোতি বেজ, তপন শইকীয়া, প্ৰকাশ মেধি, তৰুণ বৰা আৰু বহুতো ন-পুৰণি শিল্পীৰ লগতে শিশু শিল্পী শ্ৰেয়া, অদিতি নন্দিনী আৰু নিশানে। ছবিখনৰ দৃশ্যগ্ৰহণৰ দায়িত্বত আছে চনু ডেকা আৰু ধৰ্ম থাপা। সংগীত পৰিচালনা অজয় ফুকন, গৌতম শৰ্মা, মৃণাল বৈষ্ণৱৰ। সংগীত ব্যৱস্থাপনা শেখৰজ্যোতি গোস্বামী আৰু সুদৰ্শন বৰকটকীৰ। ছবিখনিৰ গীতসমূহত কণ্ঠদান কৰিছে জুবিন গাৰ্গ, নীল আকাশ, দীপলিনা ডেকা আৰু ৰীতিশাই। আৱহ সংগীতত অজয় ফুকন, ছাউণ্ড ডিজাইনাৰ অনুপ মুখাৰ্জী (মুম্বাই)। পুণঃশব্দ সংযোজন কৰিছে দীপক কুমাৰ দত্ত আৰু বাবুল দাসে। সম্পাদনা আৰু ডিআই কৰিছে শ্যামল দাসে। সমৰকলা নিৰ্দেশনা আৰ কে শ্ৰী আৰু দাক্ষিণাত্যৰ একশ্বন গ্ৰুপে। নৃত্য নিৰ্দেশনা কৰিছে দীপক দে, অসীম গগৈ, শচীন বৰুৱাই। ভিএফএক্স কৰিছে মৃগাংক পাৰ্তিক পৰাশৰ। ৰূপসজ্জা ৰুমী গোস্বামী, মিনতি ডেকা আৰু পিযু শৰ্মাৰ। অহা ২৮ অক্টোবৰত ছবিখনি চিত্ৰগৃহলৈ আহিব বুলি প্ৰযোজকে জানিবলৈ দিছে।



## ৰঙিয়াত অভিনয় কৰ্মশালাৰ সামৰণি

# ৰঙিয়াত পংকজ পল্লৱ শৰ্মাৰ নেতৃত্বত গঢ়ি উঠা নাট্য চৰ্চাই বিশেষ মৰ্যাদা পাইছে ঃ ভৱেশ কলিতা

**ৰঙিয়াৰ** অন্যতম আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান সংগীত গ্ৰুৱ অৱ ক্ৰিয়েছনৰ উদ্যোগত সপ্তাহজোৰা আয়োজিত অভিনয় কৰ্মশালাৰ সোমবাৰে সফল সামৰণি ঘটে। স্থানীয় ৰাইজমেল কৃষক ছহিদ ভৱন প্ৰেক্ষাগৃহত তদুপলক্ষে দিনজোৰাকৈ আয়োজন কৰা হয় বিস্তৃত কাৰ্যসূচী। ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পাৰ্থ ফুকন মহন্তই উদ্বোধনী কৰা অনুষ্ঠানৰ আদৰণি ভাষণ ৰাখে সম্পাদক পংকজ পল্লৱ শৰ্মাই। সাংস্কৃতিক কৰ্মী উজ্জ্বল ডেকাই আঁত ধৰা অনুষ্ঠানত অৱসৰপ্ৰাপ্ত অধ্যাপক তথা ৰাইজমেল কৃষক ছহিদ ভৱনৰ সম্পাদক প্ৰবীণ কলিতা, সাংবাদিক প্ৰদীপ বৰ্মন, মোস্তাফা আহমেদ, ৰণদিয়া নতদল সাহিত্য সভাৰ সম্পাদক হেমন্ত কলিতা, ৰঙাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক ভূপেন চন্দ্ৰ দাস, নাট্যকাৰ প্ৰদীপ কলিতা, কৃতি শিক্ষকৰ বঁটা প্ৰাপ্ত শিক্ষয়িত্ৰী দুৰ্গামণি বৰগোহাঞি প্ৰমুখ্যে আন কে'বাজনো বিশিষ্ট লোকে শুভেচ্ছামূলক ভাষণ ৰাখে। ৰঙিয়াৰ ভিন্ন প্ৰান্তৰ পৰা সমবেত কে'বা শতাধিক কলানুৰাগীৰ উপস্থিতিত কেঁবাটিও শিশু শিল্পীয়ে পৰিৱেশন কৰা নৃত্য, গীত আৰু অভিনয়ে আপ্লুত কৰে। অনুষ্ঠানত কবি মুনীন শৰ্মাৰ স্ব-ৰচিত কবিতা আবৃত্তি, সংগীত শিল্পী তিলক নাথৰ সংগীতানুষ্ঠান তথা দুৰ্গামণি বৰগোহাঞি, মনালিচা গোস্বামী, বিমলা দেৱীকে ধৰি কে'বাগৰাকী মহিলা শিল্পীয়ে পৰিৱেশন কৰা নৃত্যই সোণত সুৱগা চৰায়। কৰ্মশালাত মুখ্য প্ৰশিক্ষকৰূপে আছিল জনপ্ৰিয় অভিনেত্ৰী কাশ্মীৰী শইকীয়া বৰুৱা, প্ৰদীপ শৰ্মা, সঞ্জীৱ কুমাৰ ভাগৱতী, প্ৰদীপ কলিতা আৰু পৰিচালক পংকজ পল্লৱ শৰ্মা।

ইফালে, অন্তিম কাৰ্যসূচীত ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই অংশগ্ৰহণ কৰি শিশু প্ৰশিক্ষাৰ্থী শিল্পীসকলৰ স'তে মত বিনিময় কৰে। পৰিচালক শৰ্মাৰ নেতৃত্বত ৰঙিয়াত গঢ়ি উঠা নাট্যচৰ্চাই এক বিশেষ মৰ্যাদা পাইছে বুলি বিজেপি সভাপতিজনে কয়। যান্ত্ৰিকতাৰ যুগত কৰ্মব্যস্ততাৰ মাজতো ৰঙিয়াত অভিনয় শিল্পৰ বিকাশ সাধনত জড়িত হৈ অহা সংগীত গ্ৰুপ অৱ ক্ৰিয়েছনৰ পৰিচালনা সমিতিক কৃতজ্ঞতা জ্ঞাপন কৰে কলিতাই। উক্ত অনুষ্ঠানতে প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ দিয়া হয়। প্ৰশিক্ষাৰ্থী শিল্পীসকলৰ দ্বাৰা পংকজ পল্লৱ শৰ্মাৰ ৰচনা-পৰিচালনাৰে 'আমি নাটক কৰিম' নাটকখন মঞ্চস্থ কৰা হয়।

# কলাগুৰু বিষ্ণু ৰাভাৰ গীতৰ কৰ্মশালা

শিল্পী তথা সপ্তৰথী ৰেলফেয়াৰ ছ'চাইটীৰ সম্পাদিকা-সাংস্কৃতিক কৰ্মী গিৰিমল্লিকা দাসৰ সম্পাদনাত তথা অসম সাংস্কৃতিক সঞ্চলকালয়ৰ সৌজন্যত কলাগুৰু বিষ্ণু ৰাভাৰ গীতৰ কৰ্মশালাৰ আয়োজন কৰা হৈছে। কৰ্মশালাখন অহা ২৩ জুলাইৰ পৰা ২৮জুলাইলৈকে গুৱাহাটী মথুৰানগৰৰ প্ৰগতি পথত থকা নান্দনিক প্ৰেক্ষাগৃহত পুৱা ১০ বজাৰ পৰা দিনৰ এক বজালৈ অনুষ্ঠিত কৰা হ'ব। বিনামূলীয়া শিক্ষাদানৰ লগতে শিক্ষাৰ্থীসকলক আহাৰৰ যোগান ধৰা হ'ব। বিশিষ্ট প্ৰশিক্ষকসকল গিৰিমল্লিকা দাস (ৰাষ্ট্ৰীয় সংগীত ভূষণ), কবিন্দ্ৰ দাস (শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ), বীতু গোস্বামী (জ্যোতি চিত্ৰবন), তপন কুমাৰ লহকৰ (বিশিষ্ট সুৰকাৰ আৰু কণ্ঠ অনুশীলক) আৰু হেমেন অৰ্ণৱ (ভিন্ন সুৰীয়া বনগীত প্ৰশিক্ষক)। প্ৰশিক্ষণৰ অন্তত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰাৰ লগতে শিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ দিয়া হ'ব। ইচ্ছুক শিক্ষাৰ্থীয়ে ৮৮২২৫৯৯০৪৩-৮০১১৯০১৪৮৮ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি ছ'চাইটীয়ে জনাইছে।

# কামৰূপা থিয়েটাৰৰ ২৫ জুলাইত নাট্যাৰম্ভ

নতুন উদ্যম, পৰিকল্পনা আৰু অভিনৱ প্ৰযোজনাৰে দিহিনা দামোদৰদেৱ সত্ৰৰ আশীৰ্বাদ লৈ কামৰূপ জিলাৰ দিহিনা (হাজো)ৰ চণ্ডীচৰণ দাস প্ৰযোজিত কামৰূপা থিয়েটাৰৰ চলিত ২০২২-২০২৩ নাট্যবৰ্ষটো তৃতীয় বৰ্ষ।

ইতিমধ্যে তৃতীয় নাট্যবৰ্ষৰ বাবে কামৰূপা থিয়েটাৰে সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এই নাট্যবৰ্ষত নাট্যদলটোৱে তিনিগৰাকী নাট্যকাৰৰ তিনিখন ভিন্ন স্বাদৰ মননশীল নাটক নিবেদন কৰিব। নাটক কেইখন হ'ল— প্ৰয়াত নাট্যকাৰ ভবেন বৰুৱাৰ 'প্ৰেম জনমে জনমে' অনন্ত দত্তৰ 'পাষণ্ড প্ৰেমিক' আৰু চণ্ডীচৰণ দাসৰ 'মাছমৰীয়াৰ ছোৱালী'। এই নাট্যবৰ্ষত কামৰূপাৰ মঞ্চত অভিনয় কৰিব—ৰূপজ্যোতি ভূঞা, হেমান্ত ৰাজ, বিকাশ বিবি, হৰদ্বীপ দাস, ৰতন দাস, মনোৰঞ্জন দাস, জয়ন্ত মালাকৰ, ৰিষন দাস, দ্বীপৰাজ চহৰীয়া, বনদ্বীতা দাস, ডালিমী দাস, মঞ্জু তালুকদাৰ, উপসনা ডেকা, বিনীতা দাস আৰু বৰ্ণালী দাসে। চলিত নাট্যবৰ্ষৰ নাট্যদলটোৰ সম্পাদক দিপেন দাস, প্ৰতিনিধি মুন দাস, খগেন দাস আৰু বলেন দাস। ব্যৱস্থাপক ফুলেশ্বৰ মজুমদাৰ। অহা ২৫ জুলাইত কামৰূপা থিয়েটাৰে চলিত বৰ্ষৰ শুভ নাট্যাৰম্ভ কৰি অহা আগষ্টৰ শেষ ভাগৰ পৰা দৰ্শকৰ ওচৰত নাট প্ৰদৰ্শন আৰম্ভ কৰিব।



*নাট্যকাৰ সেৰাব্ৰত বৰুৱাই ৰচনা কৰা 'নাট্যসম্ভাৰ' গ্ৰন্থ উন্মোচনৰ পৰত নাট্যকাৰ অভিজিৎ ভট্টাচাৰ্য, অভিনেতা যতীন বৰা আদি।*

# বিশ্ব এথলেটিক্‌ছৰ ফাইনেলত দুই ভাৰতীয়

## লং জাম্পত দেশৰ প্ৰথম পুৰুষৰূপে চূড়ান্ত ৰাউণ্ডত মুৰলি



**নিউজ ব্যুৰ'**
**অৰেগন, ১৬ জুলাই ঃ** আমেৰিকাৰ অৰেগনত চলি থকা বিশ্ব এথলেটিক্‌ছ প্ৰতিযোগিতাত দুজন ভাৰতীয় এথলীটে ফাইনেলত প্ৰৱেশ কৰিছে। ইয়াৰ ভিতৰত এক নজিৰ স্থাপন কৰিলে লং জাম্পাৰ মুৰলি শ্ৰীশংকৰে। ভাৰতৰ প্ৰথম পুৰুষ লং জাম্পাৰৰূপে তেওঁ বিশ্ব এথলেটিক্‌ছৰ ফাইনেলত প্ৰৱেশ কৰিলে। আনহাতে, পুৰুষৰ তিনি হেজাৰ মিটাৰ ষ্টিপলচেজৰ ফাইনেলত উপনীত হৈছে ভাৰতৰ অবিনাশ ছাবলে। যদিও ভাৰতৰ আন প্ৰতিযোগীসকলে আজি হতাশ কৰে।

উল্লেখ্য যে মুৰলিক এইবাৰ বহুতেই লং জাম্পৰ পদকৰ দাবীদাৰ আখ্যা দিছে। আজিৰ যোগ্যতা অৰ্জন পৰ্বৰ দ্বিতীয় প্ৰচেষ্টাত তেওঁ আঠ মিটাৰ দূৰলৈ জঁপিয়াবলৈ সক্ষম হয়। গ্ৰুপ 'বি'ত তেওঁ দ্বিতীয় স্থান অধিকাৰ কৰে। প্ৰতিটো গ্ৰুপ মিলাই সামগ্ৰিকভাৱে সপ্তম স্থান দখলেৰে মুৰলিয়ে ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰ পূৰ্বে বিশ্ব এথলেটিক্‌ছত ভাৰতৰ হৈ ফাইনেলত প্ৰৱেশ কৰিছিল অঞ্জু ববী জৰ্জে। ২০০৩ত পেৰিছত অনুষ্ঠিত বিশ্ব এথলেটিক্‌ছৰ ফাইনেলত উপনীত হৈ অঞ্জুৱে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল। সেয়াই এই পৰ্যন্ত বিশ্ব এথলেটিক্‌ছত ভাৰতৰ একমাত্ৰ পদক। আজি অৱশ্যে পুৰুষৰ লং জাম্পত ভাৰতৰ আন দুজন এথলীট জেছুইন অলড্ৰিন আৰু মুহাম্মদ আনীশ ইয়াহিয়া ব্যৰ্থ হয়।

ইপিনে, ২৭ বছৰীয়া অবিনাশে তিনি হেজাৰ মিটাৰ ষ্টিপলচেজৰ হিটত তৃতীয় স্থান লাভ কৰি ফাইনেললৈ অগ্ৰসৰ হয়। তেওঁ ২০১৯ৰ ডোহা বিশ্ব এথলিটক্‌ছৰ ফাইনেলতো প্ৰৱেশ কৰিছিল যদিও পদক পোৱা নাছিল। শ্বটপুটত ভাৰতৰ তেজিন্দাৰপাল সিং তুৰক খিতাপৰ দাবীদাৰ বুলি গণ্য কৰা হৈছিল। অৱশ্যে চাৰি দিনৰ পূৰ্বে কিলাকুটিত আঘাত পোৱাৰ ফলত তেওঁ প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব নোৱাৰিলে। ইয়াৰ ফলত তেওঁ আগন্তুক কমনৱেল্‌থ গেমছৰ পৰাও বাহিৰ হ'ল।



*পত্নী এন্ট'নেলাৰ স'তে পেৰিছৰ আইফেল টাৱাৰৰ সন্মুখত লিয়নেল মেছি।*

## শ্ৰীলংকাক বান্ধি ৰাখিও স্বস্তিত নাই পাকিস্তান

**নিউজ ব্যুৰ'**
**গল, ১৬ জুলাই ঃ** ঘৰুৱা দল শ্ৰীলংকাক কম ৰাণতে সীমাবদ্ধ ৰাখিলেও শৃংখলাৰ প্ৰথম টেষ্টত স্বস্তিত নাই পাকিস্তান। আজিৰে পৰা আৰম্ভ হোৱা টেষ্টখনৰ প্ৰথম দিনাই উভয় দলৰ ১২টা উইকেটৰ পতন ঘটে। প্ৰথমে বেটিং কৰি শ্ৰীলংকাই ২২২ ৰাণতে প্ৰথম ইনিংছ সামৰিবলৈ বাধ্য হয়। প্ৰত্যুত্তৰত প্ৰথম ইনিংছ মুকলি কৰি পাকিস্তানে দিনান্তলৈ ২৪ ৰাণতে দুই উইকেট হেৰুৱাইছে। অপেনাৰদ্বয় আব্দুল্লা শ্বফিক (১৩) আৰু ইমাম-উল-হক (২) ব্যৰ্থ হোৱাৰ পাছত আজহাৰ আলীয়ে তিনি আৰু অধিনায়ক বাবৰ আজমে এক ৰাণ কৰি অপৰাজিত হৈ ৰয়। ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ হৈ সৰ্বাধিক ৭৬ ৰাণ কৰে অষ্ট্ৰেলিয়াৰ বিপক্ষে দ্বিশতক অৰ্জন কৰা দীনেশ চণ্ডিমলে। ইয়াৰ উপৰি অ'শ্বাডা ফাৰ্ণাণ্ডোৱে ৩৫ আৰু মাহিশ থিকছানাই শেষৰ ফালে ৩৮ ৰাণৰ বৰঙণি যোগায়। পাকিস্তানৰ ফাষ্টবলাৰ শ্বাহিন শ্বাহ আফ্ৰিদীয়ে চাৰিটা তথা হাছান আলী আৰু য়াছিৰ শ্বাহে দুটাকৈ উইকেট দখল কৰে।

## টি-২০ বিশ্বকাপত জিম্বাব'ৱে-নেদাৰলেণ্ড

**নিউজ ব্যুৰ'**
**ডুবাই, ১৬ জুলাই ঃ** জিম্বাব'ৱে আৰু নেদাৰলেণ্ডে অহা অক্টোবৰত অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আইচিচি টি-২০ বিশ্বকাপলৈ যোগ্যতা অৰ্জন কৰিছে। গ্ল'বেল কোৱালিফায়াৰ 'বি' প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশৰ সূত্ৰে দল দুটাই বিশ্বকাপত খেলাৰ যোগ্যতা অৰ্জন কৰে। ছেমিফাইনেলত নেদাৰলেণ্ডে আমেৰিকা আৰু জিম্বাব'ৱেই পাপুৱা নিউ গিনিক পৰাজিত কৰে। আমেৰিকাই বেটিং কৰি ১৩৮ ৰাণ কৰাৰ পাছত নেদাৰলেণ্ডে সাত উইকেটত বিজয় সাব্যস্ত কৰে। আনখন ছেমিফাইনেলত জিম্বাব'ৱে দলে প্ৰথমে বেটিং কৰি পাঁচ উইকেটত ১৯৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পাপুৱা নিউ গিনিয়ে আঠ উইকেটত ১৭২ ৰাণ সংগ্ৰহ কৰে যদিও ২৩ ৰাণত পৰাজিত হয়।

## ক্ৰীড়া সাংবাদিক সন্থাৰ উদ্যোগত পুলিন দাস স্মাৰক বক্তৃতানুষ্ঠান



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৬ জুলাই ঃ** অসম ক্ৰীড়া সাংবাদিক সন্থাৰ উদ্যোগত অনুষ্ঠিত অসমৰ ক্ৰীড়া বাতৰিৰ শতবৰ্ষ কাৰ্যসূচীৰ স'তে সংগতি ৰাখি আজি ষষ্ঠ বাৰ্ষিক পুলিন দাস স্মাৰক বক্তৃতানুষ্ঠান গুৱাহাটীত আয়োজন কৰা হয়। জনস্বাস্থ্য কাৰিকৰী আৰু পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা মুখ্য অতিথিৰূপে থকা অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে পুলিন দাস স্মাৰক বক্তৃতা প্ৰদান কৰে দেশৰ বিশিষ্ট ক্ৰীড়া সাংবাদিক তথা সৰ্বভাৰতীয় ফুটবল সন্থাৰ আৰ্বিটেৰছ কমিটীৰ সদস্য জয়দীপ বসুৱে। পুলিন দাস স্মাৰক সমিতিৰ সহযোগত হোটেল লেণ্ডমাৰ্কত অনুষ্ঠিত এই বক্তৃতানুষ্ঠানত নিৰ্দিষ্ট বক্তা বসুৱে কয়, 'শততম বৰ্ষত ভৰি দিয়াটো নিঃসন্দেহে এক বৃহৎ সফলতা। এশ বছৰ পূৰ্বে সাংবাদিকতাৰ কথা বাদেই, ভাৰতীয় ক্ৰীড়াক্ষেত্ৰৰে সেই গুৰুত্ব নাছিল। সেয়ে এয়া এক অনবদ্য যাত্ৰা বুলিয়ে ক'ব লাগিব।' উচ্চতম ন্যায়ালয়ৰ দ্বাৰা সৰ্বভাৰতীয় ফুটবল সন্থাৰ আৰ্বিটেৰছ কমিটীৰ সদস্যৰূপে নিযুক্তি লাভ কৰা বিশিষ্ট ক্ৰীড়া সাংবাদিকজনে সাম্প্ৰতিক পৰিস্থিতিত ভাৰতীয় ফুটবলৰ ভৱিষ্যতক কেন্দ্ৰ কৰিও আক্ষেপ প্ৰকাশ কৰে। তেওঁ কয়, 'ভাৰতীয় ফুটবল সম্প্ৰতি বৰ হতাশজনক অৱস্থাত আছে। ভাৰতীয় ফুটবলৰ ৮৫ বছৰীয়া ইতিহাসত এনে অৱস্থা কেতিয়াও হোৱা নাছিল।' বসুৱে লগতে ক্ৰীড়া প্ৰশাসনৰ লগতে গোটেই পদ্ধতিটোকে নিকা আৰু স্বচ্ছ কৰাৰ বাবে ক্ৰীড়া সাংবাদিকে কেনে ধৰণৰ ভূমিকা লোৱা প্ৰয়োজন, সেই বিষয়েও উনুকিয়ায়। আনহাতে, বন্তি প্ৰজ্বলনেৰে অনুষ্ঠান মুকলি কৰি মন্ত্ৰী বৰুৱাই ক্ৰীড়া সাংবাদিকসকলে ক্ৰীড়াৰ উন্নতিৰ বাবে কেনেদৰে দায়িত্ব পালন কৰি আহিছে, সেই বিষয়ে বিশদভাৱে বৰ্ণনা কৰে। মন্ত্ৰীজনে লগতে পুলিন দাসে ৰাজ্যখনলৈ সাংবাদিক আৰু সংগঠকৰূপে আগবঢ়োৱা অবদানৰ বিষয়েও উল্লেখ কৰে। বিদ্যুৎ কলিতাই আঁত ধৰা অনুষ্ঠানত আদৰণি ভাষণ দিয়ে অসম ক্ৰীড়া সন্থাৰ সভাপতি সুবোধমল্ল বৰুৱাই। পুলিন দাস স্মাৰক সমিতিৰ সম্পাদক তথা পুলিন দাসৰ পুত্ৰ কল্যাণ কুমাৰ দাসেও অনুষ্ঠানত বক্তব্য আগবঢ়ায়। আজিৰ এই অনুষ্ঠানতে কে'বাজনো প্ৰবীণ ক্ৰীড়া আৰু ফটো সাংবাদিকৰ লগতে ক্ৰীড়া সংগঠককো অসম ক্ৰীড়া সাংবাদিক সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

## অভয়াপুৰীত আজিৰে পৰা ৩৭সংখ্যক টাইকোৱান-ড'

### বাতৰি পৰিৱেশনৰ পৰা বিৰত থকাৰ সিদ্ধান্ত ক্ষুব্ধ সাংবাদিকৰ

**অগ্ৰদূত বাৰ্তা,**
**অভয়াপুৰী, ১৬ জুলাই ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী চহৰত কাইলৈৰ পৰা অনুষ্ঠিত হ'বলগীয়া ৩৭সংখ্যক টাইকোৱান-ড' প্ৰতিযোগিতাৰ কোনো ধৰণৰ বা-বাতৰি পৰিৱেশন নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে অভয়াপুৰীৰ সাংবাদিকসকলে। আজি অভয়াপুৰী সাংবাদিক সন্থাই বিষয়টো পৰ্যালোচনা কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ অহা সমূহ প্ৰতিযোগীক আদৰণি জনোৱাৰ লগতে সহায়-সহযোগিতা আগবঢ়োৱাৰ পোষকতা কৰে। কেইদিনমানৰ পূৰ্বে এক সংবাদমেলৰ আয়োজন কৰি অভ্যৰ্থনা সমিতিয়ে অভয়াপুৰীৰ সংবাদকৰ্মীসকলক যি অসন্মান প্ৰদৰ্শন কৰিলে, সেই বিষয়ত সভাই গভীৰ দুখ প্ৰকাশ কৰি সৰ্বসন্মতিক্ৰমে অভয়াপুৰীৰ সমূহ সাংবাদিকে অভ্যৰ্থনা সমিতিৰ লগত সম্পৰ্ক ৰক্ষা কৰাৰ পৰা বিৰত থকাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইপিনে, ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা অংশ লোৱা প্ৰতিযোগীসকলে যাতে কোনো অসুবিধা নাপায়, সেই ক্ষেত্ৰত সকলোধৰণৰ সহায় সহযোগিতা আগবঢ়াবলৈ অভয়াপুৰীৰ সংবাদকৰ্মীসকল প্ৰস্তুত হৈ থাকিব বুলিও সভাই সিদ্ধান্ত লয়। এই ক্ষেত্ৰত প্ৰতিযোগীসকলে কোনো অসুবিধাৰ সন্মুখীন হ'লে ৯৯৫৪৯৪৮৮৩৭, ৮১৩৪৮৫৬৩৯৭ আৰু ৯৯৫৭৭৮৯২৬৪ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনায়। প্ৰতিযোগিতাৰ বাতৰি প্ৰচাৰৰ পৰা সাংবাদিকসকল বিৰত থাকিলেও প্ৰতিযোগিসকলৰ যিকোনো সমস্যা বা অভাৱ-অভিযোগৰ বাতৰি প্ৰচাৰৰ ক্ষেত্ৰত সাংবাদিকসকল প্ৰতিযোগীৰ কাষত থিয় হ'ব বুলিও আজিৰ সভাই স্পষ্ট কৰে।

## ষ্টাৰ স্প'ৰ্টিং-ৰাজস্থানী যুৱকৰ জয়

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ১৬ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত ষ্টাৰ স্প'ৰ্টিং ক্লাবে বঢ়মপুৰৰ নৱম অসম আৰক্ষী বাহিনীক ৩-০ গ'লত আৰু নগাঁও ৰাজস্থানী যুৱক সংঘই ত্ৰিনয়ন গোষ্ঠীক ২-১ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। ইয়াৰে প্ৰথমখন খেলত ষ্টাৰ স্প'ৰ্টিঙৰ হৈ বিভানজ্যোতি লস্কৰ (২৭ মিঃ), ৰূপজ্যোতি বৰা (৪৬ মিঃ) আৰু কিশান কোঁৱৰে (৫৯ মিঃ)ত গ'ল দিয়ে। ষ্টাৰ স্প'ৰ্টিঙৰ মিঠু ডেকা শ্ৰেষ্ঠ খেলুৱৈৰূপে বিবেচিত হয়। খেলখন পৰিচালনা কৰাত ৰেফাৰী শোণিত কুমাৰ বৰাক সহায় কৰে শৈলেন ভূঞা, কৃষ্ণকান্ত দাস আৰু দিব্যজ্যোতি শৰ্মা (চতুৰ্থ)ই। আনহাতে, নৈশালোকৰ খেলখনত নগাঁও ৰাজস্থানী যুৱক সংঘৰ হৈ গ'ল দুটা প্ৰিন্স বৰা (১২ মিঃ) আৰু অনিল পাটৰে (২৫ মিঃ) দিয়াৰ বিপৰীতে ত্ৰিনয়ন গোষ্ঠীৰ হৈ একমাত্ৰ গ'লটো অন্তিম সময়ত দিয়ে লং প্ৰেম ডেৰাই। আজিৰ নৈশালোকৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী ৰূপম বৰদলৈক সহায় কৰে পবিত্ৰ বৰা, ৰয়েল ইছলাম আৰু অ'হিদুজ জামানে (চতুৰ্থ)। এইখন খেলত ৰাজস্থানী যুৱক সংঘৰ কেশৱ দেউৰী শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়।

## গাৰ্চিয়াৰ বিশ্ব এথলেটিক্‌ছত প্ৰথম স্বৰ্ণপদক

**নিউজ ব্যুৰ'**
**অ'ৰেগন, ১৬ জুলাই ঃ** পেৰুৰ কিম্বাৰ্লি গাৰ্চিয়া লিয়নে অ'ৰেগনত অনুষ্ঠিত বিশ্ব এথলেটিক্‌ছৰ প্ৰথমটো স্বৰ্ণপদক অৰ্জন কৰিছে। কালি মহিলাৰ ২০ কিলোমিটাৰ খোজকঢ়াত তেওঁ খিতাপ জয় কৰিবলৈ সক্ষম হয়। তেওঁ তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত পৰাজিত কৰে ২০১২ৰ অলিম্পিক চেম্পিয়ন পোলেণ্ডৰ কেটেৰাইনা জেজিয়েব্ল'ক।

## ছিংগাপুৰ অপেন বেডমিণ্টনৰ ফাইনেলত সিন্ধু

### ছেমিফাইনেলত নিমিষতে উৰুৱালে জাপানী প্ৰতিদ্বন্দ্বীৰ প্ৰত্যাহ্বান



**নিউজ ব্যুৰ'**
**ছিংগাপুৰ, ১৬ জুলাই ঃ** জাপানৰ প্ৰতিদ্বন্দ্বীৰ প্ৰত্যাহ্বান নিমিষতে উৰুৱাই ছিংগাপুৰ অপেন ছুপাৰ-৫০০ বেডমিণ্টনৰ ফাইনেলত প্ৰৱেশ কৰিলে পি ভি সিন্ধুৱে। দুবাৰৰ অলিম্পিক পদক বিজয়ী ভাৰতীয় তাৰকাগৰাকীয়ে আজিৰ মহিলা ছিংগল্‌ছৰ ছেমিফাইনেলত ছায়েনা কাৱাকামিকক অতি সহজে মাত্ৰ ৩২ মিনিটতে পৰাজিত কৰে। খেলখনত সিন্ধুৱে জাপানী খেলুৱৈগৰাকীক ২১-১৫, ২১-৭ পইণ্টত বিধ্বস্ত কৰে। এই বিজয়ৰ জৰিয়তে বিশ্বৰ সাত নম্বৰ স্থানৰ খেলুৱৈগৰাকীয়ে খিতাপৰ সম্ভাৱনাও উজ্জ্বল কৰিলে। খেলখনত বিশ্বৰ ৩৮ নম্বৰৰ কাৱাকামিকে সিন্ধুৰ ওপৰত কোনো ধৰণৰ চাপ সৃষ্টি কৰিব নোৱাৰিলে। বৰঞ্চ ভাৰতীয় তাৰকাগৰাকীৰ দুৰন্ত খেলত তিষ্ঠিব নোৱাৰি ইটোৰ পাছত সিটো ভুল কৰি তেওঁ পৰাজয় স্বীকাৰ কৰে।

## শ্বুটিং বিশ্বকাপত স্বৰ্ণজয় ভাৰতৰ ঐশ্বৰী প্ৰতাপৰ



**নিউজ ব্যুৰ'**
**চাংৱ'ন, ১৬ জুলাই ঃ** দক্ষিণ কোৰিয়াৰ চাংৱ'নত চলি থকা আইএছএছএফ শ্বুটিং বিশ্বকাপত ভাৰতীয় শ্বুটাৰৰ সাফল্য অব্যাহত আছে। আজি ভাৰতৰ ঐশ্বৰী প্ৰতাপ সিং টোমৰে পুৰুষৰ ৫০ মিটাৰ ৰাইফল থ্ৰী পজিছন ইভেণ্টত স্বৰ্ণপদক জয় কৰে। ইয়াৰ জৰিয়তে প্ৰতিযোগিতাত ভাৰতৰ স্বৰ্ণপদকৰ সংখ্যা চাৰিটালৈ বৃদ্ধি পালে। আজিৰ ফাইনেলত ঐশ্বৰীয়ে হাংগেৰীৰ জালান পেকলাৰক ১৬-১২ পইণ্টৰ ব্যৱধানত পৰাজিত কৰে। উক্ত ইভেণ্টত ভাৰতৰ আন এজন প্ৰতিযোগী চেইন সিঙে সপ্তম স্থান লাভ কৰে।


## আজি ভাৰত-ইংলণ্ডৰ নিৰ্ণায়ক মেচ

### বেটিং বিভাগৰ মানসিকতা সলনিৰ প্ৰয়োজন ৰোহিতৰ দলৰ

**নিউজ ব্যুৰ'**
**মানচেষ্টাৰ, ১৬ জুলাই ঃ** ভাৰত আৰু ইংলণ্ডৰ মাজৰ এদিনীয়া শৃংখলাৰ নিৰ্ণায়ক তৃতীয় মেচখন কাইলৈ মানচেষ্টাৰত অনুষ্ঠিত হ'ব। ইতিমধ্যে দুয়োটা দলে এখনকৈ মেচত জয়লাভ কৰিছে। ফলত শৃংখলা জয়ৰ বাবে কাইলৈৰ খেলখন দুয়োটা দলৰ বাবেই গুৰুত্বপূৰ্ণ।

লক্ষ্যণীয়ভাৱে প্ৰথম দুখন মেচত বলাৰসকলে সুন্দৰ প্ৰদৰ্শন আগবঢ়োৱাৰ বিপৰীতে দুয়োটা দলৰ বেটাৰসকলে যোগ্যতা অনুসাৰে খেলিব পৰা নাই। ভাৰতৰ অধিনায়ক ৰোহিত শৰ্মাই প্ৰথম মেচত ৰাজকীয় বেটিং কৰিছিল যদিও দ্বিতীয় মেচত ব্যৰ্থ হয়।ইয়াৰ উপৰি শিখৰ ধৱন আৰু বিৰাট কোহলিয়েও প্ৰত্যাশা অনুযায়ী বেটিং কৰিব পৰা নাই। ধৱন প্ৰথম মেচত অপৰাজিত আছিল যদিও তেওঁৰ খেলত নাছিল পৰিচিত আগ্ৰাসন। দ্বিতীয় মেচত ধৱনো ব্যৰ্থ হয়। আনহাতে, কোহলিৰ ধাৰাবাহিক ব্যৰ্থতা এতিয়া বিশ্ব ক্ৰিকেটতে চৰ্চাৰ বিষয়। কাইলৈ তেওঁক আন এটা সুযোগ দিয়া হ'ব পাৰে। বিশেষকৈ ভাৰতীয় দলৰ বেটিঙত মানসিকতা সলনিৰ প্ৰয়োজন আছে। এই কথা অধিনায়ক ৰোহিতে স্বীকাৰো কৰিছে। দ্বিতীয় মেচত পৰাজিত হ'লেও অৱশ্যে কাইলৈ মূল একাদশত সালসলনিৰ সম্ভাৱনা নাই। অৱশ্যে উইকেটৰ পৰা স্পীনাৰে সহায় পোৱাৰ সম্ভাৱনা থাকিলে ৰবীন্দ্ৰ জাদেজাৰ পৰিৱৰ্তে অক্ষৰ পেটেলক সুযোগ দিয়া হ'ব পাৰে। কিয়নো চলিত শৃংখলাত জাদেজাই বলিঙত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই।

## মাতৃত্বৰ গৌৰৱ অৰ্জন ছাৰাপ'ভাৰ



**নিউজ ব্যুৰ'**
**ফ্ল'ৰিডা, ১৬ জুলাই ঃ** মাতৃত্বৰ গৌৰৱ অৰ্জন কৰিলে প্ৰাক্তন ৰুছ টেনিছ তাৰকা মাৰিয়া ছাৰাপ'ভাই। প্ৰথম সন্তানৰ জন্মৰ কথা ইনষ্টাগ্ৰামযোগে সদৰী কৰিছে পাঁচটাকৈ গ্ৰেণ্ড শ্লাম খিতাপ জয়ী তাৰকাগৰাকীয়ে। ইনষ্টাগ্ৰামত টেনিছ-সুন্দৰীয়ে ব্ৰিটিছ প্ৰেমিক আলেকজেণ্ডাৰ গিলকেছ আৰু নৱজাত পুত্ৰ সন্তানৰ ফটো প'ষ্ট কৰিছে। ইয়াৰ পাছতে সমগ্ৰ বিশ্বৰ পৰাই তেওঁলৈ শুভেচ্ছা বাৰ্তা আহিছে।
ছাৰাপ'ভাই নিজৰ সন্তানৰ নাম ৰাখিছে থিঅ'ডৰ। ফটোৰ স'তে তেওঁ লিখিছে, 'আমাৰ সৰু পৰিয়ালত সবাতোকৈ সুন্দৰ, কঠিন তথা অমূল্য উপহাৰ পালো আজি।'

উল্লেখ্য যে ছাৰাপ'ভা মাতৃ হ'বলৈ ওলোৱাৰ কথা যোৱা এপ্ৰিলতে সদৰী হৈছিল। নিজৰ জন্মদিনতে তেওঁ অন্তঃসত্ত্বা হোৱাৰ খবৰ সদৰী কৰিছিল। টেনিছ কেৰিয়াৰৰ মধ্য গগনত থকাৰ সময়তে ড'পিঙৰ অভিযোগত তেওঁ দুবছৰলৈ নিষিদ্ধ হৈছিল। নিজৰ অজ্ঞাতেই নিষিদ্ধ ঔষধ সেৱন কৰাৰ কথা তেওঁ স্বীকাৰ কৰিছিল। নিৰ্বাসনৰ ম্যাদ ওৰ পৰাৰ পাছত টেনিছ ক'ৰ্টলৈ উভতি আহিলেও প্ৰাক্তন এক নম্বৰ খেলুৱৈগৰাকীয়ে বিশেষ প্ৰভাৱ পেলাব নোৱাৰিলে। ২০২০ৰ ফেব্ৰুৱাৰীত তেওঁ আন্তৰ্জাতিক টেনিছৰ পৰা অৱসৰ ঘোষণা কৰে আৰু তাৰ পাছতে ব্ৰিটিছ ব্যৱসায়ী গিলকেছৰ স'তে সম্পৰ্কৰ কথা সদৰী কৰে।

প্ৰতিভা আৰু সৌন্দৰ্যৰ অপূৰ্ব সমাহাৰ ছাৰাপ'ভা হৈছে সেই বিৰল টেনিছ খেলুৱৈসকলৰ অন্যতম, যি চাৰিওখন গ্ৰেণ্ড শ্লাম প্ৰতিযোগিতাতে কমেও এবাৰ হ'লেও খিতাপ জয় কৰিছে। ২০০৪ত মাত্ৰ ১৭ বছৰ বয়সতে তেওঁ উইম্বলডন জয় কৰি চাঞ্চল্যৰ সৃষ্টি কৰিছিল। ইয়াৰ পাছত ২০০৬ত ইউ এছ অপেন, ২০০৮ত অষ্ট্ৰেলিয়ান অপেন তথা ২০১২ আৰু ২০১৪ত ছাৰাপ'ভাই ফ্ৰেন্স অপেন জয় কৰিছিল। ছেৰেণা উইলিয়ামছৰ স'তে ছাৰাপ'ভাৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ কথা এসময়ত যথেষ্ট চৰ্চাত আছিল। কেৰিয়াৰৰ আৰম্ভণিতে তেওঁ ছেৰেণাক বহুবাৰ পৰাজিত কৰিছিল। যদিও পাছলৈ আমেৰিকান তাৰকাগৰাকীৰ বিপক্ষে তেওঁ থিয় দিব নোৱৰা অৱস্থাৰ সৃষ্টি হৈছিল।

## 'এ' ডিভিজন ফুটবল লীগত ৰমাকান্তৰ জয়

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১৬ জুলাই ঃ** যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা 'এ' ডিভিজন ফুটবল লীগত আজি 'এ' গ্ৰুপৰ খেলত ৰমাকান্ত এফচিয়ে ৩-০ গ'লত ৰেডিয়েণ্ট ক্লাবক পৰাভূত কৰে। এই জয়েৰে দলটোৱে লীগৰ সম্পূৰ্ণ পইন্ট লাভ কৰিবলৈ সক্ষম হয়। আজি খেলৰ প্ৰথমাৰ্দ্ধৰ অতিৰিক্ত সময়ত লক্ষ্যজ্যোতি সোণোৱালত গ'ল দি দললৈ অগ্ৰগতি আনে। দ্বিতীয়াৰ্দ্ধৰ ৬৫ মিনিটত ৰমাকান্ত এফচিৰ কল্যাণ দিহিঙীয়া আৰু ৯০ মিনিটত ধনা চন্দ্ৰ মুটুমে গ'ল দি দলৰ জয়ৰ ব্যৱধান ৩-০ গ'ললৈ বৃদ্ধি কৰে। উল্লেখ্য যে আজি ৰেফাৰীয়ে ৰেডিয়েণ্ট ক্লাবৰ দেৱগন পাটনায়ক, যোগেন টেলেংগা, শৰৎ গগৈ আৰু ৰমাকান্ত এফ চিৰ লক্ষ্যজ্যোতি সোণোৱালক ৰঙা কাৰ্ড প্ৰদৰ্শন কৰি খেলপথাৰৰ পৰা বাহিৰ কৰি দিয়ে। আজি খেল পৰিচালনা কৰাত ৰেফাৰী বিমান বুঢ়াগোহাঁইক লাইনত সহায় কৰে পৱন পাঠক আৰু ৰাজীৱ শইকীয়াই। চতুৰ্থ ৰেফাৰী ৰাজদীপ বড়া।

## মহিলা ইউৰ'ৰ কোৱাৰ্টাৰত ইংলণ্ড-অষ্ট্ৰিয়া

**নিউজ ব্যুৰ'**
**লণ্ডন, ১৬ জুলাই ঃ** ইংলণ্ডত চলি থকা মহিলা ইউৰ' কাপত ফুটবলত ঘৰুৱা দলটোৱে দুৰ্দান্ত ফৰ্ম অব্যাহত ৰাখিছে। কালি 'এ' গ্ৰুপৰ অন্তিমখন খেলত ইংলণ্ডে উত্তৰ আয়াৰলেণ্ডক ৫-০ গ'লত বিধ্বস্ত কৰে। দলটোৱে প্ৰথম দুখন মেচত জয়ী হৈয়েই কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছিল। আনহাতে, খিতাপৰ অন্যতম দাবীদাৰ নৰ'ৱেক আকস্মিকভাৱে বিদায় দি 'এ' গ্ৰুপৰ দ্বিতীয়টো দলৰূপে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিলে অষ্ট্ৰিয়াই। কালি গ্ৰুপৰ আন এখন খেলত অষ্ট্ৰিয়াই নৰ'ৱেক ১-০ গ'লত পৰাজিত কৰি চমক সৃষ্টি কৰে। কোৱাৰ্টাৰ ফাইনেলত অষ্ট্ৰিয়াই আঠবাৰৰ চেম্পিয়ন জাৰ্মানীৰ বিপক্ষে খেলিব। খেলখনত অষ্ট্ৰিয়াৰ হৈ জয়সূচক গ'লটো দিয়ে নিক'ল বিল্লাই। আনহাতে, নৰ'ৱেক দ্বিতীয় মেচত ৮-০ গ'লত পৰাজিত কৰা ইংলণ্ডে নিজৰ দুৰ্ধৰ্ষ ফৰ্ম অব্যাহত ৰাখিছে। কালি উত্তৰ আয়াৰলেণ্ডকো ঘৰুৱা দলটোৱে উৰুৱাই দিয়ে। দলৰ হৈ এলেছিয়া ৰুছ'ৱে দুটা তথা বেথ মীড আৰু ফ্ৰান কিৰ্বি একোটাকৈ গ'ল দিয়ে। আনহাতে, এটা আত্মঘাতী গ'লো হজম কৰে পৰাজিত দলটোৱে।



দেওবৰীয়া দৈনিক
অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023


# চাকি আৰু লেম্পেই মূল সম্বল গাঁওবাসীৰ

## আধুনিক বিশ্বৰ ২৩ শতিকাতো বিদ্যুতৰ পোহৰ নেদেখা এখন গাঁও ঃ বিদ্যুতৰ অভাৱত হাহাকাৰ ছাত্ৰ-ছাত্ৰীৰ

**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ১৬ জুলাই ঃ** শুনিবলৈ আচৰিত যেন লাগিলেও আধুনিক বিশ্বৰ ২৩ শতিকাতো নিশাৰ ভাগত অন্ধকাৰত আছে এখন গাঁও। ভাৰতে স্বাধীনতা পোৱাৰ প্ৰায় ৭৫ বছৰেই হ'ল। এতিয়ালৈ গাঁওখনে দেখিবলৈ নাপালে বিদ্যুতৰ পোহৰ। এই হতভগা ৰাইজৰ গাঁওখন হ'ল দৰঙৰ দলগাঁও সমষ্টিৰ অন্তৰ্গত খেৰণি চাপৰি। স্বাধীনতাৰ পাছত ৰাজ্যত কিমান চৰকাৰ আছিল আৰু গ'ল, 'গাঁওখনত বিদ্যুতৰ পোহৰহে নহ'ল। প্ৰতিটো নিৰ্বাচনতে বিধায়ক, সাংসদ, পঞ্চায়তৰ প্ৰতিনিধিৰ প্ৰাৰ্থীয়ে নিৰ্বাচিত হ'লে বিদ্যুতৰ সংযোগ দিব বুলি দিয়া প্ৰতিশ্ৰুতি নিৰ্বাচিত হোৱাৰ পাছত ফুটুকাৰ ফেনত পৰিণত হয়।

স্বাধীনতাৰ সাত দশক উকলি যোৱাৰ পাছত নিশা চাকি আৰু লেম্প হ'ল গাঁৱৰ ৰাইজৰ সাৰথি। গাঁওখনৰ অধকাংশ ছাত্ৰ-ছাত্ৰীয়ে চাকি আৰু লেম্পৰ পোহৰতে পঢ়া-শুনা কৰে যদিও কিছুসংখ্যকে সৌৰ চাকিৰে পঢ়া-শুনা কৰিব লগা হৈছে। বৰষুণৰ বতৰত অৱশ্যে সৌৰ চাকিয়ে কাম নিদিয়াত সকলোৰে একেই সমস্যা হৈ পৰে। গাঁওখনত বিদ্যুৎ সংযোগ নথকাৰ বাবে বৰ্তমানৰ আধুনিক যুগত আধুনিকতাৰ সা-সামগ্ৰী ব্যৱহাৰৰ পৰাও বহু দূৰত্বত অৱস্থান কৰিবলগীয়া হৈছে গাঁওবাসী। সম্প্ৰতি আটাইতকৈ প্ৰয়োজনীয় দূৰদৰ্শনৰ বাতৰিসমূহো শুনিবলৈ নোপোৱাত বহু প্ৰয়োজনীয় তথা গুৰুত্বপূৰ্ণ খবৰ আদিও বহুত পলমকৈ ৰাইজে পাবলৈ সক্ষম হোৱাত বিভিন্ন প্ৰয়োজনীয় কাম-কাজৰ পৰাও বঞ্চিত হ'ব লগা হৈছে। কিছু সংখ্যকৰ হাতত এনড্ৰইড অথবা সাধাৰণ ম'বাইলসমূহো চাৰ্জ দিবলৈ বহু দূৰলৈ যাব লগা হয়। তাতো টকা-পইচাৰ বিনিয়তহে চাৰ্জ দিব লগা হয়। বিদ্যুতৰ অভাৱত বৈদ্যুতিক মটৰ সংযোগ কৰিব নোৱাৰাত বিশুদ্ধ খোৱাপানীৰ পৰাও বঞ্চিত হৈছে অঞ্চলবাসী। গাঁওখনত বিদ্যুৎ সংযোগৰ বাবে ৰাইজে বিভাগীয় কৰ্তৃপক্ষক বাৰম্বাৰ আবেদন-নিবেদন কৰিছে যদিও আজিলৈকে নাপালে বিদ্যুৎ সংযোগ। এই সন্দৰ্ভত গাঁওখনৰ ৰাইজে অচিৰেই বিদ্যুৎ বিভাগৰ লগতে অসম চৰকাৰক বিদ্যুৎ সংযোগ কৰি দিবলৈ আহ্বান জনাইছে।



*বিশিষ্ট সাহিত্যিক-সাংবাদিক কনকসেন ডেকাৰ জন্মদিনত সাহিত্য ভাৰতীৰ ওলগ, মহানগৰীত শনিবাৰে।*



# পৰস্পৰৰ সংস্কৃতি বিনিময়ৰ জৰিয়তে জনগোষ্ঠীসমূহৰ মাজত ভ্ৰাতৃত্ববোধ গঢ়ি তোলাৰ লক্ষ্য

## ৰাজ্য চৰকাৰৰ বলিষ্ঠ পদক্ষেপ ঃ প্ৰথমবাৰলৈ ৰাজ্যত এটা জনগোষ্ঠীৰ সংস্কৃতি আন এটা জনগোষ্ঠীয়ে ল'লে প্ৰশিক্ষণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৬ জুলাই ঃ** ভিন্ন জাতি-জনজাতি বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতিৰ মিলনভূমি অসমত প্ৰথমবাৰলৈ অনুষ্ঠিত হ'ব নৃগোষ্ঠীয় সাংস্কৃতিক মহোৎসৱ। য'ত এটা জনগোষ্ঠীয়ে আন এটা জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি এই মহোৎসৱত দাঙি ধৰি 'বৰ অসম'ৰ চানেকি তুলি ধৰিব। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত তথা সাংস্কৃতিক মন্ত্ৰী বিমল বৰাৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ তত্ত্বাৱধানত ৰাজ্যত প্ৰথমবাৰলৈ জনগোষ্ঠীসমূহৰ মাজত অনুষ্ঠিত হোৱা 'নৃগোষ্ঠীয় সাংস্কৃতিক সমন্বয় আৰু বিনিময় অভিযান'ৰ সফল সমাপ্তি হৈছে। ৰাজ্যখনৰ প্ৰায় ২০টাকৈ জনজাতি-জনগোষ্ঠীয়ে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণ শিবিৰত এটা জনগোষ্ঠীয়ে আন এটা জনগোষ্ঠীৰ সাজ-পোছাক, খাদ্যৰ লগতে কৃষ্টি-সংস্কৃতিৰ আদান-প্ৰদান কৰে আৰু এই প্ৰশিক্ষণপ্ৰাপ্ত জনগোষ্ঠীসমূহক লৈ সাংস্কৃতিক বিভাগে ডিচেম্বৰত নৃগোষ্ঠীয় সাংস্কৃতিক মহোৎসৱ অনুষ্ঠিত কৰিবলৈ তৎপৰতা গ্ৰহণ কৰিছে। প্ৰাৰম্ভিক আলোচনাত এই মহোৎসৱ কোকৰাঝাৰত অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ দিয়া হৈছে যদিও স্থান আৰু দিনৰ ক্ষেত্ৰত এতিয়াও চূড়ান্ত সিদ্ধান্ত হোৱা নাই বুলি সংশ্লিষ্ট পক্ষই সদৰী কৰিছে।

উল্লেখ্য যে ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক জনজাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি এক নিৰ্দিষ্ট পৰিসীমাত প্ৰচলন তথা কেৱল জনগোষ্ঠীসমূহৰ মাজতে প্ৰচলিত হৈ আহিছে। ইতিহাসৰ পাতত এটা জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি আন এটা জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা দেখিবলৈ পোৱা নাযায় যদিও প্ৰথমবাৰলৈ চৰকাৰে এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি জনগোষ্ঠীসমূহৰ মাজত সংস্কৃতিৰ আদান-প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যখনত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীক একত্ৰিত কৰি অসমক এক সৱল স্থিতিত উপস্থাপন কৰাই প্ৰধান লক্ষ্যৰূপে লৈ কলাক্ষেত্ৰত বিগত বৰ্ষৰ নৱেম্বৰৰ পৰা চলিত মাহলৈ অনুষ্ঠিত হোৱা নৃগোষ্ঠীয় সাংস্কৃতিক সমন্বয় আৰু বিনিময় অভিযানৰ সন্দৰ্ভত 'অহিন শাখা'ৰ সমন্বয়ক বাবুল ডেকাই কয়, '২০২১ৰ ১০ নৱেম্বৰৰ পৰা চলিত চাৰি জুলাইলৈ পৰ্য্যায়ক্ৰমে পাঁচটা ভাগত অনুষ্ঠিত হোৱা তথা মুঠ ৭৫ দিনীয়া এই কৰ্মশালাত ৰাজ্যখনৰ ২০টা জনগোষ্ঠীৰ ছশজন যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। প্ৰতিটো জনগোষ্ঠীৰ ৩০ জনকৈ যুৱক-যুৱতী আৰু প্ৰশিক্ষকে অংশগ্ৰহণ কৰা এই আৱাসিক কৰ্মশালাত যোগাসন, সত্ৰীয়া নৃত্য, বৰগীত, ভোৰতাল, বিশিষ্ট শিল্পীৰ অংশগ্ৰহণেৰে সাংস্কৃতিক অনুষ্ঠান, বিশিষ্ট বুদ্ধিজীৱীৰ অংশগ্ৰহণেৰে বৌদ্ধিক অনুষ্ঠানৰ উপৰি পৰস্পৰ খাদ্য, সাজ-পোছাক আৰু সংস্কৃতিৰ বিনিময় প্ৰশিক্ষণ প্ৰদান কৰা হয়।' উল্লেখ্য যে বিগত বৰ্ষৰ ১০ নৱেম্বৰৰ পৰা ২১ নৱেম্বৰলৈ অনুষ্ঠিত হোৱা প্ৰথমখন আৱাসিক কৰ্মশালাত ৰাজ্যখনৰ বড়ো, তিৱা, তাই আহোম আৰু মটক জনগোষ্ঠীয়ে অংশগ্ৰহণ কৰে। ইয়াৰে বড়ো আৰু তাই আহোম, তিৱা আৰু মটকৰ মাজত নিজা নিজা কৃষ্টি-সংস্কৃতিৰ আদান-প্ৰদান হয়। সমান্তৰালভাৱে ন ডিচেম্বৰৰ পৰা ২১ ডিচেম্বৰলৈ অনুষ্ঠিত হোৱা দ্বিতীয় আৱাসিক কৰ্মশালাত হাজং আৰু নেপালী জনগোষ্ঠী, মিচিং আৰু চাহ জনগোষ্ঠী, ১২ মে'ৰ পৰা ২৫ মে'লৈ অনুষ্ঠিত তৃতীয় কৰ্মশালাত সোণোৱাল কছাৰী আৰু কাৰ্বি জনগোষ্ঠী, ডিমাছা আৰু কোচ ৰাজবংশী, পহিলা জুনৰ পৰা ১৫ জুনলৈ অনুষ্ঠিত চতুৰ্থ কৰ্মশালাত মৰাণ আৰু কোচ, ৰাভা আৰু দেউৰী জনগোষ্ঠী আৰু ২০ জুনৰ পৰা চাৰি জুলাইলৈ অনুষ্ঠিত হোৱা প্ৰথম পৰ্যায়ৰ পঞ্চম কৰ্মশালাত চুতীয়া আৰু চিংফৌ, ঠেঙাল কছাৰী আৰু বিষ্ণুপ্ৰিয়া জনগোষ্ঠীৰ মাজত নিজ নিজ কৃষ্টি-সংস্কৃতিৰ আদান-প্ৰদান হয়। উল্লেখ্য যে বিশ্বায়ন তথা আধুনিকীকৰণৰ যুগত নিজৰ সংস্কৃতিক ঐতিহ্যৰ স্বকীয়তা বৰ্তাই ৰাখি সকলোকে একে মাটিৰ সন্তান হিচাপে বিকশিত হ'বলৈ এই কৰ্মশালাই এক ক্ষেত্ৰ প্ৰদান কৰাৰ লগতে এনে পদক্ষেপে নতুন প্ৰজন্মৰ মাজত সমগ্ৰ নৃগোষ্ঠীয় সাংস্কৃতিক পৰম্পৰাসমূহ প্ৰসাৰ, প্ৰচাৰ, সংৰক্ষণৰ ধাৰণা বিকাশত সহায় কৰিব বুলি উদ্যোক্তাই মত প্ৰকাশ কৰিছে। প্ৰথম পৰ্যায়ৰ কৰ্মশালাৰ সফল সামৰণিৰ পাছতে সম্প্ৰতি বাকী থকা জনগোষ্ঠীসমূহক সামৰি পৰৱৰ্তী তথা দ্বিতীয় কৰ্মশালাৰ বাবে সংশ্লিষ্ট বিভাগে তৎপৰতা গ্ৰহণ কৰিছে।

# গোৱালপাৰাৰ পঞ্চীৰ শিৰত জিলিকিল 'আইকনিক ফেচ অৱ নৰ্থ-ইষ্ট'ৰ খিতাপ

**অগ্ৰদূত বাৰ্তা**
**কৃষ্ণাই/মাটিয়া, ১৬ জুলাই ঃ** গুৱাহাটীৰ প্ৰাগজ্যোতি আইটিএ, মাছখোৱা সাংস্কৃতিক প্ৰেক্ষাগৃহত কালি অনুষ্ঠিত 'আকৃতি ইভেণ্টছ প্ৰাইভেট লিমিটেড'ৰ দ্বাৰা আয়োজিত 'আইকনিক ফেচ অৱ নৰ্থ-হষ্ট, ২০২২' (ছিজন-৪) শীৰ্ষক মিষ্টাৰ মিছেছ, মিষ্টাৰছ আৰু কিডছ শাখাৰ মাজত এখন ফেশ্বন প্ৰতিযোগিতা অনুষ্ঠিত হয়। উত্তৰ-পূবৰ বহুকেইখন ৰাজ্যৰ মডেলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। ইয়াৰে শিশুৰ ছোৱালী শাখাত গোৱালপাৰাৰ পাঁচ বছৰীয়া কণমানি ছোৱালী পঞ্চী বৰ্মনে 'আইকনিক ফেচ অৱ নৰ্থ-ইষ্ট, ২০২২'ৰ সন্মানীয় বিজয়ী মুকুট দখল কৰিবলৈ সক্ষম হয়। পঞ্চী বৰ্মন



হ'ল গোৱালপাৰাৰ ৰাতুল চন্দ্ৰ বৰ্মন আৰু মিলিমা দাসৰ কন্যা। বৰ্তমান পঞ্চী বৰ্মন গোৱালপাৰা মাদাৰ মেৰী স্কুলত অধ্যয়ন কৰি আছে আৰু গোৱালপাৰা ৰাইজিং ডেন্স একাডেমীত গুৰু শংকৰ কলিতাৰ তত্ত্বাৱধানত নৃত্যৰ প্ৰশিক্ষণ লৈ আছে। কণমানি পঞ্চী বৰ্মনে ইয়াৰ পূৰ্বেও কে'বাটাও সফলতা লাভ কৰিছে। এই ধাৰাবাহিক সাফল্যত শুভকাংক্ষীৰ লগতে সমূহ গোৱালপাৰাবাসী উৎফুল্লিত হৈ পৰিছে। অনুষ্ঠানত জুৰীৰূপে আছিল মণিকা সিন্হা, পিংকী ভট্ট আৰু কিৰণ বড়ো। লগতে আমন্ত্ৰিত অতিথি হিচাপে জনপ্ৰিয় অভিনেতা তথা কৰিঅ'গ্ৰাফাৰ শংকৰ কলিতা, জনপ্ৰিয় কণ্ঠশিল্পী ভৃগু কাশ্যপ, মণ্টুমণি শইকীয়াৰ লগতে বহুতো বিশিষ্ট লোক এই অনুষ্ঠানত উপস্থিত থাকে।

# পিএম কিষাণৰ হিতাধিকাৰীক ইকেৱাইচি কৰাৰ আহ্বান

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১৬ জুলাই ঃ** কেন্দ্ৰীয় চৰকাৰৰ 'প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি'ৰ হিতাধিকাৰীয়ে ইকেৱাইচি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ অন্তিম তাৰিখ ৩১ জুলাইলৈকে বৃদ্ধি কৰিছে। সেয়ে যিসকল কৃষকৰ আধাৰ নম্বৰ ইতিমধ্যে পিএম কিষাণ পৰ্টেলত সংযুক্ত হৈছে, সেইসকল কৃষকে ইকেৱাইচিৰ জৰিয়তে নিজৰ আধাৰ নম্বৰৰ সত্যাসত্য নিৰূপণ কৰিব লাগিব। অন্যথা হিতাধিকাৰীসকলৰ আধাৰ নম্বৰ পিএম কিষাণ পৰ্টেলত থাকিলেও কিস্তিৰ ধন পোৱাৰ উপযুক্ত নহ'ব পাৰে। সেয়েহে হিতাধিকাৰীসকলে অনতিপলমে উন্নয়ন খণ্ডৰ পিএফচি কেন্দ্ৰত নাইবা নিকটৱৰ্তী চিএছচিত গৈ ইকেৱাইচি সম্পন্ন কৰিবলৈ অনুৰোধ জনাইছে গোৱালপাৰাৰ কৃষি বিভাগে। আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতি অনুসৰি যিসকল কৃষকৰ আধাৰ নম্বৰ এতিয়াও পিএম কিষাণ পৰ্টেলত সংযুক্ত হোৱা নাই নাইবা আধাৰ বিসংগতি হৈ আছে তেওঁলোকে অনতিপলমে নিকটৱৰ্তী চিএছচি কেন্দ্ৰত গৈ নাইবা সংশ্লিষ্ট কৃষি সম্প্ৰসাৰণ কৰ্মীৰ হাতত আধাৰ কাৰ্ডৰ ফটোকপি জমা দি সংশোধন কৰিবলৈ অনুৰোধ জনাইছে কৃষি বিভাগে।



জনসংযোগ/চি/৭৭১৭/২২

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com